# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/52 | Language of work: Assamese |
| Author (s) / Editor (s): Rameswar Borah | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asāma Sāhitya Sabhā Patrikā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: |
| Year: 1940-41 (1862-63 Sak) | Edition: |
| Size: 22cm 122 pages | Genre: Magazine |
| Volumes: 9 - 3 issues | Condition of the original: Brittle |
| Remarks: First published in the year 1917 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

অসম সাহিত্য-সভা পত্ৰিকা

পুহ—চ'ত ১৮৬২ শক

নৱম বছৰ | মুঠ সংখ্যা—৪০ | তৃতীয় সংখ্যা

# কানিৰ অপকাৰিতা *

মাৰাত্মক মাদক দ্ৰব্য বোৰৰ ভিতৰত কানিও এবিধ বিশাক্ত মাদক দ্ৰব্য। ই দেখিবলৈ ক'লা,—আফু নামেৰে গছৰ এঠাৰে তৈয়াৰী। ইয়াক খালে মদ ভাঙৰ দৰে গাত নিছা লাগে। অৱশ্যে ইয়াৰ নিছা শুকীয়া। কিন্তু কানি খাই অভ্যাস হলে মানুহে হঠাতে তাক এৰিব নোৱাৰে। সেই কাৰণেই কানিয়ে মানৱ জীৱনৰ অস্তিত্ব পৰ্য্যন্ত ধ্বংস কৰিব পাৰে। ই প্ৰাণলৈ হতাশ আৰু পৰাধীনতা আনে। কানি বিহৰ নিচিনা, ই মানুহ মাৰিবও পাৰে মানুহক পঙ্গু কৰিবলৈ ইয়াৰ যিমান শক্তি আন ৰাগীয়াল বস্তুৰ সিমান নাই। ই উৎসাহ শক্তিটো (spirit) তেনেই লোপ কৰে। প্ৰাণত নিৰ্ম্মম অশান্তি আৰু অসহ্য কাপুৰুষতা আনি দিয়ে। মানুহৰ মনুষ্যত্ব বিকাশৰ সকলো পথেই এই কানিয়ে ৰোধ কৰে। ই কলেৰা বা বসন্ত ৰোগতকৈও কঠিন আৰু মাৰাত্মক। কানি খাবলৈ তিতা আৰু ইয়াৰ পৰিণামো বিহৰ দৰে তিতা।

কানিৰ অপকাৰিতা সম্পৰ্কে বহুতো বিশেষজ্ঞই নিজৰ মত প্ৰকাশ কৰিছে। Practice of Medicine নামৰ বিখ্যাত কিতাপ এখন আমেৰিকাৰ ইলিনয়চ কলেজৰ চিকিৎসা শাস্ত্ৰৰ অধ্যাপক খ্যাতনামা চিকিৎসাবিদ্ ফ্ৰেদাৰিক টাইছে প্ৰকাশ কৰিছে। তাত ডাক্তৰ টিকেনে কানিৰ বিশাক্ত পৰিণাম সম্পৰ্কে ৮ম খণ্ডত এনেদৰে আলোচনা কৰিছে:—"সৰহ দিন কানি ব্যৱহাৰ কৰিলে মনৰ বল কমে, নিজৰ ইচ্ছা শক্তি নোহোৱা

* এই প্ৰবন্ধটি সাহিত্য সন্মিলনৰ তেজপুৰ অধিবেশনৰ আগতে লিখা হৈছিল। প্ৰতিযোগিতাত এই প্ৰবন্ধই প্ৰথম স্থান অধিকাৰ কৰে আৰু লিখকে ইয়াৰ বাবে এটি পদক পায়। প্ৰবন্ধটি অসম সাহিত্য সভা পত্ৰিকাত আগতে প্ৰকাশ হব লাগিছিল। বৰ্ত্তমানত সময়োপযোগী হব যেন অনুমান কৰি প্ৰবন্ধটি প্ৰকাশ কৰা হল।

সম্পাদক।

হয়। নিজৰ ল'ৰা ছোৱালী বা আত্মীয়-কুটুম্বৰ প্ৰতি মৰম চেনেহ নোহোৱা হয়। বহুতো কানিয়াৰ জীয়াই থাকিবলৈ স্পৃহা নাইকিয়া হয়। কেনেকৈ কানিকণৰ দিহা কৰিব পাৰি, এয়েই একমাত্ৰ চিন্তা হয়। নৈতিক হিচাপেও কানীয়া হীন হয়, সৰু সুৰা বস্তু চুৰকৰি নিয়াতো কানীয়াৰ পক্ষে একো টান কথা নহয়। কানীয়াক কেতিয়াও বিশ্বাস কৰিব নোৱাৰি। সঁচা কথা কানীয়াই কেতিয়াও নকয়।"

শৰীৰৰ ওপৰতো কানিয়ে ক্ৰিয়া কৰে। পাক যন্ত্ৰৰ বহুতো পৰিবৰ্ত্তন ঘটে। পাক-যন্ত্ৰৰ পৰা যিবোৰ ৰস নিজৰি খোৱাবস্তু হজম কৰাত সহায় কৰে সেইবোৰ ৰসৰ নিজৰা বন্ধ হয়। ফলত হজম আৰু পৰিপাক শক্তি হ্ৰাস হয়। শৌচ কচা হোৱাতো সুশুচেই। মুৰ-ঘুৰুৱা, মুৰ-কুৰণি লাগিয়েই থাকে। মানুহটো ওজনত কমি যায়। আৰু ক্ষীণাই, শুকাই যাবলৈ ধৰে। কানিয়ে ভোক নষ্ট কৰে। সেইবাবে কানীয়াই বেচি খাব নোৱাৰে আৰু এইবাবেই ওজনত কম হয়।

"ব্ৰঙ্কাইটিছ কানিয়াৰ সাধাৰণ উপসৰ্গ। সদায় কাহ লাগিয়ে আছে। হাওফাও বৰ দুৰ্ব্বল হয়, আৰু যক্ষ্মা বেমাৰৰ আক্ৰমণ বৰ উজু হয়। যক্ষ্মা বেমাৰো কানীয়াৰ মাজত সাধাৰণ।

"কানি ব্যৱহাৰ কৰাত মুনিহৰ তিকতাৰ লগত সহবাস কৰিবলৈ স্পৃহা নাইকিয়া হয়। পুৰুষত্ব হীন হয়। তিকতাই কানি ব্যৱহাৰ কৰিলে ৰজঃস্বলা হওঁতে তলপেটত বিষ হয়, আৰু ৰজঃস্বলা হোৱাতো বন্ধ হয়। এই কাৰণে বোধকৰো মুনিহ আৰু তিকতা কানীয়া হলে প্ৰায়েই তেওঁলোকৰ সন্তান জন্ম নহয়। গৰ্ভস্ৰাব হোৱাতো সাধাৰণ কথা। পিয়াহৰ লগতো এই বিষ নিজৰি আহে। সৌভাগ্যক্ৰমে কানীয়ানীহঁত গৰ্ভাৱতী হোৱাতো অসাধাৰণ আৰু হলেও গৰ্ভস্ৰাৱ হৈ সন্তান নষ্ট হয়। কানীয়াৰ ছাল হালধীয়া সেঁতা হয়।

টি, ডি, কোডাৰ্চ্ছ নামৰ আন এজন খ্যাতনামা চিকিৎসকে কানিৰ অপকাৰীতা সম্পৰ্কে 'Sajou's Analytic Cylopaedia of Practical Medicine'— নামৰ গ্ৰন্থৰ এঠাইত লিখিছে—"কানি ব্যৱহাৰৰ ফলত স্নায়বিক বিকাৰ ঘটি মানুহটোৰ সম্পূৰ্ণ পৰিবৰ্ত্তন ঘটে। আত্মসংযম হেৰুৱায়। কোনো এটা কামত স্থিৰ সংকল্প কেতিয়াও কৰিব নোৱাৰে। সঁচা কথা নোকোৱা হয়। আন কি সৰুসুৰা বস্তু যিবোৰলৈ সাধাৰণতে লোকে চকু নিদিয়ে তেনেবিলাক বস্তু চুৰ কৰা স্বভাৱ হয়। কিবা উদ্দেশ্য থাকক বা নাথাকক কানীয়াৰ সৰুসুৰা বস্তু চুৰ কৰিবলৈ স্পৃহা হয়। জালিয়াত হোৱা, লোকক ঠগী টকা খোৱা কানীয়াৰ পক্ষে সাধাৰণ কথা। আৰু এটা কথা হৈছে যে কানীয়াই নিজৰ কথা লুকুৱাত বৰ আনন্দ পায়। বাহিৰত লোকক দেখুৱাই এটা, ভিতৰি কৰে আন এটা। এইদৰে চলিবলৈ কানীয়াৰ প্ৰবল ধাউতি হয়। আৰু ইয়াতেই কানীয়াৰ সুখ। কানীয়াৰ সাক্ষ্য লোৱাতো বৰ বিপজ্জনক। কাৰণ নিজৰ মনত ভবা কথা চকুৰে দেখা বুলি কানীয়াৰ মনত ধাৰণা হয়। ইয়াৰ উপৰিও কোন কামটো ভাল আৰু কোন কামটো বেয়া —কানীয়াৰ বুজাশক্তি বৰ কমি যায়।

"চীনদেশত কানি ব্যৱহাৰৰ ফলত বছৰি এজলাখ মানুহ আত্মঘাতী হয়। পেটৰ অসুখ, বদহজমী, শৌচকচা হোৱাতো আৰু মাজে মাজে শৌচ বেচি হোৱাতো কানীয়াৰ পক্ষে তেনেই স্বাভাৱিক। শুকাই; ক্ষীণাই কানীয়াৰ বৰণ চেলচেলীয়া হয়। কানীয়াৰ বৰণৰ এনে এটা বিশেষত্ব আছে যে দেখিলেই কানীয়াক চিনিব পাৰি।

"কানি সৰহ দিনলৈ খালে গাত বিষ কোপ হয়। আন কি খোজ পৰক্ ৰবক্ হয়। এনে অৱস্থাত আন কিবা টান বেমাৰ হলে কানীয়াৰ মৃত্যু অনিবাৰ্য্য। সঞ্চিত গ্ৰহনী আদি নানা বিধ অজীৰ্ণ ৰোগ, বাত-কাহ আৰু বুকুৰ বিষ কানীয়াই কানি খোৱা এৰিলেও দেখা যায়।

"সংসাৰৰ সাৰ বস্তু মৰম-চেনেহতো কানীয়াৰ বিকাৰ ঘটে। মৰম ঘৃণাত পৰিণত হয়। কানি অভ্যাস কৰাৰ পুৰ্ব্বতে যাক দেখিলে মৰমত পমি গৈছিল তেনেকুৱা মানুহকো কানি খাবলৈ ধৰাৰ পাচত কানীয়াই



দেখিব নোৱাৰা হয়। • •পুৰুষত্ব শক্তিও হীন হয়।

অপকাৰীতাত কানিয়ে মদকো চেৰ পেলায়। কানিয়ে যিবোৰ ব্যাধি ঘটায় তাৰ পৰা নিস্তাৰ পাবৰ উপায় নাই।"

এনে বিষাক্ত বস্তুৰো যে প্ৰচলন মানুহৰ মাজত কিয় ইমান দৰে হবলৈ পালে তাক নিৰ্দ্ধাৰণ কৰা দুঃসাধ্য। অৱশ্যে বেমাৰ-আজাৰৰ কাৰণে কানি ব্যৱহাৰ হয়। কিন্তু তাৰ মাত্ৰা ইমান কম যে সি মানুহে ব্যৱহাৰ কৰা কানিৰ মাত্ৰাৰ লগত তুলনাই হব নোঁৱাৰে। ঔষধৰ কাৰণে পৃথিবীৰ লোক সংখ্যাৰ প্ৰতি দহ হেজাৰৰ কাৰণে /৬ সেৰ কানিয়েই যথেষ্ট। জেনেভাৰ বিশ্ব-জাতি সঙ্ঘই ( League of Nations ) ইয়াৰ ওপৰে কানি তৈয়াৰ কৰিবলৈ মানা কৰা স্বত্বেও পৃথিবীত আজি লাখ লাখ মোন কানি তৈয়াৰ হবই লাগিছে।

কানিৰ প্ৰচলন কেতিয়া ক'ত পোন প্ৰথমে হল ঠাৱৰকৈ কোৱা টান। খুব সম্ভৱ অতীতত কানিৰ প্ৰচলন পোন প্ৰথমে গ্ৰীছতেই হয়। তাৰপাচত আৰৱ, পাৰস্য আদি দেশবোৰত চলিবলৈ আৰম্ভ কৰে। গ্ৰীষ্টাব্দৰ ১৭০০চনৰ শেষ ভাগত ভাৰতলৈ কানি অহাৰ প্ৰমাণ পোৱা যায়। এইখিনিতে কোৱা উচিত যে ভাৰতবৰ্ষত অতিক্ৰতে কানি নাপাগে আন কোনো মাদক দ্ৰব্যৰে বৰকৈ প্ৰচলন নাছিল। ইয়াৰ প্ৰমাণ বিদেশী পৰ্য্যটকৰ টোকা আৰু অতীত যুগৰ ইতিহাস আলোচনা কৰিলে পোৱা যায়। এই সম্পৰ্কে মিঃ ফ্ৰেডেৰিক গ্ৰাব্ নামৰ এজন পাশ্চাত্য পণ্ডিতে লিখা তলৰ কথা খিনিয়ে স্পষ্ট প্ৰমাণ কৰে যে অতীতৰ ভাৰতবৰ্ষৰ মানুহবোৰে মাদক দ্ৰব্য ব্যৱহাৰ নকৰিছিল। তেওঁ লিখিছে:—"India has been most part a teetotal Country. In Pre-british days drinking of intoxicating drugs was confined to a small section of the population. Intemperance is a vice of the modern growth, which has in recent years affected an increasing number of inhabitants." "ভাৰতবৰ্ষৰ সৰহ ভাগ ঠাইতে মাদকতা সম্পূৰ্ণ বৰ্জ্জিত আছিল। বৃটিছ আগমনৰ পুৰ্ব্বে অতিকম সংখ্যক লোকেহে মাদক-দ্ৰব্য ব্যৱহাৰ কৰিছিল। মাদকতা আধুনিক যুগৰ আমদানি পাপ। ইয়াৰ প্ৰচলন ভাৰতবৰ্ষৰ মানুহৰ ভিতৰত দিনক দিনে বাঢ়িহে আহিছে।"

বৰ্ত্তমানো হিন্দু মুছলমান সকলোৰে ধৰ্ম্মমতে মাদক-দ্ৰব্য খোৱাতো অতি নিন্দনীয় কাম। আৰু তাৰ বাবে শাস্ত্ৰত প্ৰায়শ্চিত্তৰো বিধান আছে। পিচে আজি-কালি অনেক জাতিৰ সংঘৰ্ষ আৰু মিশ্ৰণৰ ফলত ভাৰতবাসী অনেক ধৰ্ম্মমত উপেক্ষা কৰি মাদক-দ্ৰব্যৰ একান্ত সেৱক হৈ পৰিছে।

বহুত দিনৰ আগৰ পৰাই আমাৰ দেশত ( অসমত ) কানি নামৰ ৰৰবিহ সমাজত চলি আহিছে। আমাৰ দেশৰ বহুতৰ বিশ্বাস যে চীন দেশৰ পৰা অসমলৈ কানি আহিছিল। কিন্তু এই কথাত কিবা যুক্তি আছে বুলি মনে নধৰে। প্ৰাচীন গ্ৰন্থাদিত ইয়াৰ উল্লেখ পোৱা নাযায়। আৰু বৈষ্ণৱ গ্ৰন্থাৱলীতো ইয়াৰ নাম ক'তো দেখিবলৈ পোৱা নাযায়।

মিমানদুৰ জনা গৈছে মোগল বাদ্‌ছাহ বিলাকে যেতিয়া অসমৰ ফালে' অলপ নজৰ দিবলৈ ধৰিলে আৰু পাৰিলে অসমদেশ জয় কৰি ৰাজ্যভুক্ত কৰিবলৈ তাৰ ছল চাবলৈ দূত পঠালে তেতিয়া ৰজাক ভেটাবৰ অৰ্থে দূতৰ লগত আফিং পঠোৱা পোৱা যায়। তেতিয়া আফিং এইদৰে অলপ অচৰপ আহিবলৈ ধৰে; আৰু ৰজাৰ গাত লগা ডাঙৰীয়া সকলৰ ই এক আপুৰুগীয়া ৰাগী বুলি জানিব পৰা যায়। এইদৰে কানি অহাৰ পাচত গৌৰীনাথ সিংহৰ দিনত আহোম ডাঙৰীয়া সকলে কেতিয়াবা কেতিয়াবা তাৰ খেতি কৰিছিল বুলিও জনা যায়। সেই বুলি প্ৰজা সকলে খেতি কৰিবলৈ হলে, খুব বেচি খাজনা লগাই তাক কৰ নোৱাৰা কৰিছিল। আমি "মেজৰ বাটলাৰ-টেডলছত" পাওঁ যে কানি খেতি কৰা প্ৰত্যেক পুৰা মাটিৰ দহ টকাকৈ খাজনা লগাই দিছিল। আজি কালিৰ টকাৰ তুলনাত ১২০৲টকা তাৰ খাজনা হব। সেই কাৰণে দেখা গৈছিল সৰ্ব্বসাধাৰণে ইয়াৰ

খেতি কৰিব নোঁৱাৰিছিল। যি হওক কাপ্তান বেলচৰ এক্সপেডিচনৰ বৰ্ণনাত ১৭৯২ চনত দেখা যায় যে গৌৰীনাথ সিংহই এই মাদকদ্ৰব্য অতি মাত্ৰাই খাইছিল। সেই কাৰণে তেওঁ ৰাজকাৰ্য্য নিয়মমতে মনোযোগ দি সম্পাদন কৰিবলৈ অপাৰগ হ'ল। খুবসম্ভৱ ১৭৯২চনৰ পৰা ১৮৬১ চনলৈ ইয়াৰ প্ৰচাৰ বোধকৰো দিনক দিনে বাঢ়ি গৈছিল। ১৮৬১ চনৰ হিচাপ মতে দেখা যায় তেতিয়ালৈ পাচ হেজাৰতকৈও বেচি দোকান অসমত হৈছিল। আৰু পোহাৰী বোৰেও পাচিত লৈ কানি বেহা কৰি ফুৰা দেখা গৈছিল।

বুৰঞ্জীত এই সৰ্ব্বনাশকাৰী কানি ৰৰবিহ কেনেকৈ অসমলৈ আহিল সেই বিষয়ে যাইকৈ দুটা মত আছে। স্বৰ্গীয় গুণাভিৰাম বৰুৱাৰ বুৰঞ্জীয়ে কয়—"গৌৰীনাথসিংহ ৰজাক কাপ্তান বেলচ চাহাবে সহায় কৰিবলৈ আহোঁতে জহনী আৰু গ্ৰহনীত অনেক লোকৰ প্ৰাণ নষ্ট হোৱাত কাপ্তেনৰ লগত অহা সৈন্যৰ হাতত থকা আফিং খাই অনেক লোকৰ আৰোগ্য হয়। তেতিয়া কাপ্তেনৰ সৈন্যৰপৰা গুটি লৈ প্ৰথমতে তাৰপৰা কানিৰ খেতি কৰা হয়। ইয়াৰ আগতে দৰৰ বুলি ডাঙৰ লোক সকলে মাথোন ব্যৱহাৰ কৰিছিল।

মেজৰ বাট্‌লাৰ চাহাবেও ইয়াকে সমৰ্থন কৰে—"Opium, it is said, was first introduced in to Assam in 1794 from Bengal, when our troops assisted Rajah against the Mutacks, since then it has spread over the whole country and deteriorated and enfeebled the population." অৰ্থাৎ "কথিত আছে যে ১৭৯৪ খৃষ্টাব্দত যেতিয়া আমাৰ ( বৃটিছৰ ) ফৌজে মটকৰ বিৰুদ্ধে ৰজাক ( গৌৰীনাথ সিংহক ) সহায় কৰিছিল তেতিয়াই বঙ্গদেশৰ পৰা অসমত কানি সোমায়। তেতিয়াৰে পৰা ই গোটেই দেশত বিয়পি অসমীয়া মানুহ বোৰক দুৰ্ব্বল আৰু হীন কৰি পেলায়।"

স্বৰ্গীয় মণিৰাম দেৱানে কয় যে, লক্ষ্মীসিংহ ৰজাৰ দিনত জাটী ফালৰ পৰা অসমলৈ আফুগুটি অনা হয়। আৰু পোন প্ৰথমে বেলতলাত ইয়াৰ খেতি হয়। কিন্তু এই সময়ত মাথোন কেইজনমান ডাঙৰ লোকেহে কানি খাইছিল ; তলৰ থাপৰ মানুহে তাক ব্যৱহাৰ নকৰিছিল। বুঢ়াগোহাঁই, বৰগোহাঁই সকলে আফু খেতিৰ প্ৰচলনত বিষম পাই ৰুকা বধা কৰিছিল। ( Mills Report,1853 )

এই দুইটা মত গোটাই এইটো সিদ্ধান্ত সহজে কৰিব পাৰি যে আগৰে পৰা কানিৰ অলপ অচৰপ প্ৰচলন থাকিলেও খৃষ্টীয় অষ্টাদশ শতিকাৰ শেষ ভাগত হিন্দুস্থানী ছিপাহীয়ে বঙ্গালদেশৰ পৰা অনা আফুগুটিৰ পৰা অসমত কানিৰ নিয়মমতে প্ৰচলন হয়। কোনো কোনোৰ মতে এই ছিপাহী বিলাক কাপ্তান বেলছৰ লগত গৌৰীনাথ সিংহৰ দিনত অসমলৈ আহিছিল। কোনো কোনোৰ মতে লক্ষ্মীসিংহৰ দিনত দৰঙৰ ৰজাৰ পুতেক কৃষ্ণ নাৰায়নৰ তলত কাম কৰা বৰকন্দাজ বিলাকে অসমৰ অশান্তিৰ কলীনিচৰ গুটি স্বৰূপ কানি প্ৰচলন কৰিছিল।

দুখন অপ্ৰকাশিত বুৰঞ্জীতো কানিৰ কথা পোৱা গৈছে। স্বৰ্গদেৱ গদাধৰ সিংহৰ দিনৰ এখন বুৰঞ্জীত এইদৰে আছে 'ব্ৰাহ্মণ পণ্ডিত সকলক ধৰি আনি কানি খুওৱা হ'ল।" ই কানিৰ প্ৰচলন সুৰক্ষায় ; মাথোন শাস্তি স্বৰূপে কানি খোৱাবতে প্ৰমাণ দিয়ে। ( ২ ) ১৬৯১ শকৰ পৰা ১৭০২ শকলৈকে স্বৰ্গদেৱ লক্ষ্মীসিংহৰ ৰাজত্বত ঘটা এটা বিদ্ৰোহৰ শোধত পোৱা সাক্ষীৰ জবান বন্দীত এইদৰে লিখা আছে,— "আমি ৰজা ভাঙি ৰজা পাতিব খুজিছোঁ। * * * আৰু গুৰুৱীয়া-ইতে কৈছে বোলে আমি তাক্ষিকৰ তলৈ গলো বোলে। তোৰ এখেলৈ লোতোৰায়ে পঠাই দিছে। সি বোলে কেলৈ পঠাইছে ? পিচে আমি ক'লো এই কথাৰে পঠাইছে। সি বোলে তাং কানি খাই কলি, সচাকৈ ক।"

এই শোধৰ সময় আনুমানিক ১৭৭৪ খৃষ্টাব্দ। তাং কানি খোৱা মানে এই দিনত বোধকৰো জ্ঞান আৰু সুস্থ শৰীৰৰ অভাৱ বুজাইছে— তাং কানি খোৱা মানুহৰ অৱস্থা যেনে হোৱা সম্ভৱ। আৰু বিশেষতঃ তাং কানি খোৱা সাক্ষীৰ জবান বন্দীৰ পৰা যে বিচাৰ কাৰ্য্যত অন্যায় ঘটাতো সম্ভৱপৰ সেই কথা অসমীয়া ৰাইজে সেই সময়ত ভালকৈ বুজিছিল। মনিৰাম দেৱানে গভৰ্ণমেণ্টক দিয়া আবেদনত এইদৰে উল্লেখ আছে। —"দেৱানী আদালতত কানীয়া মানুহৰ জবানবন্দী লোৱাৰে পৰা বিষম অন্যায় ঘটিছে।" এইবোৰ কথাই ওপৰত উল্লেখ কৰা ডাক্তৰ ষ্টিফেন আৰু টি, ডি, কোডাৰ্ড্ৰৰ মতৰ কাৰ্য্যতঃ প্ৰমাণ কৰে।



কানি প্ৰচলন হবৰ দিন ধৰি অসমদেশ ক্ৰমান্বয়ে যাবলৈ ধৰে। আজি অসমৰ প্ৰধান শত্ৰু হৈছে কানি। অসমীয়াই কানি খোৱা নাই, কানিয়ে অসমক খুলি খুলি খাইছে। সৰহভাগ অসমীয়াৰ কানয়েই প্ৰধান আহাৰ হৈছে। তিনিসাজ ভাতকে নোখোৱাকৈ থাকিব পাৰিলেও, কানি এহোপা নোখোৱাকৈ কানীয়া খেতিয়ক এবেলাও থাকিব নোৱৰা হৈছে। কানিৰ লগতে অসমীয়াৰ ধন সম্পত্তি, মান সম্ভ্ৰম সকলো দিনক দিনে ধ্বংস হব লাগিছে। আজি প্ৰায় দুকুৰি বছৰ হল অসমীয়া ভাষাৰ ওজা স্বদেশ প্ৰেমিক স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱা দেৱে লিখিছিল—'কেপা কানি বিহৰ শেষ। কানিয়েই খালে অসম দেশ॥" ধনে-ধান্যে ভৰপূৰ, শৌৰ্য্য-বীৰ্য্য অৰ্থে গৌৰৱে অনুপম অসম আৰু অসমীয়াক আজি কানিয়েই সৰ্ব্বস্বান্ত কৰিছে। যিদিনাই অসমত কানি ৰাক্ষসৰ আবিৰ্ভাব হ'ল সেই দিনাৰ পৰা অসমীয়াৰ আধিক নৈতিক, মানসিক সকলো শক্তি হ্ৰাস পাবলৈ ধৰিলে। "সোণৰ অসম দেশ। কানিয়ে কৰিলে শেষ॥" —বোলা কথা আখৰে আখৰে সঁচা। এই কানিয়ে কি অপকাৰ কৰিছে ১৮৫৩ চনত গোৱাল-পাৰাৰ ছিভিল্ চাৰ্জ্জন্ হৈ থকা মিঃ জনবেৰী নামে এজন ইংৰাজ ডাক্তৰৰ কথাৰ পৰাই বঢ়িয়াকৈ বুজিব পাৰি :— "The cultivation of poppy along with the Government sale of opium is an un-mitigated evil, a grievous curse of the country. It is appalling to see fathers and children of the single family sunk in deprivity and callous in action ; but when a community is thus incubused, a nation indeed is politically, morally and socially benighted etc. etc." — অৰ্থাৎ — "আফুখেতি কৰা আৰু কানি বেচাতো এই দেশৰ মানুহৰ এটা অভিসম্পাত স্বৰূপ। একে পৰিয়ালৰ বাপেক লৰাছোৱালীয়ে একেলগে জুকলা অৱশ হৈ থকা দেখিলে আতঙ্ক উপস্থিত হয়।"

কানি প্ৰচলনৰ পূৰ্ব্বত অসমৰ অৱস্থা কেউপিনে জয় জয় ময় ময় থকাৰ কথা বুৰঞ্জীয়ে প্ৰমাণ দিয়ে। এই ডাক্তৰ জনবেৰীয়েই আন এঠাইত কৈছিল যে এটা জাতিক ধনী সম্পদশালী কৰিব পৰা শক্তি অসমৰ আছিল। কিন্তু আন বহুতো কাৰণৰ লগত কানিয়ে ইয়াৰ প্ৰতিবন্ধক জন্মাইছে। মুনিহ বিলাকে কানি খোৱাৰ বাবে পুৰুষত্বহীন হৈছে। ফলত সন্তান উৎপাদন কৰা শক্তি শিথিল নষ্ট হৈছে। আৰু সন্তান হলে দুৰ্ব্বল স্বাস্থ্যহীন সন্তান জন্ম হয়। অসমত লোকসংখ্যা বৃদ্ধি নোহোৱাৰ ইও এটা কাৰণ।

কানি অহাৰ আগতে অসমত শাসন কৰা আহোম জাতি বীৰ জাতি আছিল। মীৰজুম্‌লাই অসম আক্ৰমণ কৰিবলৈ আহোঁতে তেওঁৰ লগত অহা এজন মুছলমান বুৰঞ্জী লিখকে লিখি থৈ গৈছে,— "একো একো জন আহোম পদাতিক ছিপাহী দহজন মোগল পদাতিক ছিপাহীৰ সমান —।" কিন্তু সেইজাতি আহোমৰ আজি শতকৰা ৫০ জনেই কানীয়া। তাৰ ফলত তেওঁলোকৰ অৱস্থা দিনক দিনে হীন হৈ গৈছে। প্ৰাথমিক শিক্ষা প্ৰচলনৰ হিচাপত তেওঁলোকৰ শতকৰা ( মটা-তিকতা ) ২-৫জনহে পৰে। লোকসংখ্যা হিচাপেও তেওঁলোকৰ অৱস্থা শোকলগা। ১৮৮১ আৰু ১৮৯১ চনৰ লোক গণনাৰ হিচাপত ক্ৰমান্বয়ে ১লাখ ৭৯হেজাৰ আৰু ১লাখ ৫৩হেজাৰ হল। অৰ্থাৎ লোকসংখ্যা বাঢ়ক চাৰি ১০বছৰত ২০হেজাৰ কমিল। এনে অধঃপতনৰ কাৰণ কানিয়েই নহয়নে ?

অসমত কানিৰ প্ৰাদুৰ্ভাৱ সম্বন্ধে যুগমানৱ মহাত্মা-গান্ধীয়ে এইদৰে কৈছে:— "কানিয়েই অসমীয়া জাতিৰ ধ্বংসৰ মূল কাৰণ। কানিৰ বাবে অসমীয়া জাতি

হিচাপে প্ৰতিষ্ঠিত হব পৰা নাই। উত্তম চীন হৈ এলাহত জীৱন কটাইছে মাথোন। অসম দেশৰ ওপৰত প্ৰকৃতিৰ অশেষ কৃপা। এইবাবে অসমীয়াই জীৱিকাৰ বাবে সৰহ পৰিশ্ৰম কৰিব নালাগে। অসমীয়াৰ অভাৱ নিচেই সামান্য, অলপ বস্তুতেই অসমীয়া সন্তুষ্ট। সেই কাৰণে পৰিশ্ৰম কৰিবলৈ উদগনি পাবলৈ একো নাই। এফালে কানিৰ ৰাগীত পোত খাই আছে। সেইবাবে জীৱনটো কৰ্ম্মময় কৰিবলৈ একো স্পৃহা নাই। এইদৰে চলিলে আজি কালি প্ৰতিযোগীতাৰ দিনত অসমীয়া সকলো বিষয়তে পাচ পৰাতো স্বাভাৱিক কথা। সেইবাবেই অসমপ্ৰদেশলৈ দলে দলে বিদেশী আহিবলৈ সুবিধা পাইছে,— আৰু তেওঁলোকে নিজৰ পৰিশ্ৰমৰে অসমীয়াক সকলো বিষয়তে চেৰ পেলাবলৈ ধৰিছে। কানিৰ বাবে অসমীয়া আজি বিদেশীৰ গ্ৰাসত। অসমীয়া জাতিক সজাগ কৰিবলৈ হলে, অসমীয়াক পৰিশ্ৰমী কৰ্ম্মী কৰিবলৈ হলে কানিৰ অভ্যাস একবাৰ লাগিব। ইয়াৰ বাবে এটা প্ৰবল আন্দোলনৰ আৱশ্যক। অসমৰ প্ৰত্যেক মুনিহ আৰু তিৰুতাক ভৱিষ্যতৰ বিপদ সম্পৰ্কে সচেত কৰি এই আন্দোলনত সজ্জবদ্ধ কৰিব লাগিব। নহলে অসমীয়াৰ নিস্তাৰ নাই। কানিয়েই অসমীয়াৰ অস্পৃশ্যতা." মহাত্মা গান্ধীৰ এই কেইযাৰ কথা যে সম্পূৰ্ণ সঁচা তাক নকলেও হব।

বৃটিছ গভৰ্ণমেণ্টৰ দিনৰে পৰা কানিৰ প্ৰচলন কেনেভাৱে বাঢ়িছে তাক এতিয়া চোৱা যাওক। মানৰ আক্ৰমণৰ পিচত ১৮২৬ চনৰ ইন্দাণ্ডাবু সন্ধি-মতে অসমদেশ ইষ্টইণ্ডিয়া কোম্পানীৰ হাতলৈ যায়। বৃটিছৰ আমোলৰ আৰম্ভতে অসমীয়া মানুহে ঠায়ে ঠায়ে আফুখেতি কৰি খাইছিল। যেতিয়া শাসনকৰ্ত্তা সকলে দেখিলে যে আফুখেতি বন্ধ কৰিলে অসমীয়া কানীয়াই কানি খাবলৈ এৰিবও পাৰে তেতিয়া ১৮৬০ চনত অসমত আফুখেতি কৰা বন্ধ কৰি দিলে, আৰু যি আফুখেতি চোৰাংকৈ কৰিব তাক দণ্ড বিহাৰো ব্যৱস্থা কৰিলে। ১৮৩৫ চনত কানিৰ সেৰে মুঠে ৫৲ টকাহে আছিল। আফুখেতি বন্ধ কৰাৰ পাচতো যেতিয়া মানুহে কানি খোৱা এৰা টান দেখিলে তেতিয়া ক্ৰমাম্বয়ে কানিৰ দাম বঢ়াই আনিবলৈ ধৰিলে। প্ৰায় চল্লিশ বছৰৰ পাছত ১৮৭৫ চনত কানিৰ ২২৲ টকালৈকে দাম হ'ল, আৰু ইফালে চৰকাৰী কানিৰ পৰিমাণো বাঢ়ি বাঢ়ি সেই চনত অসমত ১৮৭৪৴ মোণ কানি বিক্ৰি হল। তাৰ ৰাজহ স্বৰূপে চৰকাৰে অকল কানিৰ পৰাই সেই বছৰত ১২,২৫,১৪১৲ টকা পায়। ইয়াৰ ২২ বছৰৰ আগতে গভৰ্ণমেণ্টৰ কানি নীতি সমালোচনা কৰি স্বদেশ প্ৰেমিক স্বৰ্গীয় মনিৰাম দেৱানে ১৮৫৩ চনত চৰকাৰক এইবুলি জনাইছিল :— "By the facilities now offered the lower people have become inveterate opium-eaters and by their allurements have spread the custom Universally."—অৰ্থাৎ "এতিয়া যি সুবিধা দিয়া হৈছে তাৰপৰা তলৰ থাপৰ মানুহবোৰ দোঘোৰ কানীয়া হৈছে আৰু সেই বিলাকৰ কুচুপনিত কানি খোৱা ৰীতিটো সকলোৰে মাজত প্ৰচাৰ হৈছে।" এই মতকে সমৰ্থন কৰি ডাক্তৰ জনবেৰীয়ে কোৱা কথা ওপৰত উনুকিওৱা হৈছে। চৰকাৰে কানিৰ দাম বঢ়াই কানি বন্ধ কৰিবলৈ চেষ্টা কৰিলে। ২২৲ টকাৰ পৰাও কানিৰ দাম বঢ়াই ১৯২০ চনত ১২০৲ টকালৈ আনিছিল। তথাপিও ১৯২০ চনত ১৮৪২৴ মোণ কানি অসমীয়া মানুহে খায়। গতিকে দাম বঢ়াই কানি বন্ধ কৰাতো বালিৰ ভেটা দি নৈৰ সোঁত বন্ধ কৰাৰ নিচিনা হ'ল। এই চেষ্টা যে বিৰম্বনা মাথোন এই কথা ১৮৫৩ চনত দূৰদৰ্শী ৺আনন্দৰাম ঢেকীয়াল ফুকনে চৰকাৰক বুজাই কৈছিল,— 'Whatever the price put upon it, when they ( the obium eaters ) are accustomed to it, they seldom to consider themselvs too poor to purchase it" "কানিৰ দাম যিমানেই বঢ়াওক, কানিত এবাৰ ৰাগী বহিলে অতি দুখীয়া হলেও কানি নিকিনাকৈ সিহঁত কেতিয়াও থাকিব নোৱাৰে।" স্বৰ্গীয় ঢেকীয়াল ফুকনৰ



কথা যিনিৰ যে প্ৰত্যেকটো আখৰেই সঁচা তাৰ প্ৰমাণ আজিৰ অসমীয়া কানীয়া ককাইহঁতৰ স্বভাৱ আৰু আচৰণেই। তেওঁবিলাকৰ পেটত ভাত, গাত কাপোৰ আৰু ৰদে বৰষুণে মূৰটো সুমাবলৈ জগা পজা এডোখৰ নহলেও লৰা-তিৰোতা লঘোনে ভোকে কাপ-কাপ কৰি থাকিলেও, খাজনাৰ লগত মাটি-বাৰী, কঁাহী-বাটী নিলামত গলেও, কানি খাবৰ বেলিকা কানীয়া সকল কেতিয়াও দুখীয়া নহয়। বাৰীৰ শাক-পাচলি কল-কুঁহিয়াৰ আদিৰ পৰা আৰম্ভ কৰি তিৰুতাৰ কাণৰ মণি-কেৰুলৈকে বেচি হলেও কানি খোৱা মহৎকাৰ্য্যটি কৰিছে এৰিব ন ধুৰুপ। এশবছৰৰ আগৰ হৃষ্ট-পুষ্ট বলিষ্ঠ অসমীয়াৰ নাতিপুতিৰ আজি কি অৱস্থা হৈছে তাক দেখিলে শোকে খুন্দামাৰি ধৰে। আজি অসমীয়াৰ নাই ধন বস্তু, নাই মান-গৌৰৱ, নাই স্বাস্থ্যসম্পদ নাই যে নাই একোয়েই নাই। আছে মাথোন কানি খোৱা হেঁতাখন আৰু কানি খোৱা বাটিৰ চোঁকাটো। গৰু-গাই, মাটি-বাৰী, তাম-পিতল যি এটা এডোখৰ আছিল তাকো আজি বিদেশীৰ ঘৰত কানিৰ কাৰণে বন্ধকী হৈ আছে। এশবছৰৰ আগৰ এটা বীৰ জাতি আজি দিনক দিনে ৰসাতললৈ যাব লাগিছে। কৰ্ম্মী অসমীয়া আজি নিষ্কৰ্ম্মী,—এলেহুৱা, কানীয়া। অসমীয়া কমাৰ, কহাৰ, কুমাৰ, শিল্পী, জালোৱা, গালোৱা সকলোবোৰ নিৰ্জ্জীৱ,—কানিৰ মোহত অচেতন! সেইহে যুগাৱতাৰ মহামানৱ মহাত্মা-গান্ধীয়ে ওপৰত উল্লেখকৰি অহা মতে অসমীয়া জাতিক সতৰ্ক কৰি দিছে।

কানি প্ৰচলনৰ ফল অসমত কি হৈছে সেই সম্পৰ্কে আৰু কেইজনমান মনীষীৰ মন্তব্য মিলৰ ৰিপোৰ্টৰ পৰা তলত দিয়া হল। মেজৰভেচে কৈছে,— "জীয়াই থাকিবলৈ অসমীয়াক সৰহ বস্তু নালাগে; যিবোৰ লাগে অতি সাধাৰণ। আৰু সেইবোৰ বস্তু অতি অলপ আয়াসতেই পোৱা যায়। এইবাবেই বেচি পৰিশ্ৰম কৰি ভালদৰে থাকিবলৈ সিহঁতৰ অলপো স্পৃহা নাই। অসমীয়া জাতি যাতে পৰিশ্ৰমী হয়, তাৰবাবে উদগনি দিবলৈ কি কৰিব পাৰি সেইটো বিবেচনাৰ বিষয় হৈছে। * * অতিপাতকৈ সৰ্ব্বসাধাৰণে কানি ব্যৱহাৰ কৰাতো অসমীয়াৰ ঘাই দোষ।"

লেফ্টেনাণ্ট কৰ্ণেল মেথিয়েও প্ৰায় এইদৰে কৈছে,— "কানিৰ প্ৰচলনৰ বাবে অসমীয়া জাতিৰ বিশেষ অপকাৰ হৈছে, বিশেষকৈ দুখীয়া শ্ৰেণীৰ লোকৰ মাজত। * দুখীয়া শ্ৰেণীৰ লোকসকলে কানি খোৱাৰ বাবে শুকাই ক্ষীণাই হাৰ-ছালত ৰৈছেগৈ!"

স্বদেশপ্ৰাণ ৺আনন্দৰাম ঢেকীয়ালফুকনে অসমীয়া জাতিৰ মাজত যে কানিয়ে সৰ্ব্বনাশ কৰিছে তাক ভালকৈ বুজিছিল; আৰু তেওঁ এই ৰবিহ দেশৰপৰা গুচাবৰ কাৰণে অশেষ চেষ্টাও কৰিছিল। তেওঁ লিখিছে "যি অসমীয়া জাতি পৰিশ্ৰমী আৰু সাহসী জাতি আছিল, কানি খোৱাৰ ফলত আজি সেই অসমীয়া জাতি ভীৰু, পুৰুষত্বহীন, দুৰ্ব্বল, এলেহুৱা জাতিত পৰিণত হৈছে। গোটেই জাতিৰ শৰীৰ আৰু স্বাস্থ্য তেনেই নষ্ট হৈছে।"

শিৱসাগৰ জিলাৰ ছিভিল চাৰ্জ্জন ডাক্তৰ ডব্লিউ বি লণ্ডে নিজৰ অভিজ্ঞতাৰ পৰা অসমীয়াৰ মাজত কানিয়ে কি কৰিছে তাক এইদৰে কৈছিল — "মোৰ বিশ্বাস শিৱসাগৰ জিলাৰ শতকৰা ৭০জন লোকেই কানীয়া। ইয়াত দিনে তিনি তোলাতকৈ সৰহ কানি খোৱা লোক আছে।"

কানি খোৱাৰ অভ্যাসৰ ফলত মানুহ অমনোযোগী হয়। কোনো কামলৈ ধাউতি নোহোৱা হয়। পাকস্থলি দুৰ্ব্বল হোৱাত শৌচ কচা হয়। শৰীৰ দুৰ্ব্বল হয়। হাওফাঁও দুৰ্ব্বল হোৱাত শ্লেষ্মাৰ বিকাৰ হয়। * *

এই দৰে গৈ শেহত উদৰী, শোথ প্ৰভৃতি বেমাৰে দেখা দি দুখময় জীৱনৰ অন্ত পেলায়। এনেকুৱা এটা জাতিৰ সন্তি-সন্তান দুৰ্ব্বল আৰু বেমাৰী হোৱাতো স্বাভাৱিক কথা।"

এইবোৰ মন্তব্যৰ পৰাই ভালকৈ বুজিব পাৰি যে কানিয়ে অসমীয়া জাতিক কেনে ভাৱে প্ৰাণহীন পঙ্গু কৰি তুলিছে। ১৮৯৪ চনত জিলাই প্ৰতি কিমান

কানীয়া আছিল, তাক তলত কেইখনমান জিলাৰ পৰা দেখুৱা হ'ল। এই হিচাবৰ পৰা দেখা যাব সেই সময়ত কিমান অসমীয়া মানুহে কানি খাইছিল।

১৮৭৪ চনৰ হিচাপ

| জিলা | মুঠ লোক সংখ্যা | শতকৰা |
|---|---|---|
| কামৰূপ | ৬ লাখ ৩৪ হেজাৰ | ৫৩ জন কানীয়া |
| দৰং | ৩ লাখ | ৪৬ " |
| নগাঁও | ৩ লাখ ৪৪ হেজাৰ | ৭৬ " |
| শিৱসাগৰ | ৪ লাখ ৫৭ হেজাৰ | ৬৩ " |
| লক্ষীমপুৰ | ২ লাখ ৫৪ হেজাৰ | ৪৭ " |

অসমীয়া মানুহৰ মাজত এনেকৈ দ্ৰুত গতিৰে কানীয়াৰ সংখ্যা বঢ়াত স্বভাৱতে দেশত এটা আতঙ্কৰ সৃষ্টি হৈছিল; লগে লগে দেশৰ হিতাকাঙ্ক্ষী সকলে কানি নিবাৰণৰ আৱশ্যকতা উপলব্ধি কৰিবলৈ ধৰিলে।

শেহত যেতিয়া ১৯২১ চনত ভাৰত জুৰি অসহযোগ আন্দোলন চলিবলৈ ধৰিলে তেতিয়া অসমতো সেই আন্দোলন আৰম্ভ হ'ল। এনে সময়তে মহাত্মা গান্ধী অসমলৈ আহে। তেওঁৰ উদগনি আৰু অনুপ্ৰেৰণাত কংগ্ৰেছ কৰ্ম্মী সকলে দেশৰ পৰা কানি নিবাৰণৰ চেষ্টা কৰিবলৈ ধৰিলে। তাৰ ফলত ১৯২৪-২৫ চনত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীয়ে শ্ৰীযুত কুলধৰ চলিহা দেৱক সভাপতি আৰু প্ৰাতঃস্মৰণীয় ৺ৰোহিনীকান্ত হাতীবৰুৱাক সম্পাদক পাতি এটা কানি তদন্ত কমিটী গঠন কৰি দিছিল। এই কমিটীয়ে ঠায়ে ঠায়ে ঘূৰি প্ৰায় ৫০০ জন মানুহৰ সাক্ষী লৈছিল। প্ৰায় সকলোৱে এক বাক্যে কানি আসামৰ পৰা উঠিব লগা প্ৰস্তাৱত মত দিয়ে। এই কামত মহামতি এন্দ্ৰুজ চাহাবে এই কমিটীক যথেষ্ট সহায় কৰিছিল। কংগ্ৰেছ কমিটীৰ এই ৰিপোৰ্টৰ যুক্তি আৰু প্ৰমাণ কাটিব কেৱে নোৱাৰিছিল। এই ৰিপোৰ্ট পৃথিৱীৰ সকলো ঠাইলৈকে পঠোৱা হৈছিল আৰু সেইবোৰ ঠাইত ই গৃহীত হৈছিল।

তাৰ পাচতে কংগ্ৰেছকৰ্ম্মী সকলে কাউন্সিলত চৰকাৰক কানি নিবাৰণৰ এটা পদ্ধতি লবলৈ বাধ্য কৰে। এই পদ্ধতি মতে বছৰি দহ ভাগৰ এভাগকৈ যোজ কমাই আনি দহ বছৰৰ ভিতৰত কানি উঠাই দিয়াৰ কথা আছিল। কিন্তু দহ ভাগৰ এভাগ আগোন গভৰ্ণমেণ্টে এবাৰ কমালে। তাৰ পাচত কমাবলৈ এৰি দিলে। এই নিয়মক ৰেজিষ্টৰী নিয়ম বুলিছিল। ১৯২৬ চনত এই নিয়ম গ্ৰহণ কৰা হৈছিল। এই ৰেজিষ্টৰী নিয়মৰ পৰাও কানিৰ প্ৰভাৱ অলপ কমিছিল। কিয়নো যেৱা ১৯৩১-৩২ চনৰ আবকাৰী বিভাগৰ ৰিপোৰ্ট মতে তলত দিয়া অনুসাৰে অসমৰ জিলা বিলাকত কানি কমিছিল বুলি জনা যায়।

| জিলা | কমা কানি ( শতকৰা ) |
|---|---|
| নগাঁও | ১৯.৮ |
| কামৰূপ | ২২.৮ |
| দৰং | ১৭.৪ |
| গুৱালপাৰা | ১৬.২ |
| শিৱসাগৰ | ১৫.৩ |
| শ্ৰীহট্ট | ১৫.১ |
| লক্ষীমপুৰ | ১৪.৮ |
| নগাপাহাৰ | ১৪.১ |
| জয়ন্তিয়া | ১২.৭ |
| কাছাৰ | ১০.৭ |
| বালিপাৰা | ৯.০৯ |
| সদিয়া | ৮.৮ |

কিন্তু এইখিনি কানি কমাৰ পৰা লাভ একো নহল। কিয়নো তেতিয়াও কানিৰ দাম বঢ়ায়ে থকা হল। তাৰ উপৰি গভৰ্নমেণ্টৰ অলেখ কৰ্ম্মচাৰীৰ চকুত ধূলি দি কানীয়াই চোৰাং কানি কিনি খাবলৈ ধৰিলে। গভৰ্নমেণ্টে চোৰাং কানি বন্ধ কৰাৰ চেষ্টা কৰিলেও অসমৰ পৰা কানি একেবাৰে উঠাই দিবলৈ বিশেষ মন নকৰিলে। ইফালে ৰাইজৰ ফালৰ পৰা কংগ্ৰেছ আৰু অন্যান্য অনুষ্ঠানে কানি যাতে গভৰ্ণমেণ্টে একেবাৰে উঠাই দিয়ে তাৰ বাবে আন্দোলন কৰি আছে। ইয়াৰ ফলত যোৱা ১৯৩৩ চনত কানি সম্পৰ্কে বিচাৰ কৰিবলৈ ৭জন সদস্যৰে এটা কমিটী গঠন কৰি দিয়ে। এই কমিটীৰ সভাপতি আছিল ৰেভাৰেণ্ড্ জে, এম,



নিকলছৰায়। বহুত সাক্ষী-বাদী লৈ এই কমিটীয়ে এটা ৰিপোৰ্ট দাখিল কৰিছে।

অসমৰ মানুহৰ বিশ্বাস যে কানি একেবাৰে উঠাই দিবলৈ চেষ্টা কৰাতো মিছা। কিন্তু এই কথাৰ একো অৰ্থ নাই। কিয়নো চীন দেশৰ মানুহ এসময়ত দোপাত কানীয়া বুলি জগতত বিখ্যাত আছিল। সেই দোৰ্ঘোৰ কানীয়াৰ দেশৰ পৰাও ১৯০৭ চনৰ পৰা আৰম্ভ কৰি ১৯১৭ চনলৈকে এই ১০ দহ বছৰৰ ভিতৰত কানি প্ৰায় নিৰ্মূল হল। আমেৰিকাই দহ বছৰৰ ভিতৰত ফিলিপাইন দ্বীপৰ পৰা আফিং সম্পূৰ্ণে উঠাই দিলে। এই বিলাক দেশৰ মানুহ দোৰ্ঘোৰ কানীয়া হৈও যে একেবাৰে কানি এৰিব পৰা হ'ল আমাৰ দেশৰ মানুহেনো কিয় নোৱাৰিব? ইয়াৰ কাৰণে বস্তু আৰু ৰাইজ উভয়ৰে দৃঢ় সংকল্প আৰু যুগুত ব্যৱস্থা হলেই হ'ল। চীন দেশত প্ৰথমতে কানি গুচাবলৈ যেতিয়া স্থিৰ কৰিলে, এনেকুৱা আইন প্ৰবৰ্ত্তন কৰিলে যে নতুনকৈ কোনোবাই কানি খাবলৈ ধৰিলে আইনমতে দণ্ডনীয় হ'ব, আৰু পুৰণি কানীয়া বোৰক কিছুদিন আস্পতালত ৰাখি ঔষধ খুৱাই লাহে লাহে কানি এৰুৱাবলৈ দিহা কৰা হ'ল। এইদৰে কানীয়া চীনা সকল স্বদেশোদ্ধাৰ ব্ৰতত ব্ৰতী হৈ অলপ দিনৰ ভিতৰতে সভ্য জগতত এটা দেখত লব লগা আৰু প্ৰতাপী জাতি হলগৈ।

কিন্তু আমাৰ দেশত তেনে ধৰণৰ চেষ্টা এতিয়াও হোৱা নাই। আৰু আচৰিত কথা এইটোৱে যে বিলাতত পুথি প্ৰকাশ কৰি আৰু অইন উপায়েৰে আমাৰ কৰ্তৃপক্ষই কানিৰ গুণ কীৰ্ত্তনহে কৰিছে। বিলাতত থকা India office ৰ পৰা The truth about Indian opium বোলা সৰু কিতাপ এখন প্ৰকাশ কৰি কোৱা হৈছে যে কানিয়ে মানুহৰ সকলো প্ৰকাৰৰ বেমাৰ গুচাব পাৰে। কিন্তু বিলাতত হলে কানি মাত্ৰ দৰবৰ কাৰণে নাম মাত্ৰ ব্যৱহাৰ কৰিব পাৰে; তাৰ বাহিৰে ব্যৱহাৰ কৰাতো আইনমতে দণ্ডনীয়। London Times বোলা বিলাতৰ এখন ৰক্ষনশীল দলৰ কাকতেও ১৯২৩ চনৰ এপ্ৰিল সংখ্যাৰ কাকতত লিখিছিল— "মাদক দ্ৰব্যই যে মানুহৰ শাৰীৰিক আৰু মানসিক শক্তিৰ ভীষণ অনিষ্ট কৰে সেই বিষয়ে পাশ্চাত্য সভ্যতাৰ পোহৰ পোৱা সকলো দেশতে এক মত নহৈ দুটা মত কেতিয়াও হব নোৱাৰে। সকলো মাদক দ্ৰব্যৰ ভিতৰত কানিয়েই আটাইতকৈ মাৰাত্মক।" —এনেকুৱা মত অসমৰ আৰু ভাৰতৰ নেত্ৰী স্থানীয় লোক সকলে আৰু জন সমাজৰ মঙ্গলকামী সকলে সভাই সমিতিয়ে, কাকতে পত্ৰে, অইন কি ব্যৱস্থাপক সভা আদিতো বহুতবাৰ কৈ আহিছে।

ব্যৱসায় হিচাবে মাদক দ্ৰব্য বেচাতো চৰকাৰৰ একচেটীয়া ব্যৱসায়। অইন মানুহে ইয়াক কেতিয়াও প্ৰকাশ্যে বিনা পট্টাই বেচিব নোৱাৰে; বেচিলে আইনমতে দণ্ডনীয় হব। মাদকদ্ৰব্য বেচাতো ভাৰত গৱৰ্ণমেণ্টৰ ৰাজহৰ এটা ডাঙৰ আয়ৰ বাট। ১৮৭৪ চনৰ এপ্ৰিল মাহৰ পৰা ১৮৭৫চনৰ মাৰ্চ্চমাহলৈকে এই বছৰৰ ভিতৰত অকল মাদক দ্ৰব্যৰ পৰাই ভাৰত গভৰ্ণমেণ্টৰ ২৩,৪১৫,০০০্ টকা আয় হয়। অসম গভৰ্ণমেণ্টৰ বছেৰেকত মাটিৰ ৰাজহ যিমান হয়, ভাৰত গভৰ্ণমেণ্টৰ মাদকদ্ৰব্যৰ পৰাই তেতিয়া সিমান আয় হৈছিল। অসমত কানিৰ বিষম অপকাৰিতাৰ বিষয়ে কেইবাজনো মনস্বী পুৰুষে কোৱা কথা ওপৰত উল্লেখ কৰি অহা হৈছে। তথাপিও যে গভৰ্ণমেণ্টে মাদকদ্ৰব্য উঠাই দিয়াৰ বিশেষ চেষ্টা কৰা নাই এইটোৱে দুখৰ বিষয়। ১৯২০-২১চনৰ ভিতৰত মাদকদ্ৰব্যৰ ৰাজহ ২০১,৪২০,০০০্ টকা গভৰ্ণমেণ্ট পাইছিল।

আজিলৈকে অসমত কানিৰ প্ৰবল চলতি হৈ থকাৰ ফলত যি অনিষ্ট ঘটিছে এই বিষয়ে ছি, এফ, এন্দ্ৰুজে ১৯২৭চনৰ জুন মাহৰ 'মডাৰ্ণ ৰিভিউ' কাকতত লিখিছিল "অসম গভৰ্ণমেণ্টে কানি ব্যৱহাৰ কৰিবলৈ দিয়াত অসমীয়াৰ নিচিনা ভাৰতৰ এটা মহৎ জাতিৰ মহা অনিষ্ট ঘটিছে।" গান্ধীয়ে গভৰ্ণমেণ্টৰ কানি নীতি সম্পৰ্কে কৈছিল— "বৃটিছ শাসন কৰ্ত্তা সকল অহাৰ আগেয়ে কোনো গভৰ্ণমেণ্টে কানিৰ পৰা ৰাজহৰ বাট উলিওৱা নাছিল।"

বৰ্ত্তমান চাহৰ দোকানৰ দৰে অসমৰ চাৰিউফালে গাঁৱে ভুঞে, পৰ্ব্বতে-পাহাৰে কানিৰ দোকান হোৱাত অসমীয়া কানীয়া প্ৰজা সকলৰ বিশেষ সুবিধা হৈছে। প্ৰথম বাৰৰ অসহযোগ আন্দোলনৰ সময়ত অসমত বহুত কানি কমিছিল। কংগ্ৰেছ কৰ্ম্মীসকলৰ যত্নত ১৯২৩ চনত প্ৰায় ১০০০/মোন কানি কম হয়। পিকেটিং কৰাৰ ফলত সেই সময়ত ১১০০ ৰ বেচি অসমীয়া ডেকা জেলত পৰিব লগা হৈছিল।

কানি নিবাৰণৰ চেষ্টাত কৰ্ম্মীসকলৰ এই ত্যাগ বাস্তৱতে প্ৰশংসনীয় হৈছিল। কাৰণ ১৯২০ চনৰ এপ্ৰিল মাহৰ পৰা ১৯২১ চনৰ মাৰ্চ্চ মাহলৈকে অসমত ৩০৬ খন কানিৰ দোকান আছিল। আৰু সেই দোকান বোৰত সেই বছৰ ১৬১৪/৮৫ সেৰ কানি বিক্ৰি হয়। চৰকাৰে কেৱল কানি বেচিয়েই ৪৪,১২,৩০৮৲ টকা ৰাজহ পায়। সেই বছৰত অসমত লোকসংখ্যা আছিল ৭,৬০৬,২৩০ জন। গতিকে গড় হিচাপে গাইপতি কানিৰ ৰাজহ দিব লাগিছিল ৷১১ পাইকৈ। কিন্তু অসহযোগ আন্দোলনৰ ফলত ১৯২৩-২৪ চনত মুঠেই ৮৮০॥ সেৰ কানি বিক্ৰি হয়।

যোৱা ১৯২৮-২৯ আৰু ১৯২৯-৩০ চনত অসমৰ জিলা বিলাকত বিক্ৰি হোৱা কানিৰ নিৰিখ আৰু 'পাছ'ৰ সংখ্যা দিয়া হ'ল। এই হিচাপ অসম কাউন্সিলত শ্ৰীযুত নীলাম্বৰ দত্তৰ প্ৰশ্নৰ উত্তৰত আব্দুল হামিদ চাহাবে দিছিল। এই হিচাপৰ পৰা ১৯২৮ আৰু ২৯ চনৰ ভিতৰত কমা কানি আৰু পাছৰ সংখ্যা ওপোৰাৰ উপৰিও সেই চনলৈকে অসমত কানিৰ প্ৰভাৱৰ সম্বন্ধে বুজ পোৱা হব।

| জিলা | ১৯২৮-২৯ কানিৰ নিৰিখ | ১৯২৮-২৯ পাছৰ সংখ্যা | ১৯২৯-৩০ কানিৰ নিৰিখ | ১৯২৯-৩০ পাছৰ সংখ্যা |
|---|---|---|---|---|
| কাছাৰ | ৫১৯ সেৰ | ২০৮৪ খন | ৫১৫ সেৰ | ২৫৮৩ খন |
| শ্ৰীহট্ট | ৯২ ,, | ৬৩৫ ,, | ৮৬ ,, | ৫৫০ ,, |
| খাচিয়াজয়ন্তিয়া | ৬৮২ ,, | ২২৯৩ ,, | ৬৬৪ ,, | ২১৪০ ,, |
| নগাপাহাৰ | ২৮১ ,, | ৬০৭ ,, | ২৬৬ ,, | ৭০০ ,, |
| গোৱালপাৰা | ৫৮ ,, | ২৩০ ,, | ৫৩ ,, | ২৫৯ ,, |
| কামৰূপ | ১৮০৬ ,, | ৫৫১৮ ,, | ১৬৮৭ ,, | ৫৩০৮ ,, |
| দৰং | ২৪৩০ ,, | ৯৮২৩ ,, | ২২২৬ ,, | ৯৫৫৫ ,, |
| নগাঁও | ৪০৫৬ ,, | ১৩৬৯৭ ,, | ৩৮৫১ ,, | ১৩৬২৪ ,, |
| শিৱসাগৰ | ৬৬৫২ ,, | ১৯৮৫৮ ,, | ৬৩০৮ ,, | ২০২৮৭ ,, |
| লক্ষীমপুৰ | ৭৬৯৯ ,, | ২৭৭৪২ ,, | ৭২২৯ ,, | ২৪৯৫৭ ,, |
| শদিয়া | ৬৬৮ ,, | ২০২৯ ,, | ৬৪৫ ,, | ১৯০৭ ,, |
| বালিপাৰা | ৩৭ ,, | ৯৮ ,, | ২৮ ,, | ৭৯ ,, |
| | ২৪৯৮০ সেৰ | ৮৪৯১৪ খন | ২৩৫৫৮ সেৰ | ৮২০৭৯ খন |



ওপৰত দেখুৱা হিছাপমতে কানি অলপ কমা যেন দেখিলেও গভৰ্ণমেণ্টে কানিৰ ৰাজহ কম পোৱা নাই। তাৰ কাৰণ আগতে উল্লেখ কৰা হৈছে।

১৯২১ চনৰ বহু পূৰ্ব্বতে ৺ ৰায়বাহাদুৰ ফণিধৰ চলিহা ডাঙৰীয়াই অসম কাউন্সিলত চৰকাৰৰ কানি নীতি সমালোচনা কৰি কানিৰ ব্যৱসায়টো নীতি-বিৰুদ্ধ ব্যৱসায় ( Immoral traffic ) বুলি কওঁতে তেতিয়াৰ চীফ্ কমিছনাৰ চাৰ বিটছন বেল বাহাদুৰে খঙত জ্বলি-পকি উঠি অগ্নিশৰ্ম্মা হৈ তেখেতক ভালেমান কটুকথা কৈছিল।

ইয়াৰ প্ৰতিবাদ কৰি ৺চলিহা ডাঙৰীয়াই ব্যৱস্থাপক সভাৰ সভ্য পদ ইস্তফা দিয়াৰ কথা লৈ সেই সময়ত বিলাত পৰ্য্যন্ত তোলপাৰ লগা কথা সকলোৱে জানে। ৰেভাৰেণ্ড জে, এম, নিকলছ্ ৰায়ে মন্ত্ৰীৰ বাব নৌ লওঁতে কাউন্সিলৰ সদস্য ৰূপে ১৯২১ চনৰ কাউন্সিলৰ অধিবেশনত কানিৰ প্ৰচলন কমোৱাৰ বিষয়ে এটি লাগতিয়াল প্ৰস্তাৱ দিয়ে। কিন্তু তাৰ পৰা একো নহল। ১৯৩৫ চনলৈকে গভৰ্ণমেণ্টে নতুন নতুন অনেক দোকান খুলি কানিৰ ব্যৱসায় বঢ়াইহে আছে।

কিছুমান স্বাৰ্থপৰ মানুহে কানিৰ ব্যৱসায় বঢ়োৱাত গভৰ্ণমেণ্টক যথেষ্ট সহায় কৰা দেখা যায়। কিয়নো এইবোৰ দোকানৰ পৰা তেওঁলোকৰ আয়ৰ যথেষ্ট সম্ভাৱনা আছে। কানীয়া বিলাকক কানিৰ লোভ দেখুৱাই ঠগাঁবলৈ বৰ সহজ। এই নীতি লৈ দুখীয়া ছালচিগা কানীয়া বোৰক কানিৰ মহলদাৰ বোৰে প্ৰায়ে ঠগে। গভৰ্ণমেণ্টৰ কৰ্ম্মচাৰী বোৰক ফাকি দি অনেক মহলদাৰে এনেদৰে কানীয়া বোৰৰ পৰা কানি চুৰ কৰি বেচি লাভবান হয়। কানীয়া বোৰৰ বুকুৰ তেজেৰে যে এই মানুহবোৰৰ ধন উপাৰ্জ্জিত হৈছে তালৈ ভাবি চাবৰ অৱসৰ তেওঁলোকৰ একেবাৰে নাই। কেৱল একালৰ পৰাই নহয় নানা ফালৰ পৰা কানীয়া বোৰক উৎপীড়িত কৰা হয়। অথচ কানীয়া বিলাকৰ লাজ নাই। কিয়? বুজা বৰ টান।

অসমীয়া জাতিৰ বৰ্ত্তমান যি দুৰ্দ্দশা দেখা গৈছে ইয়াৰ মূলতে যে কানি এই কথা একাধিকবাৰ ওপৰত দেখুৱাই অহা হৈছে। অসমৰ পৰা সৰ্ব্বনশীয়া কানি একেবাৰে উঠি নগলে অসমীয়া জাতি তিষ্ঠাৰ একো আশা নাই। কানিৰ ৰাগীত মজি থাকিলে অসমীয়া অসমতে বিদেশী হব লাগিব। এই কথা যোৱা চেন্সাচ্ ৰিপোৰ্টেই কৈ দিছে। এতিয়াও ১৯৩৪ চনৰ হিছাপত ১৯৬/ মোন কানি অসমত বিক্ৰি হৈছে। প্ৰায় ৩৯০০০০ কানীয়া অসমত বাস কৰি আছে। এতিয়াও কানিৰ বিৰুদ্ধে যুদ্ধৰ অন্ত হোৱা নাই। ইয়াক নিবাৰণ কৰা প্ৰত্যেক অসমীয়াৰে কৰ্ত্তব্য আৰু ধৰ্ম্ম।

শ্ৰীদীননাথ শৰ্ম্মা।

## পৰীক্ষকৰ মত।

৺ মোহিনীকান্ত হাতীবৰুৱাৰ নামে তেওঁৰ বিধবা ভাৰ্য্যা শ্ৰীমতী শান্তিপ্ৰভা হাতীবৰুৱানীয়ে আগ কৰা পদক প্ৰাপ্তিৰ অৰ্থে প্ৰতিযোগিতালৈ পঠিওৱা "কানিৰ অপকাৰিতা" বিষয়ক ৪ চাৰিখন ৰচনাৰ ভিতৰত এইখনে ( শ্ৰীদীননাথ শৰ্ম্মা ৰচিত ) প্ৰথম ঠাই পাইছে। ৰচনাখন গবেষণাপূৰ্ণ তথ্যমূলক আৰু উপভোগ্য হৈছে। মোৰ বিবেচনাত সেই পদক প্ৰাপ্তি লৈ এই ৰচনা লেখকেই সুযোগ্য প্ৰতিযোগী আৰু সুপাত্ৰ।

শ্ৰীপদ্মনাথ গোহাঞিবৰুৱা,
পৰীক্ষক।

---

•অতি সন্তোষৰ কথা যে যোৱা বছৰ কংগ্ৰেছ মন্ত্ৰীসভাই ডিব্ৰুগৰ আৰু শিৱসাগৰ মহকুমাত কানি বন্ধ কৰিলে আৰু এই বছৰ যুক্ত মন্ত্ৰী সভাই অসমৰ কেউখন জিলাতে কানিৰ দোকান বন্ধ কৰি অসমৰ পৰা কানি উঠাবলৈ যত্নপৰ হৈছে।

সম্পাদক।

# ষড়দৰ্শন।

দৰ্শন শাস্ত্ৰ ত্ৰিকালজ্ঞ ঋষি সকলৰ অপূৰ্ব্বদান। দৰ্শন বেদানুমোদিত আৰু জ্ঞান বিজ্ঞানৰ ভৰাল, বিশেষতঃ অধ্যাত্ম জগতৰ এটি উজ্জ্বল চাকী। "দৰ্শনং দৰ্শনং প্ৰোক্ত" দৰ্শন শাস্ত্ৰ এখন দাপোণৰ নিচিনা। এগৰাকী দাৰ্শনিকৰ এই বাক্যটি অতি গূঢ়াৰ্থ বোধক।

ভাৰতবৰ্ষখন সৎ কৰ্ম্মৰ আদৰ্শ আৰু পুণ্যভূমি। ইয়াতেই আৰ্য্য ঋষিসকলে পুৰাণ ইতিহাস দৰ্শনাদি শাস্ত্ৰৰ-জ্ঞান বিজ্ঞানৰ আলোচনা কৰি থৈ গৈছে। তেওঁলোকে ভোগ আৰু বিলাসিতাৰ মূৰত পদাঘাত কৰি "কৰ্ম্মন্যে বাধিকাৰস্তে মা ফলেষু কদাচন" গীতাৰ এই বচন অনুসৰি আসক্তি ৰহিত কৰ্ম্মৰ অনুষ্ঠানকেই মুক্তি মন্দিৰত সোমোৱাৰ প্ৰধান পথ বুলি সিদ্ধান্ত কৰি গৈছে। "ঋষয়ঃ সত্য বচনঃ" ঋষি সকল আছিল সত্যবাদী আৰু দিব্যদৰ্শী। তেওঁলোকে যোগ বলৰ দ্বাৰা নিজৰ হৃদয়খন পোনতে শুদ্ধ কৰি দাপোনৰ দৰে ফট্‌ফটীয়া কৰি লয়। পিচত সেই হৃদয় দাপোনত জগতৰ পদাৰ্থবোৰ নিজে চাই চিতি লৈ পিচত মানুহৰ হিতৰ বাবে গ্ৰন্থাকাৰে প্ৰচাৰ কৰে। তেওঁলোকৰ সন্তি-সন্ততি সকলেও আজি পৈতৃক সেই আধ্যাত্মিক জ্ঞান-বিজ্ঞানৰ চৰ্চ্চা কৰিহে সভ্যতাৰ উচ্চস্থান অধিকাৰ কৰিব পাৰিছে।

আজি সভ্য জগতত ওলোৱা বৈজ্ঞানিক তথ্যবোৰো তেওঁলোকৰ জ্ঞান বিজ্ঞানৰ বিকাশ মাত্ৰ।

"গৌতমস্য কনাদস্য কপিলস্য পতঞ্জলেঃ
ব্যাসস্য জৈমিনেশ্চাপি দৰ্শনানি ষড়েৱহি"॥

ভাৰতবৰ্ষত মূল দৰ্শন শাস্ত্ৰ ৬ জন ঋষি প্ৰণীত ৬ খন যেনে গৌতমৰ ন্যায় দৰ্শন (তৰ্কশাস্ত্ৰ), কনাদৰ বৈশেষিক, কপিলৰ সাংখ্য, পতঞ্জলিৰ যোগ, ব্যাসৰ বেদান্ত (উত্তৰ মীমাংসা), জৈমিনিৰ মীমাংসা (পূৰ্ব্ব মীমাংসা)। এওঁলোকৰ শিষ্য প্ৰশিষ্যই লিখা আৰো বহুত দৰ্শন শাস্ত্ৰ আছে। সেইবোৰ গ্ৰন্থ এই ৬ খনৰ অন্তৰ্গত বুলি দাৰ্শনিক সকলে কয়। ইয়াৰ বাহিৰেও বৌদ্ধ দৰ্শন, বৈষ্ণৱ বা পূৰ্ণপ্ৰজ্ঞ দৰ্শন, পাশুপত বা শৈৱ দৰ্শন, চাৰ্ব্বাক দৰ্শন আদি বহুত দৰ্শন শাস্ত্ৰ আছে।

প্ৰতীচ্য দৰ্শনো বহুত, কিন্তু তাৰ ভাব ধাৰা প্ৰাচ্য দৰ্শনতকৈ বেলেগ। প্ৰতীচ্য দৰ্শনত জীৱ, জগৎ, ঈশ্বৰ, পৰলোক আদিৰ আলোচনা প্ৰাচ্য দৰ্শনৰ দৰে সহজ নহয়। বিশেষতঃ প্ৰতীচ্য দৰ্শনে সংশয়ৰ মাজেদি আৰু প্ৰাচ্য দৰ্শনে সত্যৰ মাজেদি তত্বৰ অনুসন্ধান কৰে। প্ৰতীচ্য দৰ্শনত এই জগতত চকুৰে দেখা পদাৰ্থ বোৰৰ আলোচনাই বেছি।

মীমাংসকৰ মতে কাৰ্য্যৰ পৰা; বৈশেষিকৰ মতে কালৰ পৰা; ন্যায় মতে পৰমাণুৰ পৰা; যোগমতে পুৰুষাৰ্থৰ পৰা; সাংখ্য মতে প্ৰকৃতিৰ পৰা; আৰু বেদান্ত মতে ব্ৰহ্মৰ পৰা; সৃষ্টিৰ উৎপত্তি। প্ৰাচ্য-দৰ্শনৰ এই ঠাইত পোনতে পৰস্পৰৰ বিৰোধ ভাবটি ফুটি উঠিলেও আচলতে কোনো বিৰোধ নাই। যিদৰে এটি ঘট তৈয়াৰ কৰিব লগা হলে কৰ্ম্ম, সময়, মাটিৰ বিচাৰ, সংযোগ আৰু বিযোগাদিৰ পুৰুষাৰ্থ, প্ৰকৃতিৰ গুণ আৰু কুমাৰ কাৰণ হয়; সৃষ্টি বিষয়তো মীমাংসাত কৰ্ম্ম-কাৰণৰ ব্যাখ্যা, বৈশেষিকত সময় কাৰণৰ ব্যাখ্যা, ন্যায়ত, উপাদান কাৰণৰ ব্যাখ্যা, যোগত পুৰুষাৰ্থৰ ব্যাখ্যা, সাংখ্যত ক্ৰমানুসাৰে তত্ব গণনাৰ ব্যাখ্যা আৰু বেদান্তত নিমিত্ত কাৰণ ঈশ্বৰৰ ব্যাখ্যা। বৈদ্য শাস্ত্ৰত যেনেকৈ নিদান, চিকিৎসা, ঔষধদান আৰু পথ্য প্ৰকৰণ বেলেগে বেলেগে কল্পিত আছে কিন্তু ৰোগ নিবৃত্তিয়েই হৈছে সকলোটিৰে সিদ্ধি; সেইদৰে সৃষ্টি বিষয়তো ছয়টি কাৰণ আছে, তাৰে এজন এজন শাস্ত্ৰকাৰে এটি এটি কাৰণৰ ব্যাখ্যা কৰিছে।

বেদান্ত অতি উচ্চস্তৰৰ গ্ৰন্থ, ইয়াত জীৱ সৃষ্টিৰ কথা নাই, আছে সমষ্টিৰ বিচাৰ। বেদান্ত মতে পুৰুষ এজন; তেওঁৰ প্ৰকৃতি বহু। ব্ৰহ্মাণ্ড এখন নহয় অনন্ত কোটি। এখন এখন ব্ৰহ্মাণ্ডক এটা এটা প্ৰকৃতিয়ে ঢাকি বাখিছে আৰো অনন্ত কোটি ব্ৰহ্মাণ্ডক



এক মহা প্ৰকৃতিয়ে ঢাকি ৰাখিছে, সকলোৰে ওপৰত হৈছে স্ৰষ্টা পুৰুষ। সাংখ্যৰ বিচাৰ হৈছে এখন ব্ৰহ্মাণ্ডক লৈ, গতিকে সাংখ্যৰ প্ৰকৃতি এজনা আৰু পুৰুষ বহু। পুৰাণ বিলাকে জীৱ সৃষ্টিৰ বিচাৰ বহলকৈ কৰিছে বিশেষকৈ ভাগৱতত সৃষ্টিৰ বৰ্ণনা, ব্ৰহ্মাণ্ড কটাহ, লোকালোক, এইবোৰৰ দীঘলীয়া আলোচনা আছে।

প্ৰাচ্য দৰ্শনে পৰলোকৰ অস্তিত্ব স্বীকাৰ কৰে। এখন দৰ্শনে ঈশ্বৰক পোনতে স্বীকাৰ নকৰিও আস্তিক দৰ্শন বুলি খ্যাত হৈছে। পৰলোক নাই এই কথা যি জনে কয়, তেওঁ হে নাস্তিক। পৰলোক বুলি এডোখৰ ঠাই আছে, মৰাৰ পিচত তালৈ যাব লাগে আৰো তাত গৈ নিজে কৰা কৰ্ম্মানুসাৰে ফল ভোগ কৰিব লাগে। কৰ্ম্মানুসাৰে আৰো বাৰে বাৰে জন্ম ল'ব লগা হয়। ইয়াত আমাৰ নিজৰ বন্ধু বান্ধৱ, বহুদিন বিদেশত থাকিলেও কেতিয়াবা যেনেকৈ এদিন তেওঁলোকৰ সৈতে দেখা শুনা হয়, সেইদৰে আমাৰ বন্ধু বান্ধৱৰ সৈতে পৰ লোকতো দেখা হব, এনে বিশ্বাস ৰাখিবলৈ দৰ্শন শাস্ত্ৰে উদগনি দিয়ে। এনে বিশ্বাস আছিলে নিজৰ প্ৰাণলৈ ধৈৰ্য্য আৰু আনন্দ আহি পৰে, বিশেষতঃ আত্মীয় স্বজন মৰিলেও শোকে আকুল নকৰে। মৰণৰ অৰ্থ দীৰ্ঘ দিনৰ বাবে প্ৰবাস। পৰলোক চিন্তা দ্বাৰা মানুহৰ উচ্চতত্ব জ্ঞানৰ অধিকাৰ ওপজে। পৰলোক আছে এই বিশ্বাস আছে বুলিয়েই আজি হিন্দু সমাজত শ্ৰাদ্ধাদিৰ ব্যৱস্থা। শ্ৰাদ্ধাদি কাৰ্য্য দ্বাৰা পৰলোকত থকা আত্মাৰ স্মৰণ হয় যে মই মৰিছো মোৰ এই গতি হৈছে ইত্যাদি। যেনেকৈ কোনো নৈৰ প্ৰবল সোঁতত এটি গছৰ পাত পৰি অলপ গৈ কোনো ঠাইত পানীৰ ঘূৰণীয়া সোঁতত পৰি ঘূৰি থাকে কোনো মতেই তাৰ পৰা ওলাই যাব নোৱাৰে, কিন্তু এনে অৱস্থাত যদি কোনো জনে সেই পাতটি তাৰ পৰা তুলি আনি আকৌ আগৰ সোঁতত পেলাই দিয়ে তেন্তে সেই পাতটি সোঁতত ভাহি যায়, তেনেকৈ পৰলোকত থকা আত্মাও কোনো কাৰ্য্য বিলাকৰ সুৰত পৰি ঘূৰিছে, মুক্ত হব পৰা নাই এনে অৱস্থাত শ্ৰাদ্ধই সেই আত্মাক মুক্ত কৰি দিয়ে।

মৰাৰ সময়ত মন আৰু বুদ্ধিৰ সৈতে এটি বায়ু শৰীৰৰ পৰা ওলাই যায়। কিছুদিনলৈকে সি "বায়ুভূতো নিৰাশ্ৰয়" হৈ থাকে। তাৰ পিচত সূক্ষ্ম শৰীৰ গঠিত হয়। সূক্ষ্ম শৰীৰৰ উপাদান হৈছে মন, বুদ্ধি অহঙ্কাৰ, পঞ্চ কৰ্ম্মেন্দ্ৰিয় পঞ্চ জ্ঞানেন্দ্ৰিয়, আৰু পঞ্চ তন্মাত্ৰ। এই তত্ব বোৰৰ সৈতে বায়ু ভূত নিৰাশ্ৰয় পুৰুষৰ সংযোগকেই সাংখ্য দৰ্শনে সূক্ষ্ম বা লিঙ্গ শৰীৰ বুলি উল্লেখ কৰিছে। শ্ৰাদ্ধৰ সময়ত দিয়া দহ পিণ্ডৰে দহ ইন্দ্ৰিয় প্ৰস্তুত হয়। বিহক শ্ৰাদ্ধাদি কৰ্ম্মই সূক্ষ্ম শৰীৰ গঠনত সহায় কৰে। উন্নত জীৱৰ এই সূক্ষ্ম দেহ সোনকালে হয়; অজ্ঞানীৰ বহুত দিনৰ পিচতহে এই দেহ নিৰ্ম্মান হয়। আত্মা নমৰে, দেহটিহে মৰে। সাধাৰণ জীৱ মৰাৰ পিচত প্ৰথমতে ভুবঃ লোকত পিচত স্বৰ্গ লোকত নিজৰ নিজৰ কৰ্ম্মানুসাৰে সুখ দুঃখ ভোগ কৰে। পিচত মহঃ লোকলৈ যোৱা মাত্ৰকেই তেওঁৰ ভোগ দেহ নাইকীয়া হয়, এইবাৰে আকৌ জন্ম লয়। যি সকল জ্ঞানী (ব্ৰহ্মবিদ) যি সকলৰ কামনা বাসনা নষ্ট হৈ গৈছে, তেওঁলোক মহঃ লোকৰ পৰা জন তপঃ আৰু সত্য লোকলৈ গৈ প্ৰলয়লৈকে ব্ৰহ্মাণ্ড পতিৰ সৈতে ব্ৰহ্মনিৰ্ব্বান লাভ কৰে; ইয়াকেই ক্ৰম মুক্তি বোলে। সাধাৰণ জীৱ মহঃ লোকলৈ অহা মাত্ৰকেই অজ্ঞান হয়, সেই দেখি জন্ম লবলৈ বাধ্য হয়; কিন্তু ক্ৰম মুক্তিৰ যি সকল যাত্ৰী তেওঁলোক মহঃ লোকলৈ অহা মাত্ৰকেই আকৌ জ্ঞানৰ বিশেষ বিকাশ হয়, এই বাবে তেওঁলোক ক্ৰমশঃ সত্য লোকলৈ যাত্ৰা কৰে।

যি সকলে এই জীৱনতেই জ্ঞান লাভ কৰি জীৱন মুক্ত হৈছে তেওঁলোকৰ উৎক্ৰান্তি নহয়, ইয়াতেই ব্ৰহ্ম-নিৰ্ব্বান লাভ কৰে। ওপৰত উল্লেখ কৰা সাতটি লোকৰ প্ৰত্যেকটি লোকত সাতটিকৈ স্তৰ আছে। ইয়াকেই কথিত ভাষাত উনপঞ্চাশ বায়ু বুলি কয়। পৰলোকলৈ যোৱা আত্মাই অৱস্থা

অনুসাৰে এটি এটি স্তৰত থাকি স্থিতি লাভ কৰে। এটি স্তৰত থাকি সেই স্তৰৰ ভোগ শেষ হলে আকৌ নতুন স্তৰত নতুন দেহ লৈ ওপজে। এইদৰে মানুহ অসংখ্য বাৰ ওপজে আৰু মৰে। দৰ্শন শাস্ত্ৰৰ এই তত্ত্ববোৰ অনুশীলন কৰিলে সমাজলৈ অন্যায় আচৰণৰ অনীতি আহিব নোৱাৰে। আজি ঋষি প্ৰণীত শাস্ত্ৰৰ ওপৰত অৱজ্ঞা ভাব প্ৰকাশ কৰি বহুতে নিজৰ মনে গঢ়া কথাৰে নাইবা ঋষি প্ৰণীত শাস্ত্ৰৰ বিৰুদ্ধ ব্যাখ্যা দ্বাৰা সমাজত অশান্তিৰ সৃষ্টি কৰিবলৈ ধৰিছে ; তাৰ ফলত আমাৰ ঋষি সকলৰ দ্বাৰা গঠিত আদৰ্শ গাৰ্হস্থ্য জীৱনৰ ভিত্তি দিনক দিনে নষ্ট হব লাগিছে।

বহুতৰ বিশ্বাস দৰ্শন শাস্ত্ৰত পৰলোক পৰমেশ্বৰ আদি তত্ত্বৰ বাহিৰে আন আলোচনা নাই ; কিন্তু এই কথা সম্পূৰ্ণ ভুল। দৰ্শন শাস্ত্ৰত সামাজিক গাৰ্হস্থ্য আদি নীতি বোৰৰ আলোচনা আছে। পুৰাণ শাস্ত্ৰৰ দৰে গল্পৰ চলেৰে কোনো কথাৰ অৱতাৰণা নকৰি যুক্তি দ্বাৰা প্ৰত্যেক বিষয়ৰ মীমাংসা কৰিছে ; মীমাংসিত বিষয়বোৰ অভ্ৰান্ত। তাত সংশয়ৰ আভাস মাত্ৰও নাই।

হিন্দু দৰ্শনৰ ভিতৰত বেদান্ত অতি ওখ ধৰণৰ। বৈদান্তিক সকলে আন আন দাৰ্শনিক সকলৰ অগ্ৰগামী হৈ, এই জগতৰ মূলত কোনো এটি শ্ৰেষ্ঠতত্ত্ব আছে, মানুহ কি উপায় অৱলম্বন কৰি সেই শ্ৰেষ্ঠতত্ত্বত মিহলি হৈ যাব পাৰে, তাক বিশদ ভাৱে বুজাবৰ বাবে প্ৰবৃত্ত হৈছে। তেওঁলোকে এই ৰাজ্যৰ মাজত আন কোনো শাস্ত্ৰৰ গৰ্জ্জন হব নিদিয়ে। সিংহৰ মুখৰ আগত যি দৰে শিয়ালে মৌনভাব ধাৰণ কৰে সেইদৰে বেদান্তৰ সন্মুখত আন শাস্ত্ৰ সকলো নীৰৱ হৈ পৰে। এইবাবে এগৰাকী প্ৰাচীন সুভাষিতকাৰে বেদান্তৰ যথাৰ্থ বৰ্ণনা কৰিছে যে—

"তাবৎ গৰ্জ্জন্তি শাস্ত্ৰানি জম্বুকা বিপিনে যথা।
নগৰ্জ্জন্তি মহা শক্তঃ যাবৎ বেদান্ত কেশৰী"॥

বেদান্ত দৰ্শনত ৫৫৬ টি সূত্ৰ আছে। বেদৰ ভাগ দুইটি—কৰ্ম্মকাণ্ড আৰু জ্ঞান কাণ্ড। সংহিতা আৰু ব্ৰাহ্মণ ভাগত কৰ্ম্মকাণ্ড, আৰণ্যক আৰু উপনিষদত জ্ঞান কাণ্ডৰ আলোচনা আছে। জ্ঞান কাণ্ডই হৈছে বেদৰ অন্ত বা শেষ ভাগ এই বাবে ইয়াৰ নাম বেদান্ত। ব্ৰহ্মই বেদান্ত দৰ্শনৰ প্ৰধান প্ৰতিপাদ্য এইবাবে ইয়াৰ এটি নাম ব্ৰহ্মসূত্ৰ। জ্ঞানকাণ্ড বেদৰ বিষয়টিক এই দৰ্শনে সমন্বয় আৰু বিৰোধ ভঞ্জন কৰি দিছে এইবাবে ইয়াৰ এটি নাম উত্তৰ মীমাংসা। পুৰণি কালত বেদান্ত দৰ্শন আলোচনা কৰিছিল সংসাৰ এৰি চতুৰ্থাশ্ৰমী (ভিক্ষু সকলে) এইবাবে বাচস্পতি মিশ্ৰই ইয়াৰ নাম ৰাখিছে ভিক্ষুসূত্ৰ। বেদান্তৰ সম্প্ৰদায় বহুত। এই সম্বন্ধে পিচত আলোচনা কৰা হ'ব। ইতি।

পণ্ডিত শ্ৰীদেবেন্দ্ৰনাথ সাংখ্যতীৰ্থ।

---

# স্বৰ্গীয় ভোলানাথ বৰুৱা।

বিদেশত ব্যৱসায় বা কাৰবাৰ কৰি ভাৰতত বিখ্যাত হোৱা অসমীয়া সদাগৰ স্বৰ্গীয় ভোলানাথ বৰুৱাৰ জীৱন-কাহিনী প্ৰত্যেক বিদ্যাৰ্থীৰে জানিবলগীয়া বিষয়। বাল্য কালত দাৰিদ্ৰ্যৰ নিকাৰ ভুঞ্জি, ছাত্ৰজীৱনত পৰমুখা-পেক্ষী হৈ আৰু সামান্য ব্যৱহাৰিক বিদ্যা উপাৰ্জ্জন কৰি কেনেকৈ নিজ অধ্যৱসায়, অদম্য উৎসাহ আৰু স্বাভাৱিক বুদ্ধি বৃত্তিৰে এজন পদ্মপতি বা সদাগৰ হৈ দানবীৰ নাম পাব পাৰে সংসাৰ যাত্ৰীৰ পক্ষে সিও এক অধ্যয়নৰ আপুৰুগীয়া বিষয় বস্তু। স্বৰ্গীয় ভোলানাথ বৰুৱাৰ জীৱন-কাহিনী আলোচনা কৰিলে সকলো অসমীয়াই এইটো স্বীকাৰ কৰিব লাগিব যে ব্যৱসায় ক্ষেত্ৰত আজি ভাৰতত যেনেকৈ পাৰ্চি জাতি বা বোম্বাই



পঞ্জাব বা মান্দ্ৰাজ প্ৰদেশীয় সদাগৰ সকল অৰ্থ উপাৰ্জ্জন আৰু মহৎ কামৰ নিমিত্তে বিখ্যাত তেনেকৈ অসম প্ৰদেশীয় মিঃ বিঃ, বৰুৱাৰ নামো সদাগৰ শ্ৰেণীত চিৰস্মৰণীয়। অসমীয়াৰ পক্ষে ই কম গৌৰৱৰ কথা নহয়।

নগাওঁ জিলাৰ পুৰণিগুদাম অঞ্চলত ১৮৫৩ খৃষ্টাব্দ বা ১৭৭৫ শকৰ ১৩ আহিনত ৺ভোলানাথ বৰুৱাৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম ৺ঘনশ্যাম আৰু মাতৃৰ নাম ভোগদৈ আছিল। তেওঁবিলাকৰ পৰিয়ালটোক নাওশলীয়া বৰুৱাৰ ঘৰৰ বুলিছিল। পিতৃ-মাতৃৰ অৱস্থা নিচেই নিঃকিন আছিল। ১২ বছৰ বয়সত ৺ভোলানাথ বৰুৱাক নগাওঁ জিলাৰ হাইস্কুলত ভৰ্ত্তি কৰি দিয়া হয় পুৰণিগুদামৰ ঘৰৰ পৰা ৮ মাইল ৰাস্তা নিতৌ অহা-যোৱা কৰি বৰুৱাই ইংৰাজী পঢ়িবলৈ ধৰে। ইতিমধ্যে পিতৃদেৱৰ মৃত্যু হয়। মনৰ বেজাৰত নগাওঁ এৰি ভোলানাথ বৰুৱা গুৱাহাটী পায়হি। ভিনিহীয়েক ৺মধুনাৰায়ণ বৰুৱাৰ ঘৰত থাকি নগাওঁৰ আন এজন ভিনিহিয়েক ৺ৰুদ্ৰাম বৰদলৈৰ পৰা ৫৲ টকা অৰ্থ সাহায্য লৈ গুৱাহাটী কলেজিয়েত স্কুলত তেওঁ আকৌ ইংৰাজী শিক্ষা আৰম্ভ কৰে। অসমীয়া ভাষাৰ ওজা স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱাৰ আশ্ৰয়ত থাকিও কেইবছৰমান গুৱাহাটীত শিক্ষা লাভ কৰিবলগীয়া হয়। সেই সময়ত ৰায়বাহাদুৰ ৺ভুৱনৰাম দাস, তহচিলদাৰ ৺ৰাধানাথ বৰুৱা আদি ৺ভোলানাথ বৰুৱাৰ সহপাঠী আছিল। ভোলানাথ বৰুৱা যেতিয়া "এণ্ট্ৰেন্স ক্লাচৰ" ছাত্ৰ হলগৈ তেতিয়া তেওঁৰ এটা শকত নৰিয়া হয় আৰু সেই বৰুৱাৰ ভাগিনিয়েক ৺মহীনাৰায়ণ বৰাই অশেষ শুশ্ৰূষা কৰি ভোলানাথক আৰোগ্য কৰে। বহুদিনৰ মূৰত নৰিয়াৰ পৰা উঠাত বৰুৱাৰ আৰু পঢ়া শুনা নহল। "এণ্ট্ৰেন্স ক্লাচৰ" বিদ্যাতে তেওঁৰ ছাত্ৰজীৱনৰ সামৰণী পৰিল। তেওঁ জীৱনযাত্ৰা নিৰ্ব্বাহ কৰিবলৈ চাকৰীৰ অন্বেষণ কৰিবলৈ ধৰিলে।

স্বৰ্গীয় মানিক চন্দ্ৰ বৰুৱা আৰু স্বৰ্গীয় অন্নদাৰাম ফুকণ ডাঙৰীয়া দুয়ে "বৰুৱা ফুকণ কোম্পানী" নাম দি গুৱাহাটীত সেই সময়ত এটা কাঠৰ কোম্পানী স্থাপন কৰে। এই কোম্পানীয়ে ৰাণীগুদাম, বৰদুৱাৰ, কুকুৰমৰা আদি কাঠ ব্যৱসায়ৰ প্ৰধান কেন্দ্ৰৰ পৰা শালকাঠ আনি কাৰবাৰ চলায়। এই কাৰবাৰৰ অফিচত ৺ভোলানাথ বৰুৱা ৩০৲ টকা বেতনত কেৰাণী নিযুক্ত হয়। স্বৰ্গীয় কাটিকচন্দ্ৰ বৰুৱাই এই কামত নিযুক্ত কৰোতে ভোলানাথক প্ৰধানকৈ সহায় কৰে। ভোলানাথ বৰুৱাই অতি উদ্যোগেৰে কাম চলাই কোম্পানীৰ প্ৰথমতে বিশেষ লাভ দেখুৱায়। আন কি পৰ্ব্বতীয়া নদী এখনৰ ওপৰত বহুত টকা খৰচ কৰি এখন দলং দি কাঠ অনা নিয়াৰ সুবন্দোবস্ত কৰে। ভোলানাথ বৰুৱাই জীৱনৰ এই তৰুণ অৱস্থাতে কাঠ ব্যৱসায়ৰ সকলো শিক্ষা স্বাধীনভাৱে লাভ কৰে। কিন্তু এবেলি বৰ ডাঙৰ বানপানী হোৱাত নিজ টকা খৰচ কৰি সজোৱা দলং উটুৱাই নি কাৰবাৰৰ কাঠ উটাই নিলে। এই দুৰ্ঘটনাত কোম্পানী "ফেইল" হল বা কাৰবাৰ উঠি গল আৰু ভোলানাথৰো ৩০৲ টকীয়া চাকৰীৰ অন্ত পৰিল।

কলিকতাত ৺কালীকৃষ্ণ পৰমাণিক নামেৰে এজন ডাঙৰ কাঠৰ-কাৰবাৰী আছিল। ভোলানাথ বৰুৱা গুৱাহাটীৰ পৰা কলিকতালৈ গৈ সেইজন সদাগৰৰ লগ-লাগি তেওঁৰ তলত অলপ কমিচন লৈ কাঠৰ কাৰবাৰ চলায়। ভোলানাথে জঙ্গলে জঙ্গলে ফুৰি কাঠৰ কাৰবাৰ চলাই ফুৰিবলৈ ধৰিলে। গুৱাহাটীৰ পৰা ভাগিনিয়েক ৺মহীনাৰায়ণ বৰাকো মতাই নি কাৰবাৰত লগালে। সাহিত্যৰথী ৺লক্ষ্মীনাথ বেজবৰুৱাদেৱে এই কাৰবাৰতে অংশীদাৰ হৈ যোগ দিলেহি। কলিকতাৰ পুৰণি ডাক কলেজৰ ওচৰত অফিচ খুলি কাৰবাৰ চলা-বলৈ ধৰিলে আৰু দিনকে দিনে কাৰবাৰ বৃদ্ধি পালে। স্বৰ্গীয় কালীকৃষ্ণ পৰমাণিকৰ তলত কাৰবাৰ কৰি বিস্তৰ ধন উপাৰ্জ্জন কৰি ১৮৯৪ চনত নিজে এখন জঙ্গল লৈ স্বাধীনভাৱে নিজ নামত কাৰবাৰ খুলিলে আৰু তেতিয়াৰে পৰা ভোলানাথ বৰুৱাই ধনৰ দৌলত সজালে। বনাই প্ৰদেশত এখন জঙ্গল লৈ আছানছোল আৰু চক্ৰধৰপুৰত কাৰবাৰৰ অফিচ খুলিলে। ১৮৯৮

চনত কাঠৰ কাৰবাৰৰ বাহিৰেও অন্যান্য নানা বিষয়ৰ কাৰবাৰ চলালে। নিজৰ থকামেলাৰ সুবিধাৰ নিমিত্তে পকীদালান কিনি ললে। মধ্যপ্ৰদেশৰ গাঙ্গপুৰ নামেৰে কৰদ ৰাজ্য খনত ভিতৰুৱা এটা হুলস্থুল লাগিল। ভোলানাথে নিজ প্ৰভাৱেৰে হুলস্থুল মিতমাত কৰি দিলে। এই কাৰ্য্যৰ দ্বাৰা তেওঁ ৰজা আৰু বৃটিছ গভৰ্ণমেণ্টৰ সুদৃষ্টিলৈ আহিল আৰু কাৰবাৰত বিশেষ ভাবে লাভবান হৈ উঠিল। ৰেওৱাৰ মহাৰাজাৰ পৰা এখন জঙ্ঘল লৈ কাৰবাৰ কৰি অশেষ ধন উপাৰ্জ্জন কৰিলে। ১৯০৬ চনত উৰিষ্যাৰ ময়ূৰভঞ্জৰ ৰজাৰ পৰা এখন জঙ্ঘল লয় আৰু তাত এটা ৰেলৰ লাইন বহুৱাবলৈ যত্নবান হয়। সেই উদ্দেশ্যে ৰেলৰ লাইন বহুৱাৰ সুবন্দোবস্ত কৰিবলৈ ১৯০৮ চনত ভোলানাথ বৰুৱাই বিলাতলৈ যাত্ৰা কৰে। ইপিনে কয়লাৰ কোম্পানী এটা খুলিবলৈও মনস্থ কৰি এজন বিশেষজ্ঞক অধিক বেতনত নিযুক্ত কৰে। কিন্তু অনুমান কৰা ঠাইত কয়লাৰ খনি আবিষ্কাৰ নোহোৱাত লাজ পাই বিশেষজ্ঞজন নিৰুদ্দেশ হোৱাত বৰুৱাৰ কাৰবাৰত বিশেষ ভাবে ক্ষতি হয়। ভোলানাথ বৰুৱাই নিজে লিখি গৈছে। ১৯০৮ চনৰ পৰা ১৯১০ চনৰ ভিতৰত প্ৰায় ১৪ লাখ টকা কাৰবাৰত লোকচান হয়।

বিলাতৰ পৰা ঘূৰি আহি ৰেলৰ লাইন খোলা সঙ্কল্পকো পৰিত্যাগ কৰিব লগীয়া হল। এই ৰেলৰ লাইন খোলা পৰিকল্পনাৰ যাবতীয় খৰচো এনেয়ে গল। কিন্তু ময়ূৰভঞ্জৰ জঙ্ঘলখন ৩০ ত্ৰিশ বছৰৰ কাৰণে একচেটীয়া বন্দোবস্তত লাভ কৰি অতি সতৰ্কতাৰে কাঠৰ কাৰবাৰ চলাই লোকচান হোৱা ব্যৱসায় পুনৰ উন্নত আৰু টনকিয়াল কৰিলে। ভোলানাথ বৰুৱাৰ বয়সৰ লগে লগে মগজুত এটা বিকাৰ ঘটিল আৰু অঙ্গপ্ৰত্যঙ্গ অৱশ হোৱা লক্ষণ দেখা দিলে। সুবিজ্ঞ সদাগৰ ভোলানাথে তেওঁৰ সমস্ত কাৰবাৰ ১৯১৯ চনত এটা "লিমিটেড কোম্পানী" কৰি কলিকতাৰ বিখ্যাত "মাৰ্টিন কোম্পানী"ক মেনেজিং এজেণ্ট বা প্ৰধান পৰিচালক নিযুক্ত কৰিলে। ইপিনে তেওঁৰ মৃত্যুৰ পিচত সৰ্ব্বসম্পত্তিৰ অধিকাৰ বিষয়েও আইনসিদ্ধ "উইল" বা ইচ্ছাপত্ৰ কৰি থৈ গল। ১৯২৩ চনত ৩০ মেই তাৰিখে হাওৰাৰ নিজা ঘৰত মগজুৰ বেমাৰ ভূগি ৭০ বছৰ বয়সত ভোলানাথ বৰুৱা স্বৰ্গগামী হয়।

স্বৰ্গীয় ভোলানাথ বৰুৱাই বিবাহ কৰোৱা নাছিল। তেওঁৰ বংশৰ নিজা ভতিজাক বিশ্বনাথ বৰুৱাক হিন্দু শাস্ত্ৰমতে যাগ যজ্ঞ কৰি পোষ্যপুত্ৰ নিযুক্ত কৰিছিল। পূৰ্ব্বে বৰুৱা কোম্পানীত ৩০৲ টকীয়া বেতন দি জীবন-যাত্ৰাৰ সূচনা লগাই দিয়া ৺ফটিকচন্দ্ৰ বৰুৱাৰ গোটেই পৰিয়ালটোক গুৱাহাটীৰ পৰা তুলি নি কলিকতাত ৰাখিছিল। পোষ্যপুত্ৰ বিশ্বনাথ বৰুৱাৰ মৃত্যু ঘটাত ভায়েক শ্ৰীযুত তৰুণচন্দ্ৰ বৰুৱাক কাঠৰ কাৰবাৰৰ শেষ ছোৱাত অতি কৰ্ম্মশীল আৰু সুদক্ষ বিষয়া স্বৰূপে পাইছিল। ভোলানাথ বৰুৱাই কৈ গৈছে যে কাৰবাৰত মুৰটো আছিল মোৰ আৰু হাত দুখন আছিল ৺মহীনাৰায়ণ বৰা আৰু শ্ৰীযুত তৰুণচন্দ্ৰ বৰুৱা। ৺ভোলানাথ বৰুৱাৰ ককায়েকৰ নাতিনীয়েক আছিল, দেশহিতকৰ নানা অনুষ্ঠানৰ উদ্যোগী আৰু হিতৈষী শ্ৰীযুত কেশবচন্দ্ৰ বৰুৱা।

ভোলানাথ বৰুৱাই ৺মহীনাৰায়ণ বৰুৱা শ্ৰীযুত তৰুণচন্দ্ৰ বৰুৱা আৰু শ্ৰীযুত কেশবচন্দ্ৰ বৰুৱাক তেখেতৰ সৰ্ব্বসম্পত্তিৰ আয় জীৱদ্দশা পৰ্য্যন্ত ভোগ কৰিব বুলি উইলত লিখি থৈ গৈছে। এই সকলৰ অবিহনে সৰ্ব্ব-সম্পত্তি অসম গভৰ্ণমেণ্টক "প্ৰাইমেৰী এডুকেশ্যনৰ" বাবে খৰচ কৰিবলৈ বুলি অধিকাৰ দি গৈছে।

ভোলানাথ বৰুৱাই কাৰবাৰ কৰি যি অজস্ৰ ধন উপাৰ্জ্জন কৰিছিল সেই ধনেৰে কেৱল কলিকতাত পকী দালান কিনি, দেশে বিদেশে উচ্চ শ্ৰেণীৰ সম্ভ্ৰান্ত লোক হৈ পৰিভ্ৰমন কৰি, বিলাত যাত্ৰা কৰি, নাইবা নিজৰ অঙ্গহী বঙ্গহীক ধন দান কৰিয়েই উপাৰ্জ্জিত ধনৰ ব্যৱহাৰ কৰা নাই। ভাৰতৰ জনহিতকৰ কামত সেই ধন বিলায় গৈছে বা দান দিছে। তলত বৰুৱাৰ দানৰ তালিকা দিয়া হল:—



১। বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ৰ নিমিত্তে ছিমলাৰ সম্পত্তি একলক্ষ কুৰিহেজাৰ টকাৰ দান——১২০০০০৲
২। অসম গবৰ্ণমেণ্টক টেকনিকেল স্কুল স্থাপনৰ নিমিত্তে একলক্ষ টকাদান——১০০০০০৲
৩। ভিজাগাপট্টমত জৰ্জ্জ হস্পিটলৰ নিমিত্তে পয়ত্ৰিশ হেজাৰ টকা দান——৩৫০০০৲
৪। ঝাৰগুডাত ভোলানাথ বৰুৱা ডিচপেন্সেৰীৰ নিমিত্তে দহহেজাৰ টকাৰ দান—— ——১০০০০৲
৫। বালীগঞ্জৰ ছোৱালী হাইস্কুলৰ নিমিত্তে পাঁচ হেজাৰ টকাৰ দান——৫০০০৲
৬। কলিকতা বিশ্ববিদ্যালয়ক ৺পণ্ডিত হেমচন্দ্ৰ গোস্বামী সঙ্কলিত অসমীয়া সাহিত্য চানেকী প্ৰকাশৰ অৰ্থে দহহেজাৰ টকাৰ দান————১০০০০৲

এইবোৰ দানৰ বাহিৰেও সৰু-সুৰা কত হেজাৰ টকাৰ দান অজ্ঞাতভাবে কত জনে লাভ কৰিছে!

যি জন প্ৰশান্তমনা লোকে স্বউপাৰ্জ্জিত ইমান বোৰ টকা জনহিতকৰ আৰু দেশহিতকৰ অনুষ্ঠানৰ বাবে দান দিব পাৰে সেইজন নিশ্চয় অসমীয়াৰ ভিতৰত ডাঙৰ দানবীৰ আৰু প্ৰসিদ্ধ সুপুৰুষ। সঁচা, বিশ্ববিদ্যালয়ত উচ্চখিতাপ বা ডিগ্ৰী লাভ কৰা নাই, সঁচা, গভৰ্ণমেণ্টৰ উচ্চ পদৰ কৰ্ম্মচাৰী হোৱা নাই, সঁচা, বৃটিশ শাসনতন্ত্ৰৰ প্ৰধানমন্ত্ৰী হোৱা নাই, তথাপি নিজ বাহুবলেৰে এইজন ৺ভোলানাথ বৰুৱাই সংসাৰৰ এটা বিশেষ ক্ষেত্ৰত উচ্চৰো উচ্চ আৰু মহত্তৰো মহৎ আসন অধিকাৰ কৰি আছে।

শ্ৰীসৰ্ব্বেশ্বৰ কটকী।

—প্ৰতিষ্ঠা—

কিৰূপে তোমাক,—প্ৰভো!—
পূজা দিম চৰণত?
সংসাৰ বিয়াপি আছা,—দয়াময়!
আহ্বান তোমাক আজি
কিৰূপে কৰিম আমি
কিৰূপে তোমাক থাপোঁ বুজোঁ কেনেকই?
তোমাৰেই ওপৰতে
কিৰূপে থাপিম আমি
তোমাক, হে দয়াময়! সিংহাসন পাৰি?
তুমি নিজে সৰ্ব্বাধাৰ,
সকলো তোমাৰে,—জানো,—
আসন তোমাক কিয় লাগিছে,—মুৰাৰি?—

স্বচ্ছ তুমি নিজে,—প্ৰভো!—
কিয় লাগে পাদ্য অৰ্ঘ্য?
তুমি যে চিৰ পবিত্ৰ, কিয় আচমন?
নিৰ্ম্মল জলক কিয়
প্ৰক্ষালিব লাগে আনি
সুনিৰ্ম্মল জল,—প্ৰভো! কিয় এনে আচৰণ?
ভ্ৰান্তিপূৰ্ণ ই সংসাৰ,
হে আমাৰ জ্ঞানাতীত!—
প্ৰতিষ্ঠা তোমাৰ মিছা,—তুমি চিৰ প্ৰতিষ্ঠিত॥

৺ হিতেশ্বৰ বৰবৰুৱা।

# আয়ুৰ্ব্বেদ

## মঙ্গলাচৰণম্

যঃ সাক্ষাৎ পৰমো যোগী যোগীনাং পৰমং ধনম্।
জ্ঞান স্বৰূপং বৰদাং ত্বং নমামি শিবম্ শিবম্॥

যি শাস্ত্ৰত আয়ুৰ হিতাহিত আৰু ব্যাধিৰ নিদান ও প্ৰশমন বৰ্ণিত আছে পণ্ডিত সকলে সেই শাস্ত্ৰকে আয়ুৰ্ব্বেদ বোলে। এই শাস্ত্ৰৰ দ্বাৰাই মানৱ জাতিয়ে দীৰ্ঘায়ু লাভ কৰে আৰু আয়ুৰ্ব্বিষয়ক জ্ঞান জন্মে বাবে ঋষি সকলে ইয়াক আয়ুৰ্ব্বেদ নামে অভিহিত কৰিছে, অৰ্থাৎ শৰীৰ আৰু জীৱৰ যি সংযোগ তাৰেই নাম জীৱন; যিমান দিন সেই সংযোগ থাকে তাকে আয়ু বোলে। আয়ুৰ্ব্বেদৰ দ্বাৰা আয়ুৰ হিতকৰ আৰু অহিতকৰ দ্ৰব্য, গুণ, কৰ্ম্ম বিলাক জানিব পাৰি। সেৱন ও ত্যাগ কৰি অৰ্থাৎ আয়ু-বৰ্দ্ধক দ্ৰব্য সেৱন ও আয়ু নাশক দ্ৰব্য পৰিত্যাগ কৰি আৰোগ্য লাভ কৰা বাবে মানুহে দীৰ্ঘায়ু লাভ কৰিব পাৰে আৰু সেই নিমিত্তেই অন্যৰ আয়ুস জানিবলৈকো সমৰ্থ হয়।

বিধতাই প্ৰথমে অথৰ্ব্ববেদ সৰ্ব্বস্ব আয়ুৰ্ব্বেদ প্ৰকাশ কৰি নিজ নামত ব্ৰহ্ম-সংহিতা নামে লক্ষ শ্লোকময়ী এখনি ঋক্-সংহিতা প্ৰণয়ন কৰে আৰু তাৰ পিচত তেওঁ দক্ষ প্ৰজাপতিক সেই সৰ্ব্বাঙ্গ সম্পন্ন আয়ুৰ্ব্বেদ শিক্ষা দিয়ে। প্ৰজাপতিয়ে অশ্বিনীকুমাৰ দ্বয়ক আৰু অশ্বিনী-কুমাৰ যুগলে শচি-পতি ইন্দ্ৰক আয়ুৰ্ব্বেদৰ শিক্ষা দিয়ে। তেওঁবিলাকে (অশ্বিনীকুমাৰ দ্বয়ে) নিজৰ নামত অতি প্ৰশংসনীয় সংহিতা প্ৰকাশ কৰে। তাৰ পিচত কৰুণা-কৰ মুনিশ্ৰেষ্ঠ ভগবান অত্ৰেয়ই ইন্দ্ৰৰ ওচৰত সমস্ত আয়ুৰ্ব্বেদ অধ্যয়ন কৰি নিজৰ নামত এখনি সংহিতা প্ৰণয়ন কৰে আৰু অগ্নিবেশ, ভেড়, জতুকৰ্ণ, পৰাশৰ ক্ষাৰপাণি ও হৰীতক' আয়ুৰ্ব্বেদ পাঠ কৰায়। পূৰ্ব্বে অগ্নিবেশেই প্ৰথমে তন্ত্ৰ প্ৰণয়ন কৰে। তাৰ পিচত ভেড়াদি ঋষি সকলেও নিজ নিজ নামত একোখন তন্ত্ৰ প্ৰকাশ কৰিছিল। পাচত ভৰদ্বাজ, অঙ্গিৰা, গৰ্গ, মৰীচি, ভৃগু, ভাৰ্গৱ, পুলস্ত্য, অগস্তি, অসিত, বশিষ্ঠ, পৰাশৰ, হাৰীত, গৌতম, সাংখ্য, মৈত্ৰেয়, চ্যবন, জমদগ্নি, গৰ্গা, কাসয়প, কশ্যপ, নাৰদ, বামদেৱ, মাৰ্কণ্ডেয়, কপিঞ্জল, শাণ্ডিল্য, কৌণ্ডিল্য, শাকুনেয়, শৌনক, আশ্ব-লয়ন, সাঙ্কৃত্য, বিশ্বামিত্ৰ, পৰীক্ষিত, দেৱল, পালব, ধৌম্য, কাপ্য, কাত্যায়ন, কাঙ্কায়ন, বৈজৱাপ, কুশীক, বাদৰায়ন, হিৰনাক্ষ, লোকাক্ষ, শৰলোমা, গোভিল, বৈখানস, বাল্যখিল্য, আদি অনেক মহৰ্ষি হিমালয়ৰ ওচৰত উপস্থিত হৈ এইকথা আলোচনা কৰিলে যে শৰীৰ ধৰ্ম্মাৰ্থ কাম মোক্ষৰ মূল কিন্তু নিৰোগ থাকিলেহে চতুৰ্ব্বৰ্গ লাভ কৰিব পাৰি নতুবা নহয়। তপস্যাৰ, বেদাধ্যায়নৰ, ধৰ্ম্মৰ, ব্ৰহ্মচৰ্য্যাৰ, ব্ৰতৰ ও আয়ুৰ সংহৰ্ত্তা ৰোগ বিলাক পৃথিৱীৰ সৰ্ব্বদতে প্ৰসূত হৈ দৰ্শনাদি ইন্দ্ৰিয় শক্তি সংক্ষয় কৰি বলপূৰ্ব্বক বলক্ষয় ও সৰ্ব্বাঙ্গ পীড়া কৰি আশু শীঘ্ৰেই প্ৰাণ বিনাশ কৰে। এই মহা অনিষ্টকাৰী ৰোগ বিদ্যমান থাকিলে প্ৰাণীৰ মঙ্গল হব নোৱাৰে বুলি মহৰ্ষি ভৰদ্বাজক আয়ুৰ্ব্বেদ শিক্ষাৰ নিমিত্তে ইন্দ্ৰৰ ওচৰলৈ পঠায়। ইন্দ্ৰই তেওঁক সমস্ত আয়ুৰ্ব্বেদ লিঙ্গ ও ঔষধ জ্ঞান বিষয়ে উপদেশ দিয়ে। যাৰ দ্বাৰাই দেহী নিৰোগ হৈ সহস্ৰ বৰ্ষ জীয়াই থাকিব পাৰে। সেই সাঙ্গ আয়ুৰ্ব্বেদ হৃদয়ঙ্গম কৰি তেওঁ নিজে নিৰাময় আৰু দীৰ্ঘায়ু হয় আৰু অন্যান্য মুনি সকলকো নীৰোগ ও দীৰ্ঘায়ু কৰে। তেওঁ প্ৰণয়ন কৰা গ্ৰন্থৰ নামেই ভৰদ্বাজ তন্ত্ৰ।

পাচত বিষ্ণুয়ে যেতিয়া মৎস্য অৱতাৰ ধৰি বেদ উদ্ধাৰ কৰে অনন্তদেৱে সেই সময়ত অথৰ্ব্বান্তৰ্গত আয়ুৰ্ব্বেদ লাভ কৰে। কোনো এসময়ত তেওঁ পৃথিৱীৰ অৱস্থা চাবৰ নিমিত্তে চৰবৎ (ছদ্মবেশে) আহি মানুহ



বিলাক ব্যাধিগ্ৰস্ত হৈ প্ৰপীড়িত ও মৃয়মান থকা দেখি সুপ্ৰসিদ্ধ বিশুদ্ধ মুনিৰ পুত্ৰৰূপে জন্ম গ্ৰহণ কৰে আৰু চৰবৎ হৈ অহা বাবে চৰক নামে প্ৰতিভাত ও বিখ্যাত হয়। সহস্ৰ বদনাংশ চৰকে ৰোগ বিলাক ধ্বংস কৰে আৰু অগ্নিবেশাদি ঋষিৰ প্ৰণীত তন্ত্ৰ সকল সংগ্ৰহ ও সংস্কাৰ কৰি নিজ নামে চৰক গ্ৰন্থ প্ৰকাশ কৰে।

এসময়ত দেৱৰাজ ইন্দ্ৰই পৃথিৱীলৈ দৃষ্টিপাত কৰি মানুহ বিলাকক অনেক ৰোগত প্ৰপীড়িত হৈ থকা দেখি সৰ্ব্ব প্ৰাণীৰ হিতেচ্ছায় সমস্ত আয়ুৰ্ব্বেদ উপদেশ দি ধনন্তৰিক ৰোগ বিলাকৰ প্ৰতিকাৰ কৰিবৰ নিমিত্তে আয়ুৰ্ব্বেদ প্ৰকাশ কৰিবলৈ পঠায়। তেওঁ কাশীধামৰ ক্ষত্ৰিয় কুলত দিবোদাস নামে জন্ম গ্ৰহণ কৰে আৰু বাল্যকালৰ পৰা সংসাৰাশক্তি শূন্যহৈ সুমহৎ তপ আচৰণ কৰে। ব্ৰহ্মাই তেওঁক কাশীৰ ৰাজপাটত প্ৰতিষ্ঠিত কৰি দিয়া বাবে তেওঁ কাশীৰাজ নামে বিখ্যাত হয়। তেওঁ এখন সংহিতা প্ৰণয়ন কৰি বিদ্যাৰ্থী সকলক লোক হিতাৰ্থে অধ্যয়ন কৰাইছিল।

মুনিবৰ বিশ্বামিত্ৰই নিজৰ পুত্ৰেক সুশ্ৰুতক কাশীৰাজ সাক্ষাৎ ধনন্তৰী বুলি জানিব পাৰি জগতৰ মঙ্গলাৰ্থে—যি হেতু দয়াই তীৰ্থ আৰু পৰোপকাৰেই মহা যজ্ঞ—আয়ুৰ্ব্বেদ অধ্যয়ন কৰিবলৈ পঠায়। তেওঁৰ লগত ১০০ জন মুনি পুত্ৰও শিক্ষাৰ্থে গৈ আয়ুৰ্ব্বেদ হৃদয়ঙ্গম কৰি লয়। সুশ্ৰুতে প্ৰথমে স্বনামে এখন গ্ৰন্থ প্ৰণয়ন কৰে। তাৰ পিচত তেওঁৰ সহাধ্যায়ী সখা সকলেও একোখন নিজ নিজ নামত পৃথক তন্ত্ৰ প্ৰকাশ কৰে।

## ৰোগ আৰু ৰোগৰ মূল।

বায়ু, পিত্ত কফ এই তিনিৰ বৈসমকে অৰ্থাৎ বিকৃতাৱস্থাক ৰোগ আৰু সাম্য বা স্বাভাৱিক ভাৱে থাকিলেই আৰোগ্য বা সুস্থ বোলা যায়। ৰোগ যাবদীয় মনুষ্য আদি জীৱ মাত্ৰৰেই দুখ দায়ক। আৰোগ্যই সুখ। ৰোগ দেহ কৃশতা কাৰক, চেষ্টা হাৰক, দৃষ্টি আদি ইন্দ্ৰিয় শক্তি নাশক আৰু সমস্ত দেহৰ পীড়া কাৰক।

আৰোগ্যাই ধৰ্ম্ম, অৰ্থ, কাম ও মোক্ষ এই চতুৰ্ব্বৰ্গ লাভৰ প্ৰধান কাৰণ কেৱল একমাত্ৰ ব্যাধিয়েই সেই আৰোগ্য, কুশল, আন কি জীৱন পৰ্য্যন্ত নষ্ট কৰে।

ৰোগ চাৰি প্ৰকাৰ, স্বাভাৱিক, আগন্তুজ বা আগন্তুক, মানসিক আৰু কায়িক। স্বাভাৱিক—যেনে জন্মান্ধ, জন্মবধিৰ ইত্যাদি। আগন্তুজ —যেনে শস্ত্ৰ কিম্বা লোষ্ট্ৰাঘাট অথবা উচ্চ স্থানৰ পৰা নিপতিত হৈ যি ৰোগ আৰু মাৰণ যন্ত্ৰাদি দ্বাৰা যি ৰোগ উৎপত্তি হয়। মানসিক ৰোগ,—কাম, ক্ৰোধ, লোভ, মোহ ভয় অভিমান, খলতা বিষাদ, দ্বেষ, হিংসা আৰু মাৎসৰ্য্য আদি মনো ব্যাপাৰ হেতু উন্মাদ, অপস্মাৰ, মূৰ্চ্ছা, প্ৰমত্ত আৰু সন্ন্যাস ইত্যাদি। কায়িক ৰোগ, —জ্বৰ, অতিসাৰ, গ্ৰহণী, অৰ্শ, অজীৰ্ণ, বিসূচিকা ইত্যাদি। কায়িক ৰোগ পুনৰ তিনি প্ৰকাৰ—কৰ্ম্মজ, দোষজ আৰু কৰ্ম্ম-দোষজ। কৰ্ম্মজ ৰোগ অধিক দুষ্কৰ্ম্মকাৰী ব্যক্তিৰ প্ৰায়চিত্তৰ অভাৱৰ পৰা উৎপত্তি হয়। বায়ু পিত্ত কফ স্বাস দোষৰ দ্বাৰা কুপিত হলে দোষজ ৰোগ উৎপত্তি হয়। পূৰ্ব্ব কৰ্ম্ম হেতু দোষজৰে সৈতে মিলিত হৈ কৰ্ম্ম—দোষজ ৰোগ উৎপত্তি হয়। যি যি ৰোগ শাস্ত্ৰ মতে নিৰ্ণয় আৰু শাস্ত্ৰ মতে চিকিৎসা দ্বাৰা উপশম নহয় পণ্ডিত সকলে তাকে কৰ্ম্মজ বুলি কয়। আহাৰ ও বিহাৰৰ পৰা দুষ্ট বাতাদি ঘটীত ৰোগকেই দোষজ বুলি কয়। সামান্য দোষতেই গুৰুতৰ ৰোগ উৎপত্তি হলে সেইবিলাক, কৰ্ম্মদোষজ বুলি জানিব পাৰি। কৰ্ম্মজ ব্যাধি কৰ্ম্ম ক্ষয় হলেই উপশম হয়। দোষজ ব্যাধি দোষোচিত ঔষধৰ দ্বাৰা নিবৃত্তি হয়। কৰ্ম্ম-দোষজ ব্যাধি কৰ্ম্ম আৰু দোষৰ ক্ষয়ত আৰোগ্য হয়।

ৰোগ উৎপত্তি হৈ দ্বিবিধ হয়। সাধ্য, যাপ্য আৰু অসাধ্য। সাধ্য ৰোগ দুবিধ। সুখ সাধ্য আৰু কষ্ট সাধ্য। সুখ সাধ্য ৰোগ পথ্যাদিৰ দ্বাৰা আৰোগ্য হয়। কষ্ট সাধ্য ৰোগ ঔষধ আৰু পথ্যাদিৰ দ্বাৰা আৰোগ্য হয়। অসাধ্য ৰোগ দুবিধ। বহুকাল স্থায়ী আৰু মাৰাত্মক। যি ৰোগ চিকিৎসাত সমতা প্ৰাপ্ত হয়

আৰু ক্রিয়া নকৰিলে ৰোগীকে নষ্ট কৰে সেই ৰোগ যাপ্য। চিকিৎসা কৰিলে যাপ্য ৰোগে খুটাই ঘৰ ধৰি ৰখাৰ নিচিনাকৈ ৰোগীক সুখী কৰি ৰাখে। সাধ্য ৰোগ বেয়া চিকিৎসাৰ দ্বাৰা যাপ্য হয়। যাপ্য ৰোগৰ চিকিৎসা বেয়াকৈ হলে অসাধ্য হয়। তদ্বাৰা মানুহৰ প্ৰাণ নাশ হয়।

এই পৃথিৱীত কোনো জন্তুৱেই অমৰ হৈ জন্ম গ্ৰহণ কৰা নাই। সকলোৰে মৃত্যু অনিৰ্বাৰ্য্য। কিন্তু ৰোগ ঔষধাদিৰ দ্বাৰা নিবাৰণ কৰা যায়। মানুহৰ শৰীৰত ১০১ প্ৰকাৰ মৃত্যু অৱস্থিত কৰে। তাৰ ভিতৰত ১টা কাল মৃত্যু, বাকী ১০০ টা আগন্তুক মৃত্যু ঔষধ, জপ হোমাদি দ্বাৰা উপশম হয়। কাল মৃত্যু কোনো প্ৰকাৰে খণ্ডন নহয়। কাল প্ৰাপ্ত ব্যক্তি কোনো ৰোগাক্ৰান্ত বা সৰ্পাদি কৰ্ত্তৃক দংষ্ট্ৰ হলে স্বয়ং ধনন্তৰীয়েও সুস্থ কৰিব নোৱাৰে। এতেকে যি পৰ্য্যন্ত প্ৰাণ থাকে, ইন্দ্ৰিয় শক্তি লোপ নহয়, সেই পৰ্য্যন্ত চিকিৎসা কৰা কৰ্ত্তব্য। ৰোগ উৎপত্তি হোৱা মাত্ৰকে চিকিৎসা কৰিব। সামান্য বুলি উপেক্ষা নকৰিব। যেনেকৈ সৰু গছ সহজেই কাটিব পাৰি কিন্তু ডাঙৰ হলে কষ্টেৰেও কটা টান। ৰোগৰ পক্ষেও তদ্ৰূপ।

চিকিৎসা তিনি প্ৰকাৰ। আসুৰী, মানুষী, আৰু দৈৱী। মন্ত্ৰাদিৰ দ্বাৰা চিকিৎসা কৰাকে আসুৰী। ঔষধৰ দ্বাৰা চিকিৎসা কৰাকে মানুষী আৰু জপ হোমাদি দ্বাৰা চিকিৎসা কৰাকে দৈৱী চিকিৎসা বোলে। প্ৰশস্ত দেশত উৎপন্ন, প্ৰশস্ত দিনত উদ্ধৃত, অল্প পৰিমিত মহাবীৰ্য্য সম্পন্ন, গন্ধ বৰ্ণ ৰস বিশিষ্ট অথচ কীটাদি কৰ্ত্তৃক অক্ষুণ্ন, উদ্ভিদ আৰু শোধিত ধাতু প্ৰভৃতি যথা সময়ত প্ৰয়োগ কৰাকে উৎকৃষ্ট ঔষধ বোলা হয়।

## চিকিৎসক।

যি চিকিৎসকে প্ৰকৃত ৰোগ পৰীক্ষা কৰি নিৰ্দ্দিষ্ট ৰোগৰ উপযুক্ত ঔষধ নিৰ্ণয় পূৰ্ব্বক চিকিৎসাত প্ৰবৃত্ত হয়—তেৱেঁই সিদ্ধি লাভ কৰিব পাৰে। যাৰ ৰোগতত্ত্ব, ঔষধতত্ত্ব, ৰোগৰ সাধ্যাসাধ্য লক্ষণ অৱগত আছে; যি দৃষ্ট কৰ্ম্মা ও শাস্ত্ৰজ্ঞ, যি বৈদ্যই গুৰুৰ ওচৰত আয়ুৰ্ব্বেদ শিক্ষা কৰি পুনঃ পুনঃ আলোচনা কৰি চিকিৎসাত প্ৰবৃত্ত হয় তেওঁৱেই প্ৰকৃত চিকিৎসক। যি শাস্ত্ৰ আলোচনা আৰু অধ্যয়ণ নকৰি চিকিৎসাত প্ৰবৃত্ত হয় তেও মানৱৰূপধাৰী যম স্বৰূপ। মলিন বস্ত্ৰ পৰিধান কাৰী কৰ্কশ ভাষী, স্তব্ধ, কুগ্ৰামবাসী আৰু নিজে উপস্থিত নহৈ চিকিৎসা কৰে এই সকল লোকে ধনন্তৰিৰ নিচিনা হলেও সন্মান লাভ কৰিব নোৱাৰে। যি নাড়ী জিবা, মুখ, মলমুত্ৰাদিৰ পৰীক্ষা কৰিব নেজানে তেওঁ যম সদৃশ। আয়ুৰ্ব্বেদৰ প্ৰসাদে কোনো ব্যক্তিক নীৰোগ কৰি জীৱন দান কৰিব পাৰিলে এই পৃথিৱীত তেওঁৰ দান কৰাৰ বাকী নাথাকে। আৰোগ্যই ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ চতুৰ্ব্বৰ্গ সম্পত্তি লাভ কৰাৰ এক মাত্ৰ উপায়। এতেকে ৰোগ আৰোগ্য কৰিলে সমস্ত দান কৰা হয়। এজন ৰোগী আৰোগ্য কৰিব পাৰিলে সাত পুৰুষে সৈতে ব্ৰহ্মলোক প্ৰাপ্তি হয়। যি আৰোগ্য হৈ বৈদ্যৰ ওচৰত শৰীৰ ক্ৰয় নকৰে, বৈদ্যই তেওঁ কৰা সমস্ত সৎকাৰ্য্যৰ ফল লাভ কৰে। চিকিৎসকে দৰ্শন, স্পৰ্শন আৰু প্ৰশ্ন দ্বাৰা ৰোগ পৰীক্ষা কৰিব লাগে। মূত্ৰ আৰু জিবা আদি দৰ্শন, নাৰী স্পৰ্শন আৰু ৰোগীকে দৃঢ়চিত্তে ৰোগৰ বিষয় সোধা। এই তিনি প্ৰকাৰেই ৰোগ পৰীক্ষা কৰাৰ উপায়।

আধ্যাত্মিক চৰ্চ্চাৰ দৰে জগতৰ ভিতৰত প্ৰথমেই এই পুণ্যভূমি ভাৰতবৰ্ষতেই চিকিৎসা শাস্ত্ৰ আৰম্ভ ও প্ৰচলিত হয়। বোগদাদৰ সম্ৰাট হাৰুণ অল ৰসীদে ইয়াৰ পৰা চাৰিজন ব্ৰাহ্মণ চিকিৎসকক তেওঁৰ ৰাজ্যলৈ নি চিকিৎসা প্ৰচাৰ কৰে। তাৰ পিচত গ্ৰীক ও ৰোমাণ সভ্যতাৰ বিকাশৰ সময়ত বোগদাদলৈ চিকিৎসা অধ্যয়ণৰ নিমিত্তে শিক্ষাৰ্থী আহে। বোগদাদৰ পৰা চিকিৎসা শাস্ত্ৰ শিক্ষা কৰাই নি ইউৰোপত চিকিৎসা শাস্ত্ৰ প্ৰচাৰ কৰে আৰু ক্ৰমে ক্ৰমে জগতৰ সকলো দেশতে চিকিৎসা প্ৰচাৰিত হয় আৰু লগে লগে ৰূপান্তৰো হয়। বোগদাদত হাকিমী নাম পায় আৰু জাৰিত দ্ৰব্য ব্যৱহাৰ অনেক পৰিমাণে কমি উদ্ভিদ ও মছলাদিৰ অধিক পৰিমাণে ব্যৱহাৰ হয়। ৰোমত বনৌষধি



আদিৰ আৰক কৰি বহুল পৰিমাণে ব্যৱহাৰ কৰে; জাৰিত ধাতুৰ ব্যৱহাৰ এক প্ৰকাৰ উঠিয়েই যায়। কেৱল লোহাৰ আৰক কৰি ঔষধৰ লগত মিহলোৱা হয়। ইফালে ভাৰতত তান্ত্ৰিক যুগৰ অভ্যুদয়ৰ লগে লগে তন্ত্ৰৰ ভিতৰৰ মূল্যবান অতি উৎকৃষ্ট ঔষধ আৰু ৰসায়ণ ও বাজীকৰণাদিৰ ঔষধ আয়ুৰ্ব্বেদৰ ঔষধ আদিৰ লগত লগ হৈ আয়ুৰ্ব্বেদৰ বহুত পৰিমাণে কলেৱৰ বৃদ্ধি হয়।

এই সময়ত কামৰূপেই ভাৰতৰ প্ৰধান ঠাই অধিকাৰ কৰে। আজিও অসমৰ অনেক ঠাইতে তান্ত্ৰিক ঔষধৰ পুথি যথেষ্ট পৰিমাণে পোৱা যায়। অসমৰ আয়ুৰ্ব্বেদ বা চিকিৎসা শাস্ত্ৰ তান্ত্ৰিক প্ৰত্যক্ষ ফলপ্ৰদ ঔষধেৰে ভৰা। বিশুদ্ধ তান্ত্ৰীক ঔষধৰ গ্ৰন্থাৱলী আগমাচাৰ্য্যৰ পৰিনাতী সকলৰ ঘৰত বিচাৰিলে এতিয়াও পোৱা যায়। আমাৰ মোদক আৰু খণ্ড আদি প্ৰস্তুত কৰিবৰ নিমিত্তে পৃথক পৃথক পুথিও তেওঁবিলাকৰ ঘৰত আছে। ডিব্ৰুগড়ৰ পুৰণি ভকত আদিৰ হাততো প্ৰত্যক্ষ ফলপ্ৰদ ঔষধাদিৰ গ্ৰন্থ লুকায়িত আছে। আমাৰ জিলাৰ ভিতৰত মাজুলী আদি সকলো ঠাইতে নিদান বুলি কোৱা বহুত দৰবৰ গ্ৰন্থ অনেক অনেক লোকৰ ঘৰত পোৱা যায়। ইয়াৰ ভিতৰত মাজুলীৰ নৰসিংহ মহন্তৰ ঘৰত থকা পুথিখন বিশেষ উল্লেখ যোগ্য। আমি পূৰ্ব্বে কৈ আহিছোঁ—চিকিৎসা তিনি প্ৰকাৰ। কিন্তু অদ্ধ চিকিৎসা নকৰাকৈ যেতিয়া মৃতত ভৰণ দি মৃত সন্মান প্ৰসন্ন কৰাব পৰা ঔষধ পায়—বোধ হয়, অদ্ধ চিকিৎসা পৰিত্যাগ কৰিবলৈ ধৰিলে বুলিয়েই বিশেষ ৰূপে অনুমান হয়। ইফালে দৰৱ খুৱাই হাওফাৰে যা যেতিয়া আৰোগ্য কৰিব পৰা হয়। তেতিয়া আৰু বিশেষকৈ গৱেষণা কৰিবলৈ আগ নেবাঢ়ি ঔষধ ও গ্ৰন্থাদি চিকিৎসক সকলে যিমান পাৰে গোপন কৰিবলৈ ধৰিলে। এই কাৰ্য্যত দোষী ভাৰতবাসী—বিশেষকৈ অসমীয়া জাতি সম্পূৰ্ণ দোষী। এসময়ত আমাৰ দেশত আয়ুৰ্ব্বেদ ইমান প্ৰচাৰ হৈছিল যে তাৰ মুষ্টীযোগবিলাক প্ৰত্যেক ঘৰৰ মতা-মাইকী মানুহে জানিছিল।

আজিও গাৱলীয়া বেজে সেই দৰবকে দিয়ে কিন্তু প্ৰয়োগৰ বিধি নজনা বাবে বহুত ঠাইত ভুল কৰে। তত্ৰাচ গৰ্ভ নাৰেঙ্গা বা নাড়ীব্ৰণ, গলবেৰা, ঘোৰাশলথা, টেটুৱা, গলহেঙ্গেৰা আদি ভয়ানক ৰোগ বিলাক আশ্চৰ্য্য ৰূপে আৰোগ্য কৰে। সেইবিলাক উৎকৃষ্ট বনৌষধি শিকি লৈ আয়ুৰ্ব্বেদীয় দ্ৰব্য গুণ বিধানত মিলায় চালে উৎকৃষ্ট ৰোগ বিলাক নাশ কৰা ক্ষমতা থকা কথা ভালকৈ জানিব পাৰি। চিকিৎসক সকলে তাচ্ছিল্য নকৰি গাৱলীয়া মূল্য-বান ঔষধ বিলাক শিকি লোৱা উচিত। আয়ুৰ্ব্বেদীয় ঔষধৰ মহিমা ইমান বেচি যে, যদি কোনো লোকে নাৰীজ্ঞান ভালকৈ নেজানে বা ৰোগ চিনিব নোৱাৰে, তথাপি অষ্ট মহাব্যাধি আৰোগ্য হোৱা বৃহৎ কাঞ্চনাভ্ৰ ৰস, ত্ৰিবঙ্গ ভস্ম, পেট্ৰলী ৰস, নীলকণ্ঠ, মহানীলকণ্ঠৰ ৰস আদি মূল্যবান ঔষধ থাকিলে প্ৰয়োগকৰা মাত্ৰে প্ৰায় সকলো ৰোগৰ পৰা মুক্তিলাভ কৰে। স্বৰ্ন-জীৰ্ণ মকৰধ্বজৰ গুণ আজি যেনেকৈ শিক্ষিত সম্প্ৰদায়ে জানিব পাৰিছে ৮০ প্ৰকাৰ বায়ু, ৪০ প্ৰকাৰ পিত্ত আৰু সকলো প্ৰকাৰ কফৰ দোষ খণ্ডন কৰা দৰবৰ গুণ জানিব পাৰিলে নিশ্চয় ভদ্ৰলোক সকলে আয়ুৰ্ব্বেদীয় মূল্যবান ঔষধ বিলাক লগত ৰাখিবলৈ ইচ্ছুক হ'ব।

আয়ুৰ্ব্বেদোক্ত নাড়ী বিজ্ঞান প্ৰত্যেক চিকিৎসকৰ জনা উচিত। আমেৰিকা যুক্ত প্ৰদেশৰ গত পূৰ্ব্ব প্ৰেচিডেণ্ট সুস্থ হৈছে বুলি চিকিৎসক সকলে প্ৰকাশ কৰি নিশ্চিন্ত হোৱাৰ ঠিক ৩ ঘণ্টাৰ পিচত ইহধাম পৰিত্যাগ কৰে। নাড়ীজ্ঞান জনা থকা হলে চিকিৎসকৰ ভুল হব নোৱাৰিলে হেতেন। পাশ্চাত্য চিকিৎসা বিজ্ঞানৰ গৱেষনাৰ নিমিত্তে লক্ষ লক্ষ টকা ইউৰোপ আমেৰিকাত খৰচ হৈ থাকিলেও কোনো জাৰিত ধাতু দ্ৰব্যাদি ঔষধত প্ৰয়োগ কৰা প্ৰণালী প্ৰচলিত হোৱা নাই গতিকে জীৰ্ণ বা পুৰণি বেমাৰ বিলাক আয়ুৰ্ব্বেদীয় ঔষধৰ নিচিনাকৈ একেবাৰে আৰোগ্য কৰিব পৰা নাই। অৱশ্যে এলোপেথিক চিকিৎসক সকলেও বৰ্ত্তমান মকৰধ্বজ আৰু ভাৰতীয় বনৌষধি অশ্বগন্ধা, গুলঞ্চ,

বাসক ও চিৰতা আদিৰ সাৰ ( Extract )ব্যৱহাৰ কৰিছে; কিন্তু নাড়ীজ্ঞান সম্বন্ধে মনযোগ দিয়া নাই। আয়ুৰ্ব্বেদী চিকিৎসক সকলে আজিলৈকে পাশ্চাত্য দেশৰ কোনো উদ্ভিদ বা এলোপেথিক কোনো ঔষধকে ব্যৱহাৰ কৰা নাই। Red cincona গছ আমাৰ দেশত থকা স্বত্বেও আমাৰ চিকিৎসক সকলে কুইনাইন তৈয়াৰ কৰি ব্যৱহাৰ কৰা নাই। কাৰণ আয়ুৰ্ব্বেদীয় চিকিৎসাৰ গ্ৰন্থ সকলো ৰোগৰ ঔষধেৰে পৰিপূৰ্ণ। তেওঁেত সকলে অন্যৰ দৰে অভাৱত নপৰে। ইফালে ত্ৰিকালজ্ঞ ঋষি সকলে ভাৰতৰ সকলো বনৌষধি ও অন্যান্য বস্তু বা দ্ৰব্যৰ গুণ এনে সুন্দৰকৈ লিখি গৈছে যে নিজেও ঔষধ প্ৰস্তুত কৰি চিকিৎসা কৰিবলৈ সমৰ্থ। জগতৰ অন্যান্য ঠাইত এনে বিশদ ৰূপে দ্ৰব্যগুণ নিৰ্ণয় কৰিবলৈ সমৰ্থ হোৱা নাই। কিন্তু আয়ুৰ্ব্বেদী চিকিৎসাৰ গৱেষণা হিন্দু ৰাজত্বৰ লগে লগে আজি অনেক দিনৰ পৰা বন্ধ আৰু আমাৰ গভৰ্ণমেণ্টৰ পৰা বিশেষ কোনো সহায় পোৱা নাই। বেঙ্গল গভৰ্ণমেণ্টে মেদিনীপুৰ; মৈমনসিং আদি ঠাইত খন চেৰেক charitable Dispensary খুলি দিছে। আসামত সিও নাই। ৺সুৰেন্দ্ৰ বাবুৰ চেষ্টাত নহলে বেঙ্গলতো হোৱাৰ আশা নাছিল। কেৱল নিজৰ গুণৰ ওপৰত নিৰ্ভৰ কৰি আয়ুৰ্ব্বেদী চিকিৎসা নিজে জীয়াই আছে। আয়ুৰ্ব্বেদী ঔষধৰ ভিতৰত তেল, ঘিউ, মোদক, খণ্ড, অৱলেহ আসৱ, অৰিষ্ট আদি বৰি আৰু পনীয়া দ্ৰব্যৰ বাহিৰেও যেনেকৈ ব্যৱহৃত হয় অন্যান্য দেশৰ চিকিৎসাৰ ভিতৰত আজিলৈকে তেনে মহা উপকাৰী ঔষধৰ প্ৰচলন হোৱা নাই। তাৰ বাহিৰেও আন আন দেশৰ চিকিৎসাত সন্নিপাত জ্বৰ, প্ৰমেহ, কফ, পিত্ত বায়ুৰ ঔষধো যথেষ্ট পৰিমাণে নাই।

ইপিনে আয়ুৰ্ব্বেদী চিকিৎসক সকলে পৰ্ব্বে আমাৰ নিদানত নোহোৱা পীড়াৰ চিকিৎসা ওপৰত উল্লেখ কৰা ভাল ভাল ঔষধৰ দ্বাৰাই চিকিৎসা কৰি ৰোগ-আৰোগ্য কৰে যদিও তত্ৰাচ মেলেৰীয়া জ্বৰ, কালাজ্বৰ, Black water fever, ও নিউৰ প্লেগ, নিউমোনীয়া, চেৰিব্ৰেল ও মেলিগমেণ্ট মেলেৰীয়া আদি নতুন ৰোগ বিলাকৰ নিদান আয়ুৰ্ব্বেদী নিদানত সন্নিবেশিত কৰা উচিত। মাধৱ নিদান বা আয়ুৰ্ব্বেদ দৰ্শনাদি গ্ৰন্থত লিখা নিদান আজি-কালিৰ নিমিত্তে যথেষ্ট নহয়। সময় উপযোগী নিদান হোৱা উচিত আৰু পূৰ্ব্বৰ দৰে শুশ্ৰুতৰ অস্ত্ৰ চিকিৎসা শিক্ষা আৰু প্ৰয়োগ-কৰা নহলে চিকিৎসাৰ সুবিধা নহয়। পাশ্চাত্য বিজ্ঞানবিদ্ সকলে Ex-ray বাহিৰ কৰি শৰীৰৰ ভিতৰত থকা পীড়া বা দোষ নিৰ্ণয় কৰিছে। আয়ুৰ্ব্বেদী চিকিৎসক সকলে অন্ততঃ নাড়ীজ্ঞান শিনি ভালকৈ জনা উচিত।

আয়ুৰ্ব্বেদী চিকিৎসক সকলে যদি প্ৰকৃততেই কায়-মনো বাক্যে চিকিৎসাৰ উন্নতি সাধন কৰিব খোজে অন্ততঃ আয়ুৰ্ব্বেদ সাৰ সংগ্ৰহ, আয়ুৰ্ব্বেদ কল্পতৰু আদি অসমৰ প্ৰাচীন বহুমূলীয়া গ্ৰন্থবিলাক অসমীয়ালৈ তৰ্জ্জমা কৰি মুদ্ৰিত কৰি প্ৰচাৰ কৰিলে, জন সমাজৰ অনেক মঙ্গল হব। এই বিষয়ে আমি আমাৰ অসমীয়া সদাশয় লোকৰ ও গভৰ্ণমেণ্টৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

আয়ুৰ্ব্বেদত ৰসায়ণ সম্বন্ধেও উপদেশ আছে। তাৰ পৰা সুবৰ্ণাদি তৈয়াৰ কৰিব পাৰি। কিন্তু গৱেষণা নোহোৱাত আৰু পয়চা খৰচ ও পৰিশ্ৰম কৰি যত্ন নকৰাত কাৰ্য্য সিদ্ধি হোৱা টান হৈ উঠিছে। অৱশ্যে এই বিষয়ে কৃতকাৰ্য্য হব পৰা হলে চিকিৎসক সকলে অন্নৰ ওচৰত হাত পাতিব নেলাগিল হেতেন।

পাঞ্জাব, বেঙ্গল, মাদ্ৰাজ আদি দেশত আয়ুৰ্ব্বেদীয় চিকিৎসাৰ উন্নতিৰ নিমিত্তে ঠায়ে ঠায়ে স্কুল কলেজাদিৰ প্ৰতিস্থা কৰি আগ বাঢ়িবলৈ যত্ন কৰিছে, আমাৰ চিকিৎসক সকলেও কেৱল দৰৱ তৈয়াৰিৰ সংস্কৃত শ্লোককেই মুখস্থ কৰি মানুহক শুনালে নচলিব, যাতে ভাৰতত জাতি হিচাবে থিয় দিব পাৰি, তাৰ নিমিত্তে যত্ন কৰা উচিত।

অন্ততঃ এখন আয়ুৰ্ব্বেদীয় চিকিৎসালয় ও বিদ্যালয় অসমত স্থাপন কৰিবৰ নিমিত্তে আমাৰ গৱৰ্ণমেণ্ট আৰু অৱস্থাপন্ন লোক সকল যত্নপৰ হোৱা উচিত; নহলে অসমীয়া বহুমূলীয়া আয়ুৰ্ব্বেদী চিকিৎসাৰ অস্তিত্ব একেবাৰেই লোপ পাব।

শ্ৰীঠাকুৰচন্দ্ৰ বড়ুৱা।

# ব্যাসাশ্ৰম পুথি।

## (চমু টোকা)

ব্যাসাশ্ৰম নামৰ পুৰণি সাঁচিপতীয়া অপ্ৰকাশিত পুথি এখন কেইদিন মানৰ কাৰণে মোৰ হাতত পৰিছিল। পুথিৰ মালিক হৈছে—গোলাঘাটৰ ৰূপকলীয়া গাঁৱৰ শ্ৰদ্ধেয় শ্ৰীযুত ৰত্নধৰ মহন্ত মহাশয়। এই নামৰ সচিত্ৰ পুথি এখন মই শিৱসাগৰ কোৱামৰা সত্ৰতো দেখি আহিছোঁ। লিখক একে জনাই। বৰ সন্তোষৰ বিষয় যে, এই ব্যাসাশ্ৰম পুথিখন শ্ৰীযুত মহন্ত মহাশয়ে মোক বৰ আগ্ৰহেৰে চাবলৈ দিছিল। কোনোৱে যদি পুথিখন প্ৰকাশ কৰিব খোজে, তেন্তে তেখেতে বৰ ৰং মনেৰে দিব।

পুথিখনৰ পাত ১২২ টা। শেষৰ ১২৩ নম্বৰী পাতৰো এপিঠিত মাত্ৰ ৪॥ শাৰী মান পদ লিখা আছে। গোটেই পুথিখন ছয়ো পিঠিতেই লিখা। আখৰ অতি সুন্দৰ। প্ৰতি পিঠিত ১১ শাৰীকৈ আছে। পুথিৰ দীৰ্ঘ=১৮৮ ইঞ্চি, পুতল—৫॥ ইঞ্চি। আন পুৰণি পুথিৰ দৰেই একোশাৰী কথা একোটা শব্দৰ দৰে একে লগে লিখা।

আগৰ দিনত প্ৰধানকৈ এই তিনিটা কেন্দ্ৰত পুথি ৰচনা কৰা হৈছিল যেনে:—কোচ-ৰাজ-সভা, দৰং-ৰাজ-সভা আৰু আহোম-ৰাজ-সভা। মহাৰাজ নৰ-নাৰায়ণৰ চন্দন-চ'ৰাৰ সৌৰভ গোটেই উত্তৰ-পূব ভাৰতত বিয়পি পৰিছিল। অসমৰ সত্ৰ সমূহো পুথি প্ৰণয়নৰ একোটা কেন্দ্ৰ-স্থল আছিল। প্ৰত্যেক সত্ৰই ধৰ্ম্ম আৰু জ্ঞানৰ পোহৰ বিতৰণ কৰিছিল।

ব্যাসাশ্ৰম পুথি মহাৰাজ নৰ-নাৰায়ণৰ আদেশ মতে কবি ভাৰত চন্দ্ৰে লিখা। এই কবি জনাৰ বিশেষ বিৱৰণ পোৱা নাই যদিও তেওঁ যে এজনা সাধক বৈষ্ণৱ আছিল, সি সুনিশ্চিত। পুথিখনৰ আৰম্ভনীৰে পৰা ইয়াত কেইটামান পদ প্ৰকাশ কৰা হল—

### শ্ৰীকৃষ্ণায় নমঃ॥

জয় নমো নাৰায়ণ নিত্য নিৰঞ্জন।
অনন্ত অচ্যুত সদা শিৱ সনাতন॥
ব্ৰহ্মা হৰ সঙ্কৰ্ষনে জাহাক ধিয়ায়।
সহস্ৰ আননে জাৰ গুণ বখানয়॥১॥
কোটি ব্ৰহ্মাণ্ড ৰোমৰন্ধ্ৰে বাহিৰায়।
নমো পূৰ্ণ ব্ৰহ্ম আদি দেৱ ভগৱন্ত॥
প্ৰকৃতি পুৰুষ জাৰ কটাইক্ষতে হয়।
তেনয় মাধৱ মোত হৈয়ো জয় জয়॥২॥
তিনি বিষ্ণু চাৰি নাৰায়ণ ৰূপ জাৰ।
যদসাই হলধৰ আদি অৱতাৰ॥
বিসুদ্ধ ব্ৰহ্মৰ মুৰ্ত্তি ভৈলা ঘনশ্যাম।
হেন কৃষ্ণ পদে কৰোঁ সহস্ৰ প্ৰণাম॥৩॥
কৃষ্ণ পদ পঙ্কজক হৃদয়ত ধৰি।
গুৰুৰ চৰণ দুই সিৰোগত কৰি॥
দৈপায়ণ মাৰ্কণ্ডেয় মুনিৰ সম্বাদ।
সকলো সাস্ত্ৰৰ সাৰ কথা বন্ধে পদ॥৪॥
অষ্টাদশ পুৰাণ ভাৰত অষ্টাদশ।
মহা পুৰাণৰ কথা আদি মহাৰস॥
সৱে কথা বিৰচিবো একত্ৰ মিসলে।
জেন পঞ্চামৃত স্বাদ অতিশয় বলে॥ ৫॥
সদাতি ভাৰত চন্দ্ৰ কৃষ্ণ পদ দাস।
কৰিছো ভাৰসা প্ৰভু নকৰা নৈৰাস॥
জয় নৰ নাৰায়ণ ৰাজ্য মধ্যে সাৰ।
জাহাৰ আজ্ঞাত আমি ৰচিলো পয়াৰ॥৬॥
শুনা সভাসদ ব্যাসশ্ৰম কথা সাৰ।
বৈকুণ্ঠক চলিবাক ইচা আছে জাৰ॥
মহা গোপ্য ৰূপে আছিলেক ইতো কথা।
মাৰ্কণ্ডেয় আগত বেকত ভৈলা তথা॥৭॥

এক দিনা মৃকণ্ডু তনয় মুণি সন্ত।
পাণ্ডুৰক স্মৰি দুখৰ নাহি অন্ত।
দৈপায়ন ঋষিকো কৰিলা অহঙ্কাৰ।
মনে গুণি গান্থি কিচো নপায়ন্ত পাৰ ॥ ৮ ॥
ব্ৰহ্মক চিন্তিয়া পুণু সমাধি ধৰন্ত।
মনে বোলে মোৰ দুখ হৈবে অপৰ্য্যান্ত ॥
এতেকেসে নৈমিসা ক্ষেত্ৰক চলি জাঞ্চ।
ব্যাসৰ আগত গৈয়া মিনতি বিনাঞ্চ ॥ ৯ ॥
মহাজন দৈপায়ন ক্ষমা কৰিবন্ত।
তেবে মোৰ সকলে নিৰ্ণয় গুচিবন্ত ॥
বৈষ্টবৰ নাহিকে মনত অভিমান।
নিন্দা স্তুতি সত্ৰু মিত্ৰ সবাতে সমান ॥
এতেকে মোহোৰ সবে দোষ ক্ষেমিবন্ত।
তাহান সমান নাহি মহন্ত একান্ত ॥
এহিমতে গুণি চিত্ত কৰিলন্ত থিৰ।
সিশ্যে সমে পাছে চলিলন্ত মহাধিৰ ॥ ১১ ॥
দিনা কতিপয়ে জাই ক্ষেত্ৰক পাইলন্ত।
মহা ঋষি ব্যাসৰ আশ্ৰম দেখিলন্ত ॥
চন্দ্ৰমালা নামে নদী তাহাৰ তিৰত।
আচয় ঋষিৰ সত্ৰ চাৰি প্ৰহৰত ॥ ১২ ॥
তাহাৰ অন্তত ব্যাস ঋষিৰ আশ্ৰম।
দেখিলন্ত স্থান খান পৰম সোভন ॥
নানা বিধ পুষ্প ফলে কৰে ঝাতি কাৰ।
পশু পক্ষি সবো তাত আচয় অপাৰ ॥ ১৩ ॥
মহা ৰম্য স্থান আতি পৰম গহন।
সবাৰো অগম্য জাত বিষ্ণু সন্নিধান ॥
সেহি আশ্ৰমতে ঋষি শিষ্যে সমে বসি।
হৰিক প্ৰসঙ্গ কৰি আচন্ত হৰিসি ॥ ১৪ ॥
হেন সময়ত জাই মৃকণ্ডু তনয়।
ভৈলন্ত প্ৰবেস দেখি আনন্দ হৃদয় ॥
দেখি দৈপায়নে কতো দুৰে চাহি আছে।
অনন্তৰে সন্নিত চাপিল জাই পাছে ॥ ১৫ ॥

মুল পুথিৰ বানান ঠিক ৰাখি ইয়াত এই কেইটা পদ প্ৰকাশ কৰা হ'ল। পুথি খনৰ কোনো কোনো ঠাইত পদৰ নম্বৰ দিয়া নাই; কোনো কোনো ঠাইত আকৌ পদৰ মিল নাই। পুথিৰ ৮৮ পিঠিত পদৰ নম্বৰ ১৫৯৫ আছে; তাৰ পাচত আকৌ পদৰ নম্বৰ ৩১৩ আছে। শেহৰ পদৰ নম্বৰ ৮৩২ আছে। আন আন প্ৰাচীন কবিৰ দৰেই এইজনা লিপকেও বানানলৈ লক্ষ্য কৰা নাছিল।

পুথিখন যোগ্য জনৰ হাতত পৰি প্ৰকাশিত হক— এনে ভাব মনত লৈহে এই কথা খিনি ইয়াত প্ৰকাশ কৰা হ'ল। ইতি—

শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস।

# গড়মূড় সত্ৰৰ চমু বুৰঞ্জী।

## ( সমালোচনা )

গোলাঘাটৰ শ্ৰীযুত লোকনাথ বৰুবাদেৱে প্ৰকাশ কৰা "গড়মূড় সত্ৰৰ চমু বুৰঞ্জীখনিৰ পৰা সত্ৰ সম্বন্ধে অনেক পুৰণি কথা জানিব পৰা হৈছে। এনে ধৰণৰ সত্ৰ সম্বন্ধীয় বুৰঞ্জী যিমান প্ৰকাশ হব, অসমীয়া সমাজৰ পৰা সিমান মনেপতা কথা বিদূৰিত হব বুলি আশা কৰা যায়। এই বুৰঞ্জীৰ ষষ্ঠ পিঠিত লিখিছে যে বংশী গোপাল ধৰ্ম্মভাবত অনুপ্ৰাণিত হৈ যেতিয়া মাধৱদেৱৰ ওচৰ পালেগৈ আৰু সকলো কথা জনালে তেতিয়া মাধৱদেৱে কলে "তোমাৰ দীক্ষাগুৰু দামোদৰদেৱ হব। সম্প্ৰতি তুমি পাট বাউসীলৈ গৈ শাস্ত্ৰ মতে ভাগৱতী ধৰ্ম্মত দীক্ষিত হোৱাগৈ তাৰ পাচত আমাৰ ওচৰলৈ আহিবা"। এই কথাই দামোদৰদেৱ আৰু মাধৱদেৱৰ ভিতৰত কিবা মনোমালিন্য থকাৰ সূচনা কৰিব পাৰেনে? সেই পিঠিতে আৰু আছে যে মাধৱ দেৱ দামোদৰদেৱ গোট খাই সমাজ পাতি বংশী গোপালক পুব অঞ্চলত ধৰ্ম্মপ্ৰচাৰ কৰিবলৈ পঠালে। এইবিলাকে প্ৰমাণ কৰে যে তেখেতসকলৰ দিনত ভাগৱতী ধৰ্ম্মকে দুয়োজনে অভিন্ন ভাবে প্ৰচাৰ কৰিছিল। তেখেত সকলৰ ভিতৰৰ মনোমালিন্য বা মতভেদ পৰবৰ্ত্তী চৰিত্ৰকাৰ আৰু সংকীৰ্ণমনা শিষ্যসকলৰ কল্পনা বা পানীৰ ঔটেঙ্গা মাথোন।

সেই বুৰঞ্জীৰে ১৪ পিঠিত লিখা শঙ্কৰদেৱৰ ভাৰ্য্যাই বিষ্ণুপুৰত বংশী গোপালক ভোজন কৰোৱা কথাই প্ৰমাণ কৰে যে ভাগৱতী ধৰ্ম্মত যথাৰ্থৰূপে দীক্ষিত হোৱা লোক কেনে অমায়িক।

কিন্তু বুৰঞ্জীখনিত বংশ; পৰিচয় সম্বন্ধে কিছু বেমেজালি ঘটা যেন পোৱা গৈছে। দ্বিতীয় পিঠিত আছে যে ধৰ্ম্মাই বা বলদেৱৰ পুত্ৰ বংশী গোপাল। ইপিনে ১৪ পিঠিত আছে যে ধৰ্ম্মাই বংশী গোপালৰ খুৰাক। আকৌ ২৩ পিঠিত আছে যে গোপাল মূৰ্ত্তিখনি বংশী গোপালে তেওঁৰ পিতাক কৰ্ম্মাইৰ পৰা উত্তৰাধিকাৰী স্বত্বে পায়। এই সম্বন্ধে নগাওঁৰ কোৰচোং সত্ৰত পোৱা সন্তমালা পুথিত থকা বংশাবলী তলত প্ৰকাশ কৰা হল। যদি উল্লিখিত বুৰঞ্জীত থকা হৰিৰৰ আচাৰ্য্যৰ অন্য নাম ভুবনেশ্বৰ আৰু তেখেতৰ মাথোন তিনিজন হে পুত্ৰ আৰু এই বংশাৱলীত দিয়া ৰূপাল আৰু কৰ্ম্মাই একে জনেই তেনেহলে দ্বিতীয় পিঠিৰ ধৰ্ম্মাইৰ ঠাইত কৰ্ম্মাই দিলেই বেমেজালি গুচে। তাৰ উপৰি বুৰঞ্জীখনিত লক্ষ্মীনাৰায়ণ দেৱৰ বিশেষ পৰিচয় দিয়া হোৱা নাই। ১৭ পিঠিত আছে "মিশ্ৰদেৱ গোসাইৰ ৰামচন্দ্ৰদেৱ আৰু কৃষ্ণচন্দ্ৰদেৱ নামে দুটি পুত্ৰ সন্তান আছিল। লবিদেৱৰ স্বৰ্গাৰোহণৰ সময়ত লক্ষ্মীনাৰায়ণ দেৱ আৰু ৰামচন্দ্ৰদেৱ নাবালক আছিল।" ২০ পিঠিত লক্ষ্মীনাৰায়ণ দেৱ তোলনীয়া পুতেক বুলি উল্লেখ কৰা আছে। তলত প্ৰকাশ কৰা বংশাৱলীৰ পৰা গড়মূড় সত্ৰৰ প্ৰতিষ্ঠাতা লক্ষ্মীনাৰায়ণ দেৱৰ বংশ পৰিচয় বিশেষভাবে পোৱা যায়।

এই খনি বুৰঞ্জীত লক্ষ্মীনাৰায়ণ দেৱৰ পৰা আৰম্ভ কৰি পৰবৰ্ত্তী অধিকাৰসকলৰ বংশ পৰিচয় দিয়া হোৱা নাই। ১ আৰু ২ পিঠিত অধিকাৰসকলৰ যি উল্লেখ কৰা হৈছে ৩৪ পিঠিত দিয়া বংশাৱলীৰ লগত তাৰ মিল নাই। মিশ্ৰদেৱ যে বংশীগোপাল দেৱৰ বংশধৰ নহয় তাক আগতে উল্লেখ কৰা হৈছে।

## সন্তমালাৰ পৰা উদ্ধৃত বংশাবলী।

বিশ্বসেন
- ভূবনেশ্বৰ।
  - কৃপাল ভাৰ্য্যা যমুনা
    - বংশী গোপাল, সত্ৰ-কুৰবাহী ( ১ )
      - শিষ্য হৰিমিশ্ৰ ( ২ ) ভাৰ্য্যা-ৰেৱতী বংশী গোপালৰ পাচৰ ধৰ্ম্মাচাৰ্য্য
        - সুভদ্ৰা,
        - ৰামদেৱ,
        - কৃষ্ণদেৱ ( ৪ ) লৰিদেৱৰ পাচৰ ধৰ্ম্মাচাৰ্য্য
  - ধৰ্ম্মাই
    - গদাপানি
      - জয়হৰি বা লৰিদেৱ ( ৩ ) হৰিমিশ্ৰৰ পাচৰ ধৰ্ম্মাচাৰ্য্য।
  - কৰ্ম্মাই
  - পৰমায়
    - মধুৰাম
      - ৰামচৰণ
        - লক্ষ্মীনাৰায়ণ। সত্ৰ গড়মূড়।
    - বাসুদেৱ

এই চলতে এনে আশা কৰিলে বোধ হয় অযথা বংশ পৰিচয় একোখনি যুগুত কৰিবলৈ যত্নপৰ হয় নহব যে প্ৰত্যেক সত্ৰই যেন নিজ নিজ সত্ৰৰ অধিকাৰ আৰু প্ৰকাশ কৰিব নোৱাৰিলে নিজ নিজ সত্ৰতে সকলৰ সত্ৰ স্থাপিত হোৱা কালৰে পৰা বৰ্ত্তমানলৈকে সযত্নে ৰাখে।

শ্ৰীৰামেশ্বৰ বৰুৱা।

---

# অসমৰ থান সত্ৰৰ পৰিচয়।

## ( আগ কথা। )

আজি কেইবা বছৰৰ আগতে "সন্তমালা" নামে পুথি এখনি মোৰ হাতত পৰিছিল। পুথিখনি আকাৰত ডাঙৰ আৰু পদ পয়াৰত লিখা। পুথিখনিৰ হুবহু নকল এটি ৰখা অসম্ভৱ যেন দেখি তাৰ সাৰাংশৰ টোকা এখনি ৰাখিছিলোঁ। পুথিখনি থান সত্ৰ আৰু স্থাপিত হোৱা সময়ৰ সন্ত মহন্ত সকলৰ কথা লৈয়ে লিখা হৈছিল। আতা, মহন্ত, সত্ৰীয়া এইবিলাক বাৰ হে ধৰ্ম্মাচাৰ্য্য সকলে পোৱা বুলি পুথিখনিত উল্লেখ কৰা পোৱা গৈছিল।

নবদেৱ ট্ৰষ্ট ফণ্ডৰ পৰা অসম সাহিত্য সভাই প্ৰকাশ কৰা শ্ৰীশ্ৰীদামোদৰদেৱৰ চৰিত্ৰৰ পৰা প্ৰমাণ হয় যে শ্ৰীশ্ৰীশঙ্কৰদেৱৰ সঙ্গত শ্ৰীশ্ৰীদামোদৰদেৱ আছিল আৰু দুয়ো-জনে প্ৰচাৰ কৰা ধৰ্ম্মও একে ভাগৱতী ধৰ্ম্মহে। ৮দত্তদেৱ গোঁসায়ে প্ৰকাশ কৰা বংশী গোপালৰ চৰিত্ৰ আৰু অলপতে প্ৰকাশ হোৱা গড়মূৰ সত্ৰৰ চমু বুৰঞ্জীৰ পৰা প্ৰমাণ পোৱা যায় যে শ্ৰীশ্ৰীগোপালদেৱে শ্ৰীশ্ৰীমাধৱদেৱৰ পৰা ভক্তি গ্ৰহণ কৰি উজনিত সত্ৰ পাতে। সেই বাবেই তেখেত সকলৰ পৰা বঢ়া সত্ৰ বা থান বিলাকো "সন্তমালা"ত উল্লেখ হোৱা মতেই ইয়াৰ অন্তৰ্ভুক্ত কৰা হল।

ইয়াক প্ৰকাশ কৰাৰ উদ্দেশ্য এই যে সত্ৰ বা থান বিলাকৰ আঁতিগুৰিৰ আভাষ সকলোৱে পাব আৰু থান সত্ৰ বিলাকেও ইয়াত কিবা ভুল থাকিলে শুধৰাবলৈ যত্নপৰ হব। বোধ হয় বৰ্ত্তমানত থকা সকলো থান সত্ৰই নিজ নিজ ইতিবৃত্তি ৰাখি আছিছে। যি বিলাক থান সত্ৰই ইয়াত দিয়া কথা বিলাক নিৰ্ভুল পায় সেইবিলাকে যেন ইয়াৰ লগত খাপ খুৱাই নিজ নিজ পৰিচয় বৰ্ত্তমানলৈকে যুগুত কৰে; যি বিলাকে ভুল পায় সেই বিলাকে যেন প্ৰমাণে সৈতে ভুল বিলাক ৰাইজৰ আগত দাঙি ধৰে। সকলো কথা প্ৰকাশ হলেহে আচল তথ্যত যেয়ে সেয়ে উপনিত হব পাৰে।

তাৰ উপৰিও ৮ৰাম ৰাম গুৰুৰ বংশধৰ সকলেই এতিয়ালৈকে বৰপেটা থানত সত্ৰীয়া হৈ আছিছে কিন্তু শ্ৰীশ্ৰীশঙ্কৰদেৱৰ দিনৰে ৮হৰি গুৰুৰ থান সত্ৰৰ উল্লেখ ইয়াত নাই। সেই বিলাকো ইয়াৰ লগতে প্ৰকাশ হৈ গোটেই অসমৰ থান সত্ৰ বিলাকৰ ইতিবৃত্তি এখনি প্ৰকাশ হলে পৰম গৌৰৱৰ কথা হয়। অসমত "সত্ৰ সভা" এখনি স্থাপিত হোৱা আজি কেইবা বছৰো হল। এই সভাই এনে এটি কাম হাতত লব বুলি আশা কৰা হল।

আগতে উল্লেখ কৰা "সন্তমালা"ৰ টোকা খনিৰ পৰা এই "অসমৰ থান সত্ৰৰ পৰিচয়" খনি যুগুত কৰি প্ৰকাশ কৰা হল।

# শ্ৰীশ্ৰীশঙ্কৰদেৱ।

## বংশ পৰিচয়

ক্ৰমান্বয়ে—পূৰ্ণানন্দগিৰি—জয়গিৰি— মুৰলগিৰি— চন্দ্ৰগিৰি— গন্ধগিৰি— ৰামগিৰি— কৃষ্ণগিৰি— সুবৰ্ণগিৰি— চৰিবৰ— কৃষ্ণকান্তি— লণ্ডাদেৱ— চণ্ডিবৰ— ৰাজধৰ— সূৰ্য্যবৰ— কুসুম্বৰ ( ভাৰ্য্যা সত্যসন্ধা )—শ্ৰীশ্ৰীশঙ্কৰদেৱ

শ্ৰীশ্ৰীশঙ্কৰদেৱৰ জন্ম—১৩৭১ শকৰ কাতি মাহৰ সংক্ৰান্তি ৰবিবাৰ আমাবস্যা তিথি।

মৃত্যু—১৪৯০ শকৰ ভাদ্ৰ মাহৰ শুক্লা দ্বিতীয়া তিথি।

শ্ৰীশ্ৰীশঙ্কৰদেৱে প্ৰচাৰ কৰা ভাগৱতী ধৰ্ম্ম প্ৰবৰ্ত্তন কৰা প্ৰধান প্ৰধান লোক আৰু আজ্ঞাপৰ সত্ৰ আৰু থান—

ৰাম ৰাম গুৰু— দামোদৰদেৱ (সত্ৰ পাটবাউসী ) ভবানন্দ বা নাৰায়ন ঠাকুৰ বা ঠাকুৰ আতা ( থান জনীয়া ). হৰিগুৰু. মাধৱদেৱ ( থান গণককুচী )।

শ্ৰীশ্ৰীশঙ্কৰদেৱে ধৰ্ম্মৰ ভাৰ মহাপুৰুষ মাধৱদেৱৰ ওপৰত অৰ্পণ কৰি বৈকুণ্ঠপয়াণ কৰে।

—০—

## শ্ৰীশ্ৰীশঙ্কৰদেৱৰ সন্তান-সন্ততি।

ভাৰ্য্যা—( ১ ) বিৰিঞ্চি ভূঞাৰ কন্যা সূৰ্য্যৱতী। সূৰ্য্যৱতীৰ গৰ্ভত জন্ম হোৱা কন্যা মনু। মনুক বাহনা ভূঞাৰ পুত্ৰ হৰিক বিয়া দিয়ে। হাতীৰ পাল ৰাখিব নোৱৰা অপৰাধত আহোম ৰজাই হৰিক কটায়।

( ২ ) গণ্ডগিৰিৰ কন্যা কালিন্দ্ৰী।

কালিন্দ্ৰীৰ গৰ্ভত জন্ম হোৱা।

পুত্ৰ | কন্যা

ৰমানন্দ কমললোচন হৰিচৰণ | ৰুক্মিনী বিষ্ণুমতি

ৰমানন্দ: ভাৰ্য্যা-বিৰম ভূঞাৰ কন্যা সুমতি
| 
পুৰুষোত্তম
ভাৰ্য্যা—হৰিসিং বৰাৰ কন্যা লক্ষীপুৰী
|
অনন্তপুৰী কেহোঁপুৰী ভোগপুৰী

হৰিচৰণ: ভাৰ্য্যা-গোপাল জমিদাৰৰ কন্যা বিষ্ণুমতি
|
চতুৰ্ভুজ কান্তিপুৰী গোবিন্দপুৰী

চতুৰ্ভুজ: ভাৰ্য্যা-(১) কনকলতা, (২) মুকুন্দপুৰী (৩) ৰেৱতী
| (১) সুভদ্ৰা দৈৱকীনন্দন, | (৩) সুমিত্ৰা

গোবিন্দপুৰী: স্বামী বকুলআতা
|
দামোদৰ



অনন্তপুৰী
স্বামী—মাধৱানন্দ গিৰিৰ পুত্ৰ ৰামগিৰি।
ৰামগিৰিৰ ২য় ভাৰ্য্যা লক্ষীপুৰীৰ ভতিজাক কন্দ্ৰপুৰীৰ গৰ্ভত
|
নিৰঞ্জন
লক্ষীপুৰীয়ে পো বুলি লয়
বৰ বাৰজনীয়াই নাতি গোঁসাই পাতে।
ভাৰ্য্যা—বিজয় ভূঞাৰ কন্যা চন্দ্ৰপুৰী
|
চক্ৰপাণি (চামগুৰি) লাৰেঙ্গপাণি (দীঘলী) পদ্মপাণি (ভোগবাৰি) গদাপাণি (চৰাইখুলীয়া)

সুভদ্ৰা
স্বামী-জনাৰ্দ্দন ভূঞাৰ পুত্ৰ ৰামগিৰি
|
অনন্তৰাম
কনকলতাই পো বুলি লয়।
( শলগুৰি )

দামোদৰ
ভাৰ্য্যা শিৱমতি
|
ৰমাকান্ত
( নৰোৱা )

অনন্তৰাম আৰু ৰমাকান্তৰ ভিতৰত ৰবদোৱাত বিবাদ হৈ থান ত্যাগ হয়।

## ৺পুৰুষোত্তম ঠাকুৰ

১৪৮৩ শকৰ আঘোন মাহ ৰবিবাৰে জন্ম।

১৫১৩ শকৰ মাঘি পুণিমাত ধৰ্ম্মাচাৰ্য্য হয়।

১৫৫৩ শকৰ পুহ মাহৰ কৃষ্ণা চতুৰ্দ্দশীত মৃত্যু।

## আজ্ঞাপৰ থান আৰু প্ৰথম মহন্ত

(১) কুৱঁৰী চোং বা কোৰচোং ( কেশৱ ), ( ২ ) পুনীয়া ( পৰশুৰাম ), ( ৩ ) চটনা ( বাসুদেৱ ) ( ৪ ) চেকেৰাতল ( গোপীনাথ ), ( ৫ ) শাওকুচি ( হৰিচৰণ ). ৰতনপুৰ ( প্ৰেমানন্দ ) ( ৭ ) বেঙ্গেনাআটি ( মুৰাৰি ), ( ৮ ) লেটুগাওঁ ( বাপুকৃষ্ণ ) ( ৯ ) গোমোথা ( ৰামকৃষ্ণ ), ( ১০ ) কাঠৰ ( মুকুন্দ ) ( ১১ ) চুপহা ( কৃষ্ণচৰণ ) ( ১২ ) ঠকবিয়াল ( কমললোচন )।

এই সকল মহন্ত ১৫১৪ শকত পতা হয় আৰু বৰ্ত্তমানত বৰ বাৰজনীয়া মহন্ত বোলে।

—০—

## ৺চতুৰ্ভুজ ঠাকুৰে পতা থান আৰু মহন্ত

( ১ ) কুৱৰীচোং ( কেশৱ ), ( ২ ) চুঙ্গাপাৰ ( কানাই ), ( ৩ ) নাচনিপাৰ ( ৰামভাৰক ) ( ৪ ) বেলশিলিয়া ( সনাতন ), ( ৫ ) বনগৰা ( হৰি ). ( ৬ ) শলথৰ গুৰি ( ৰত্নাকৰ ), ( ৭ ) বিহিংপুৰ ( গোবিন্দ ), ( ৮ ) চালধিআটি ( মুকুন্দ ), ( ৯ ) গুজৰি ( জয়কৃষ্ণ ), ( ১০ ) ভণ্ডৰাল গ্ৰাম ( বিষ্ণু ), ( ১১ ) কাঁইমৰা ( গোপীনাথ ), ( ১২ ) মৰকটীয়া ( কাঠবাপু )

এই সকল মহন্তক সৰু বাৰজনীয়া বোলে।

—০—

## ৺চতুর্ভুজ ঠাকুৰৰ ভাগিনীয়েক দামোদৰে পতা থান আৰু মহন্ত

( ১ ) নেপালি ( ৰতিকান্ত ), ( ২ ) খাৰগাওঁ ( ৰত্নাকৰ ), ( ৩ ) বন্দুলি গ্ৰাম ( ৰামচৰণ ) ( ৪ ) ভূয়ঞি ( ৰায় নাতি ), ( ৫ ) নলন্তি ( হৰিচৰণ ), ( ৬ ) মোদলী ( দিগসিং বাপু ) ( ৭ ) মিশ্ৰমী ( জয়হৰি ), ( ৮ ) কোপতীয়া ( নাৰায়ণ ), ( ৯ ) মোটৰা ( হৰিচৰণ ), ( ১০ ) কালশিলীয়া ( অনন্ত ), ( ১১ ) দৰং ( নাৰদ বাপু ), ( ১২ ) পাত কটীয়া ( শ্ৰীৰাম) ( ১৩ ) কৰতি ( ৰামধন বাপু ), ( ১৪ ) বৰালিমৰা ( আত্মাৰাম )।

৺দামোদৰৰ থান বিষ্ণুপুৰ।

——০——

## শ্ৰীশ্ৰীমাধৱদেৱ।

### বংশ পৰিচয়

ক্ৰমান্বয়ে—কৃষ্ণৰাম ভূঞা—বিষ্ণু ভূঞা—গোপাল ভূঞা—কৃপাল ভূঞা—ৰাম ভূঞা—জনাৰ্দ্দন ভূঞা—চিদানন্দ ভূঞা—মুকুন্দ ভূঞা—

গোবিন্দ ভূঞা

শ্ৰীশ্ৰীমাধৱদেৱ | ৰামপুৰী

স্বামী—হোকোৰা কুচীৰ ৰামদাস বা গয়াপাণি।

ৰামচৰণ

( সুন্দৰীদিয়া )

শ্ৰীশ্ৰীমাধৱদেৱ—জন্ম—১৪১১ শকৰ মাঘ মাহৰ শুক্লাদশমী।

শিক্ষাগুৰু—বন্দুকাৰ ৰমানন্দ কন্দলী।

ধুৱাহাতা বা বেলগুৰিত শ্ৰীশ্ৰীশঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্ম গ্ৰহণ কৰে।

মৃত্যু—১৫১৮ শকৰ ভাদ মাহৰ কৃষ্ণ পঞ্চমী।

## আজ্ঞাপৰ প্ৰধান মহন্ত বা ধৰ্ম্মাচাৰ্য্য আৰু থান বা সত্ৰ

( ১ ) কুৰৱাহী ( বংশী গোপাল ), ( ২ ) দিছিয়াল ( গোপাল ), ( ৩ ) আধাৰ ( যদুমণি ), ( ৪ ) মুকুৱন ( কানুচান্দ ) ( ৫ ) লাই আটি ( শ্ৰীহৰি বাপু ), ( ৬ ) কালজাৰ ( ভবানীপুৰীয়া গোপাল )।

## আজ্ঞাপৰ অপ্ৰধান থান সত্ৰ আৰু মহন্ত

( ১ ) কোচবেহাৰ ( ধৰ্ম্মদেৱ ), ( ২ ) মধুপুৰ ( জয়ৰাম ), ( ৩ ) কৰতীয়াতীৰ ( হৰিদাস ) ( ৪ ) বৰপেটা ( কৃষ্ণমিশ্ৰ ), ( ৫ ) লোৰা ( অৰ্জ্জুন ) ( ৬ ) বাউশী ( ভেদেউদেউ ).



( ৭ ) ভোগপুৰৰ ওচৰত ( সন্তবাপু ) ( ৮ ) বেহাৰ ( বলোৰাম ), ( ৯ ) উলুবাৰী ( দামভুজ ) ( ১০ ) হালধিআটি ( কপিল ), ( ১১ ) হেলচী ( নাৰায়ণ ), ( ১২ ) চিৰাহাটি ( ৰূপ নাৰায়ণ ), ( ১৩ ) বৰ নগৰ ( যজ্ঞপতি ), ( ১৪ ) মালিবাৰি ( বেলমঙ্গল ) ( ১৫ ) টোবোছাৰ দাতি ( তুলসীদাস ), ( ১৬ ) ভানুগাওঁ ( ৰায় বল্লভ ), ( ১৭ ) মেটাৰী ) ( সৰ্ব্বানন্দ ), ( ১৮ ) সিঙ্গাৰ কুচী ( জয়দেৱ ), ( ১৯ ) বাকুৰ কুচী ( অঙ্কাদেৱ ), ( ২০ ) হোকোৰা কুচী ( বঙ্কাদেৱ ), ( ২১ ) উকপোতা ( হলধৰ ) ( ২২ ) ৰামভিটা ( সন্তানন্দ ):

## প্ৰধান আতা বা সত্ৰীয়া

( ১ ) মথুৰাদাস আতা ( বৰপেটা ), ( ২ ) শ্ৰীৰাম আতা ( ৩ ) পদ্মআতা ( কমলাবাৰি ), ( ৪ ) বৰবিষ্ণু আতা— ( ৫ ) বুঢ়ীৰ পো গোবিন্দ আতা, ( ৬ ) অচ্যুত গুৰু আতা ( ৭ ) লক্ষ্মীকান্ত আতা ( ৮ ) কলা গোবিন্দ আতা ( ৯ ) কেশৱচৰণ বা ভাতৌকুচী আতা ( ১০ ) কৃষ্ণ আতা, ( ১১ ) মাধ আতা ( পতিয়ৰী )।

——০——

## ৺ভবানন্দ বা নাৰায়ণ ঠাকুৰ।

### বংশ পৰিচয়

ক্ৰমান্বয়ে—বৰাহবিষ্ণু—নৰকেশ্বৰ—ভগদত্ত—বীৰবাহু—সুবাহু—স্বপচ্য বা শশধৰ—যশধৰ—ৰূপধৰ—ধৰ্ম্মধৰ

ভবানন্দ বা নাৰায়ণ ঠাকুৰ

পৰমানন্দ

( জনীয়া )

## অজ্ঞাপৰ থান আৰু মহন্ত

( ১ ) শিকলিগ্ৰাম ( বলোৰাম ), ( ২ ) কনভা ( কেশৱৰাম ) ( ৩ গোবিন্দপুৰ ( গোপীনাথ ), ( ৪ ) মণিৰৰী ( মধু ) ( ৫ ) কাঠনীপাৰ ( কামদেৱ ), ( ৬ ) মকুৱা ( মাধৱ ) ( ৭ ) গোৱালপাৰ ( হলধৰ ), ( ৮ ) হালধিপাৰ ( হৰি ) ( ৯ ) বাঁহপাৰ ( কমললোচন )।

——০——

## শ্ৰীশ্ৰীমাধৱদেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰৰ বংশ পৰিচয়।

ক্ৰমান্বয়ে—সৰস্বতী ভূঞা—যশপাল—হৰিপাল—ৰামপাল—কুপাল—গয়াপাণি ভাৰ্য্যা ৰামপুৰী—ৰামচৰণ।

——০——

### শ্ৰীশ্ৰীদামোদৰদেৱ

### বংশ পৰিচয়

ক্ৰমান্বয়ে—ৰঘুপতি কৃষ্ণাচাৰ্য্য—ৰামানন্দ—হৰিমিশ্ৰ--সৰ্ব্বানন্দ—সনাতন

সত্যানন্দ

শ্ৰীশ্ৰীদামোদৰদেৱ
( পাটবাউসী )

নিত্যানন্দ

কান্তদেৱ

মদন মোহন
( বটাধৰা বা বটগ্ৰাম )

বলোদেৱ
দেৱ দামোদৰৰ পিচৰ
ধৰ্ম্মাচাৰ্য্য

আলধৰা

ভটুদেৱ
বলোদেৱৰ পিচৰ
ধৰ্ম্মাচাৰ্য্য

পৰমানন্দ

বনমালী
( দক্ষিণপাট )

### শ্ৰীশ্ৰীবনমালীদেৱৰ বংশ পৰিচয়

ক্ৰমান্বয়ে—বিদ্যাবাগীশ—ৰাজধৰ—যদুদেৱ—বনমালী

এখেত শ্ৰীশ্ৰীদামোদৰ দেৱৰ আজ্ঞামতে উজানলৈ আহে। চক্ৰধৰ ৰজাই শৰণ লৈ পাটুগড়ৰ দক্ষিণত সত্ৰ পাতি দিয়ে।

### শ্ৰীশ্ৰীদামোদৰ দেৱৰ আজ্ঞাপৰ সত্ৰ আৰু মহন্ত—

( ১ ) কলাবাৰি ( শ্ৰীৰাম বাপু ), ( ২ ) শ্ৰীহাটি ( হৰি বাপু ) ( ৩ ) কাৰৈবৰীয়া ( গোপাল ), ( ৪ ) নৃসিংহ ( দয়াৰাম বাপু ) ( ৫ ) ৰোমপুৰ ( মাধৱ ), ( ৬ ) লক্ষ্মীপুৰ ( পৰমানন্দ ), ( ৭ ) বালিপাৰ ( সৰ্ব্বজয় বাপু ) ( ৮ ) কহাটি ( কেশবাপু ) ( ৯ ) খোদিয়া ( কমলাকান্ত ), ( ১০ ) কমিথলা ( নাৰায়ণ ) ( ১১ ) পোবোলাবাৰি ( জনাৰ্দ্দন ), ১২ ) বগৰীবাৰী ( সনাতন ) ( ১৩ ) বিয়াহ কুচি ( গোবিন্দ ) ( ১৪ ) চক্ৰবৰ্ত্তী থান ( বাপু ভাবতি ) ( ১৫ ) সাগুদ কুচি ( সৰ্ব্বানন্দ ), ( ১৬ ) শিলাপোটা ( জয়হৰি ) ( ১৭ ) কহৰা থান ( জয়ৰাম ), ( ১৮ ) উলুবাৰী ( বলোৰাম ) ( ১৯ ) মুৰাদি ( মুৰাৰী ), ( ২০ ) খতৰা ( বাসুদেৱ ) ( ২১ ) খগুনাবাৰী ( হৰিদাস ) ( ২২ ) পলাশবাৰী ( কৃষ্ণৰাম ) ( ২৩ ) খাকুৰাবাৰী ( অনন্ত ), ( ২৪ ) নদীয়াপাৰ ( বিজয় বাপু ) ( ২৫ ) ভট্টীপাৰা থান ( বিদুৰ ), ( ২৬ ) বাউসী ( বিষ্ণু বাপু )।

---



### শ্ৰীশ্ৰীগোপাল দেৱ ( বংশীগোপাল )

### বংশাৱলী

বিশ্বসেন ( শিৱপূজক )

ভুবনেশ্বৰ

কৃপাল
ভাৰ্য্যা-যমুনা

বংশীগোপাল
( কুকৰাবাহী বা কুৰবাহী )
আলধৰা—গদাধৰ
কন্দলিৰ নাতি, ৰাম
কন্দলিৰ পুত্ৰ হৰিমিশ্ৰ
ভাৰ্য্যা ৰেৱতী
( বংশীগোপালৰ পিচৰ ধৰ্ম্মাচাৰ্য্য )

ৰামদেৱ

কৃষ্ণদেৱ
( লৰিদেৱৰ পিচৰ
ধৰ্ম্মাচাৰ্য্য )

সুভদ্ৰা

ধৰ্ম্মাই

গদাপাণি

জয়হৰি বা
লৰিদেৱ
( হৰিমিশ্ৰৰ পাচৰ
ধৰ্ম্মাচাৰ্য্য )

কৰ্ম্মাই

পৰমায়

মধুৰাম

ৰামচৰণ

লক্ষ্মীনাৰায়ণ
( গড়মুৰ )

বাসুদেৱ

হৰিমিশ্ৰৰ আলধৰা আৰু সত্ৰৰ পাঠক—নিৰঞ্জন জয়ধ্বজ ৰজাই শৰণ লয় আৰু আউনীআটি সত্ৰ পাতি দিয়ে।

শ্ৰীশ্ৰীগোপালদেৱে ধুৱাহোলত শ্ৰীশ্ৰীশঙ্কৰদেৱক লগ পায়। তাৰ পিচৰ পৰাই বংশী ৰজাই নাম গাই কুৰা বাবে তেখেতক বংশী গোপাল বোলে।

শ্ৰীশ্ৰীশঙ্কৰদেৱে শ্ৰীশ্ৰীমাধৱদেৱক কৈ গৈছিল যে বংশী গোপালৰ লগত উজানিৰ পৰা আৰু ৪ জন সজলোক আহি তেখেতৰ পৰা ধৰ্ম্ম লবহি। সেই কেই জন—

( ১ ) বংশীগোপাল, ( ২ ) কানুচান্দ, ( ৩ ) যদুমণি, ( ৪ ) শ্ৰীহৰি, ( ৫ ) দিচীয়াল গোপাল।

### শ্ৰীশ্ৰীগোপালদেৱৰ আজ্ঞাপৰ সত্ৰ আৰু মহন্ত—

( ১ ) বেলসিদ্ধিয়া ( নিত্যানন্দ ), ২ ) চাৰিং ( বৰাগী বাপু ), ( ৩ ) দোলবগাওঁ ( ভাৱতী বাপু ), ( ৪ ) চালকটীয়া বৰ মুকুণ্ড ), ( ৫ ) জীয়া মৰিয়া ( জয়ৰাম ),

( ৬ ) শ্ৰবনী ( কৃষ্ণ ), ( ৭ ) কুকুৰাকটা ( নাৰায়ণ ), ( ৮ ) শলথগুৰি ( বিষ্ণু ), ( ৯ ) তিপাম ( গোবিন্দ, কামদেব ), ( ১০ ) কলাবাৰী ( চিদানন্দ ), ( ১১ ) ঢাপলিয়াল ( ভবানন্দ ), ( ১২ ) পাটকটীয়া ( নিত্যানন্দ ), ( ১৩ ) তুলসীজান ( মনোহৰ ), ( ১৪ ) ৰতনপুৰ ( পূৰ্ণানন্দ ), ( ১৫ ) দিহৈমুখ ( কৃষ্ণচৰণ ), ( ১৬ ) ঘুৰীয়া ( হৰিমিশ্ৰ ), ( ১৭ ) তামোলবাৰী ( লক্ষ্মন, করুণাময় ), ( ১৮ ) কবিগাওঁ ( শ্ৰীধৰ ভাগতি ), ( ১৯ ) থৰুভী ( কৃষ্ণানন্দ ), ( ২০ ) বৈষ্ণৱ খোলা ( নিৰঞ্জন ), ( ২১ ) ৰূপলীয়া ( বৰআতা ), ( ২২ ) দিহাজান ( সিঙ্গাল বিপ্ৰ ), ( ২৩ ) চকলা ( মোহন বাপু ), ( ২৪ ) মণিপুৰ ( দয়াল বাপু ), ( ২৫ ) নেপুৰা ( হৰিপদ ), ( ২৬ ) ঢকুৱাখনা ( অৰ্জ্জুন ), ( ২৭ ) কৰাই পোৱা ( কাঙলা ), ( ২৮ ) কাৰেকুচী ( অনন্ত কন্দলি ), ( ২৯ ) কাকৈয়াল ( ৰাম চৰণ ), ( ৩০ ) ধেমাজি ( হৰিচৰণ ), ( ৩১ ) হাবুং ( গোবিন্দআতা ) ( ৩২ ) কলিয়াপানী ( ৰামমিশ্ৰ ) ( ৩৩ ) দিখৌমুখ ( ৰঘুপতি ), ( ৩৪ ) ওঁয়ান ( গদাধৰ ), ( ৩৫ ) কঙ্কিলা ( জয়পতি )।

——০——

৺যত্নমণি

সত্ৰ—আধলীয়া ভূঞাৰ পুখুৰী পাৰত আধাৰ সত্ৰ।

পুত্ৰ—অচ্যুতানন্দ ( মাহাৰা ), পূৰ্ণানন্দ ( পতিয়ৰী ), কমলাকান্ত ( পচলাখোৱা ), সুদৰ্শন ( দোখোৰা মুখ ) সত্যানন্দ ( আধাৰ )।

আজ্ঞাপৰ সত্ৰ বা থান আৰু মহন্ত।—

( ১ ) পাৰিদিয়া ( হৰিচৰণ ), ( ২ ) পুথিমৰা ( ৰতিকান্ত ), ( ৩ ) ঢেকিয়াল ( কমললোচন ), ( ৪ ) জিপাম ( মধুমিশ্ৰ ) ( ৫ ) মথুৰাপুৰ ( নাৰায়ণ ), ( ৬ ) কণানী ( কমলা ), ( ৭ ) দিচৈ ( বনমালি ), ( ৮ ) জালকুৰীয়া ( নৰোত্তম ), ( ৯ ) ভটীয়া ( অৰ্জ্জুন ), ( ১০ ) গুভৰি ( পাঠকচন্দ্ৰ ), ( ১১ ) দৰিকা ( মুৰাৰি ) ( ১২ ) কৌলয়া ( পদ্ম

——০——

৺কাশুচান্দ

সত্ৰ—মুকুবন। কাশুচান্দৰ ভায়েক ৰমাকান্তৰ পুতেক অভয়চৰণ তেওঁতৰ পিচত ধৰ্ম্মাচাৰ্য্য হয়।

অভয়চৰণৰ আজ্ঞাপৰ সত্ৰ বা থান আৰু মহন্ত।

( ১ ) মুকুবন ( অচ্যুত, অভয়চৰণৰ পিচৰ ধৰ্ম্মাচাৰ্য্য ), ( ২ ) কপিলা ( অনন্ত ), ৩ ) বনগাওঁ ( অম্বৰিষ ), ( ৪ ) অভয়পুৰ ( অৰবিন্দ ) ( ৫ ) থালিমুৰ ( অজিত ), ( ৬ ) থাৰকটীয়া ( অৰুণচৰণ ), ( ৭ ) মেদেলা ( পুৰুষোত্তম ), ( ৮ ) নৰাবাৰী ( অভিমন্যু ) ( ৯ ) ছুৱলীয়াপাৰ ( পদ্মনাভ ) ( ১০ ) তিপম ( বৈকুণ্ঠ )।

——০——



৺পদ্মনাভ বা বহুলা আতা

( শ্ৰীশ্ৰীমাধৱদেৱে পতা আজ্ঞা )

বংশ পৰিচয়

ক্ৰমান্বয়ে—কৌমুদগিৰি—মুকুণ্ড—কৌণ্ডিন—শুভৰাজ—যুৱৰাজ—লৰ চোমদাৰ—তিতা চোমদাৰ—পদ্মনাভ।

এখেতে কোচবেহাৰত শ্ৰীশ্ৰীমাধৱদেৱত ভক্তি ললে আৰু উজনিলৈ আহি হৰি পুখুৰীৰ পাৰত থান পাতিলে। পিচত হৰি পুখুৰীৰ পৰা কমলা মুদৈৰ বাৰিলৈ থান আনিলে। সেই বাবেই থানৰ নাম কমলাবাৰি। এখেতৰ ভতিজাক সৰ্ব্বানন্দ ভেৰেৰা পাৰত থাকিল।

আজ্ঞাপৰ আতা

নিৰঞ্জন, জয়ৰাম, কানুৰাম, শিৱৰাম, বিজয়, ৰামচৰণ, গোপালচৰণ, সৰ্ব্বানন্দ, কৃষ্ণহৰি, হৰি, ৰামহৰি, নৰহৰি, কৃষ্ণৰাম, গোবিন্দ, যাদুৰাম, হৰিচৰণ।

৺কেশৱচৰণ বা ভাটৌকুচি আতা।

( শ্ৰীশ্ৰীমাধৱদেৱে পতা আতা )

বংশ পৰিচয়—

ক্ৰমান্বয়ে—শ্ৰীৰামথা—হাৰামথা—গাভৰুথা—টেপুকণ্ঠ—দীৰ্ঘকণ্ঠ—কেশৱ।

এখেতে কোচবেহাৰত শ্ৰীশ্ৰীমাধৱদেৱৰ পৰা ভক্তি লৈ উজানত ধৰ্ম্মপ্ৰচাৰ কৰিবলৈ আহে।

আজ্ঞাপৰ থান আৰু মহন্ত—

( ১ ) আতাহাটি ( জয়ৰাম ), ( ২ ) দাঘলজৰি ( মধুপুত্ৰ ), ( ৩ ) হাতীপৰা ( পৰীক্ষিত ), বগুনাবাৰী ( দয়াৰাম ), ( ৫ ) ৰামভিতা ( সত্যানন্দ ), ( ৬ ) নগৰখানা ( ভুৱানন্দ ), ( ৭ ) দালৈকুচী ( জগজীৱ ), ( ৮ ) বাহপৰা ( গোকুলচান্দ ), ( ৯ ) জঙ্গলপুৰ ( মধুআতা ), ( ১০ ) হৰবাৰী ( দয়াশিল ), ( ১১ ) মাগছী ( জগতানন্দ ), ( ১২ ) দামালকুচী ( ভৱানন্দ ), ( ১৩ ) ভোগপুৰ ( দামোদৰ ), ( ১৪ ) দীঘলকুচী ( হৰিবল্লভ )।

———

৺গোপাল আতা বা ভবানীপুৰীয়া গোপাল।

বংশ পৰিচয়

ক্ৰমান্বয়ে—ৰঘুপতি ভূঞা—ঘটপতি—দিগপতি—দিনেশ্বৰ—ধৰ্ম্মেশ্বৰ—গৌৰেশ্বৰ—কামেশ্বৰ ভাৰ্য্যা ব্ৰজৰঙ্গী—গোপাল।

এখেত গড়গাওঁ সমিপত, নাচনি ঘাটত, গোমোৰা গাৱঁত তিলিকি আমৰ গুৰিত জন্ম হয়। শ্ৰীশ্ৰীশঙ্কৰদেৱত শৰণ আৰু শ্ৰীশ্ৰীমাধৱদেৱত ভক্তি লৈ কালজাৰত থান পাতে। ৰজাৰ ভয়ত ভটিয়াই গৈ বৰ নগৰত থাকোতে মহাপুৰুষক লগ পায়।

### ভবিষ্যৎ বংশ আৰু সত্ৰ বা থান

৺গোপাল আতা ( কালজাৰ )—ভাৰ্যা।

( ১ ) বৰপেটা ( ২ ) ভুগুনী

দামোদৰ ( কালজাৰ )

কমললোচণ

কেহোঁচৰণ ( চাৰিপেটা )

নিৰঞ্জন

ৰামদাস ( কলাকটা ) | হৰিদাস ( কামাৰবাৰি ) | কৃষ্ণদাস ( দোকাচাপৰি ) | কেশদাস ( ধোপাবৰ )

### আজ্ঞাপৰ থান বা সত্ৰ আৰু মহন্ত

( ১ ) আইতগুৰি ( শ্ৰীৰাম ), ( ২ ) থকৰামোচ ( বুঢ়া ৰামচন্দ্ৰ ) ( ৩ ) হাবুঙ্গা ( পৰমানন্দ ), ( ৪ ) ইকৰাজান ( সন্ন্যাসী ), কাঠপাৰ ( পুৰুষোত্তম ) ( ৬ ) মা: নৰাৰী ( পুৰ্ণানন্দ ), ( ৭ ) বাঁহবাৰী ( বৰ যদুমণি ), ( ৮ ) গজলা ( সৰু যদুমণি ), ( ৯ ) মোৱামৰা ( অনিৰুদ্ধ ), ( ১০ ) নগৰীয়া ( সনাতন ), ( ১১ ) দহঘৰ ( নাৰায়ণ ), ( ১২ ) চৰাই বাহী ( মুৰাৰি )।

—০—

৺শ্ৰীৰাম আতা ( ব্ৰাহ্মণ )

( ৺গোপাল আতাৰ আজ্ঞাপৰ )

থান- আইতগুৰি

ৰমানন্দ ( আইতগুৰি ) | পৰমানন্দ ( কৰতিপাৰ )

ৰাম গোপাল ( আইতগুৰি ) | ৰাম গুবিন্দ ( ভলাগুৰি ) | হৰি গুবিন্দ ( কালজাৰ )

—০—



৺সৰু যদুমণি

( ৺গোপাল আতাৰ আজ্ঞাপৰ )

থান-গজলা

নাতি সত্ৰ

ৰামৰায় ( গজলা ) | হৰিৰায় ( বাৰিগুৰি ) | কেশৰায় ( কোৰেথনা ) | ৰামদেৱ ( দোখোৱা মুদীয়া ) | বিভুদেৱ ( মাজুৰ মৰীয়া )

### আজ্ঞাপৰ থান আৰু মহন্ত

( ১ ) কৰ্দ্দৈগুৰি ( যদুৰায় ), ( ২ ) সোকাজান ( ৰামৰায় ), ( ৩ ) সাপেখোৱা ( সুদৰ্শন ), ( ৪ ) বালিপাৰ ( পূৰ্ণানন্দ ), ( ৫ ) কোৰেথনা ( কমলা আতা ), ( ৬ ) বৰগলা ( শিৱকান্ত ), ( ৭ ) বিশাৰদ ( ধোবাকান্ত ), ( ৮ ) কেওঁটপাৰ ( দধিৰাম ), ( ৯ ) পুথি পঢ়া ( নিৰাময় ), ( ১০ ) ধোৱা পথীয়া ( হৰিহৰ ), ( ১১ ) পদগোৱা ( পদ্মনাভ ), ( ১২ ) নাহৰকতীয়া ( বলোদেৱ )।

—•—

৺বৰ যদুমণি

( ৺গোপালদেৱৰ আজ্ঞাপৰ )

সত্ৰ—বাঁহবাৰি

সনাতন ( বাঁহবাৰি ) | ৰতিকান্ত | শ্ৰীকান্ত ( ন মাটি )

জগমোহন | জগবন্দন ( দিহিং )

চিদানন্দ ( বাঁহবাৰি ) | সদানন্দ ( এলেঙ্গি ) | পৰমানন্দ ( ঢেলা ) | সৰ্ব্বানন্দ ( সৰমৰা ) | জয়ানন্দ ( তেলপানী )

### ৺জগবন্দনৰ ( দিহিং ) আজ্ঞাপৰ থান আৰু মহন্ত

( ১ ) কাটনীপাৰ ( সৰুকৃষ্ণ ), ( ২ ) বুদবাৰি ( বিজয় ), ( ৩ ) চলিহা ( গোপাল ), ( ৪ ) জকাই ( কৃপাল ), ( ৫ ) মহৰি ( বুঢ়াগুৰু ), ( ৬ ) জুৰকটা ( কানাই )।

—0—

### ৺শ্ৰীকান্তৰ ( ন মাটি ) আজ্ঞাপৰ থান আৰু মহন্ত

কহাৰপাৰ ( অনিৰুদ্ধ ), গোজলেং, ( ৰমাই ) ( ৩ ) চেঁচামুখ ( বৰকৃষ্ণ ), ( ৪ ) মোৱামৰা ( ৰামদেৱ )।

---

# সম্পাদকীয়

## অসম বুৰঞ্জী আৰু অসমৰ শিক্ষা বিভাগ।

যেই কোনো দেশৰ বুৰঞ্জীয়ে অন্ততঃ সেই দেশৰ লোক সকলৰ মনত অতীতৰ চানেকী উজ্জলাই ৰাখে। উন্নত দেশৰ বুৰঞ্জীয়ে লোকক উন্নতি পথত আগুৱাবলৈ উদগায় আৰু পতিত দেশৰ বুৰঞ্জীয়ে যদিও লোকৰ মাজত হতাশৰ ঢৌ পেলায় তথাপি উন্নতি কামনা কৰা লোকক পতনৰ কাৰণবিলাকৰ যথাযথ প্ৰতিবিধান কৰি ভবিষ্যতে উন্নতি কৰিবলৈ সহায়তা কৰে।

অসম এখন পুৰণি ৰাজ্য। ইয়াৰ উত্থান পতন অতীতত অনেক বাৰ হৈ গৈছে বুলি বুৰঞ্জীয়ে কয়। এই ৰাজ্যৰ পুৰণি গৌৰবৰ গবেষনা এতিয়াও আৰম্ভ হোৱা নাই বুলি কলে অত্যুক্তি কৰা নহয়। অসমীয়া ভাষাত ইয়াৰ এখন ধাৰাবাহিক বুৰঞ্জী এতিয়াও লিখা হোৱা নাই। এই সম্বন্ধে অসমৰ শিক্ষা বিভাগৰ পৰাও কোনো উদগনি দিয়া হোৱা নাই।

অসম বুৰঞ্জী পাঠ্য তালিকাত কেৱল মাত্ৰ ৪র্থ মানৰ কাৰণেহে নিৰ্দ্ধাৰিত কৰা থাকে। এই শ্ৰেণীৰ ছাত্ৰই, বয়স আৰু মনৰ উৎকৰ্ষতা বিবেচনা কৰি চালে, বুৰঞ্জীৰ ঘটনা বিলাক উপলব্ধি কৰা দুৰৰ কথা বুৰঞ্জী শব্দৰ অৰ্থকে বুজা টান। তাৰ ওপৰৰ শ্ৰেণী বিলাকত ভাৰত বুৰঞ্জী খনকে প্ৰত্যেক ছুশ্ৰেণীত এবাৰ এবাৰ কৈ শেষ কৰাই তিনিবাৰ শেষ কৰোৱা হয়—এবাৰ অসমীয়াত আৰু আগেয়ে দুবাৰ ইংৰাজীত আৰু এতিয়া তিনিও বাৰ অসমীয়াত। এই ভাৰত বুৰঞ্জী বিলাকত আগেয়ে "য়ান্দাবু সন্ধিত অসম মানৰ হাতৰ পৰা ইংৰাজৰ হাতলৈ আহিল" এই কথাষাৰৰ বাহিৰে অসম শব্দটোও নাছিল। শ্ৰীযুত কমলাকান্ত শইকীয়াৰ ভাৰত বুৰঞ্জী খনত মাথোন প্ৰথমতে অসম সম্বন্ধে গোটা-চেৰেক কথা সুমাই দিয়া হয়। বৰ্ত্তমান ভাৰত বুৰঞ্জী বিলাকতো অসম সম্বন্ধে অসমীয়া লৰাই এটা ধাৰণা কৰিব পৰা সম্বল সুমাই দিয়া হোৱা নাই। এণ্ট্ৰেন্স বা মেট্ৰিকুলেচন্ পৰীক্ষাৰ বুৰঞ্জীৰ প্ৰশ্ন কাকতত অসম সম্বন্ধে কোনো এটা প্ৰশ্ন দিয়া মনত নপৰে। এই-বিলাকে প্ৰমাণ নকৰেনে যে অসম বুৰঞ্জীলৈ শিক্ষা বিভাগে একেবাৰেই একপ্ৰকাৰে আওকাণ কৰিছে। সেইবাবে অসম বুৰঞ্জী সম্পৰ্কে ছাত্ৰ সকলৰ জ্ঞান কথাৰে ব্যক্ত কৰাতকৈ অনুমান হে সুস্পষ্ট।

বুৰঞ্জী ভালকৈ আয়ত্ত কৰিব পাৰে বিশ্ববিদ্যালয়ত সোমোৱা ছাত্ৰসকলে। বুৰঞ্জী লোৱা অসমীয়া ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে গেইট চাহাবৰ অসম বুৰঞ্জী-খন নাইবা তাৰে এখনি সস্তা সংস্কৰণ নিৰ্দ্ধাৰিত কৰি দিয়া হেতেন অসম সম্বন্ধে তেওঁ বিলাকৰ জ্ঞান বাঢ়িব হেতেন। এতিয়াও সময় উকলি যোৱা নাই, যদিও বহুত পাচ পৰিছে। অসমত চলোৱা ভাৰত বুৰঞ্জী বিলাকত যাতে অসম সম্বন্ধে যথেষ্ট সম্বল থাকে আৰু বিশ্ববিদ্যালয়ে সেই সম্বন্ধে বুৰঞ্জীৰ প্ৰশ্ন কাকতত যাতে অন্ততঃ দুটা প্ৰশ্ন দিয়ে তাৰ বাবে অসমৰ শিক্ষা বিভাগে যত্ন কৰিব বুলি আশা কৰা হল। তাৰ উপৰিও বিশ্ববিদ্যালয়ৰ এফ, এ আৰু বি, এ শ্ৰেণীত যাতে ওপৰত কোৱা গেইট চাহাবৰ অসম বুৰঞ্জী আৰু স্বৰ্গীয় কনকলাল বৰুৱাৰ কামৰূপৰ বুৰঞ্জী অন্তত কাৰণে নহলেও অসমীয়া ছাত্ৰ ছাত্ৰীৰ কাৰণে পাঠ্য লিষ্টি ভুক্ত হয়, তাৰ বাবে অসম গভৰ্ণমেণ্টে যেন যত্ন কৰে। নিজৰ দেশৰ বুৰঞ্জী নজনাকৈ আন দেশৰ বুৰঞ্জীত পাণ্ডিত্য লাভ কৰা লোক অসমত বিৰল নহয়।

—o—

# সন্মিলনৰ প্ৰস্তাৱ সমূহ।

## যোৰহাটত বহা অসম সাহিত্য-সভাৰ অষ্টাদশ সন্মিলনত গৃহীত হোৱা প্ৰস্তাৱ সমূহ।

১ম প্ৰস্তাৱ—১৭শ আৰু ১৮শ সন্মিলনৰ মাজ গত ঘটা অসমৰ খ্যাতনামা লোক সকলৰ মৃত্যুত [া]ক প্ৰকাশ কৰা প্ৰস্তাৱ সন্মিলনৰ সভাপতিয়ে ডাঙি [ৰ] আৰু সৰ্ব্ব সন্মতিক্ৰমে গৃহীত হয়।

২য় প্ৰস্তাৱ—অসম মিউজিয়ম স্থাপিত হোৱাত [এ]ই সন্মিলনে আনন্দ প্ৰকাশ কৰে আৰু অদ্যাবধি [অ]গৃহীত নোহোৱা সম্পদবোৰ অচিৰে লুপ্ত হোৱা বা [ধ্ব]ংস হোৱাৰ পৰা ৰক্ষা কৰিবলৈ উপযুক্ত লোকক [নি]য়োগ কৰি অতি সোনকালে সেই বিলাকৰ সংগ্ৰহ-[ক]াৰ্য্য কৰিবলৈ এই সন্মিলনে গভৰ্ণমেণ্টক অনুৰোধ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত শৰৎ চন্দ্ৰ গোস্বামী আই, এচ, ও

সমৰ্থক—অনাৰেবল ৰায়বাহাদুৰ শ্ৰীযুত হেৰম্বপ্ৰসাদ বৰুৱা

৩য় প্ৰস্তাৱ—প্ৰস্তাবিত অসম বিশ্ব-বিদ্যালয়ৰ [কে]ন্দ্ৰস্থান গুৱাহাটীত পাতিবলৈ এই সন্মিলনে গভৰ্ণমেণ্টক [জ]ানি অনুৰোধ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত ঈশ্বৰপ্ৰসাদ বৰুৱা বি, এল

সমৰ্থক—শ্ৰীযুত সুৰেন্দ্ৰনাথ ভড়ালী বি, এল

চতুৰ্থ প্ৰস্তাৱ—যদিও কলিকতা বিশ্ব-বিদ্যালয়ে অসমীয়া ভাষা এম. এ পৰীক্ষাত প্ৰবৰ্ত্তন কৰিছে, এই বিষয়ে উপযুক্ত শিক্ষা দিয়াৰ এতিয়াও সকলো প্ৰকাৰ [সু]বিধা হোৱা নাই। এতেকে আজিৰ সন্মিলনে গভৰ্ণ-মেণ্টক অনুৰোধ কৰে যেন ১৯৪১ চনৰ জুলাইৰ পৰা গুৱাহাটী কটন কলেজত অসমীয়া ভাষাৰ এম. এ শ্ৰেণী স্থাপন কৰি অসমীয়া জাতিৰ এই অভাব দূৰ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত নীলমণি ফুকন বি, এ

সমৰ্থক—প্ৰফেচাৰ শ্ৰীযুত তুলসীনাৰায়ণ শৰ্ম্মা এম এ

পঞ্চম প্ৰস্তাৱ—যিহেতু কলিকতা বিশ্ব-বিদ্যালয়ে মাতৃ-ভাষাক শিক্ষাৰ বাহন কৰিছে, কিন্তু অসমত এতিয়াও হাইস্কুল বোৰত অসমীয়া শিকোৱাৰ ভাল সন্তোষজনক হোৱা নাই, সেই কাৰণে অসমীয়া সাহিত্যক বিশেষ বিষয় স্বৰূপে লৈ, বি, এ, আৰু এম, এ পাচ কৰা ছাত্ৰ সকলক অসমৰ হাইস্কুল বোৰত উচ্চ ধৰণে অসমীয়া সাহিত্য পঢ়োৱাৰ কাৰণে নিয়োগ কৰিবলৈ গভৰ্ণমেণ্টক এই সন্মিলনে অনুৰোধ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত ৰত্নকান্ত বৰকাকতী

সমৰ্থক— " মাধৱচন্দ্ৰ বেজবৰুৱা বি, এ,

ষষ্ঠ প্ৰস্তাৱ—বিলাসীপাৰাৰ অসমীয়া পঢ়িবলৈ ইচ্ছা কৰা প্ৰজাসকলে অসমীয়াৰ জৰিয়তে শিক্ষা আৰু ঘাই ভাষা ( Major Language ) স্বৰূপে অসমীয়া ভাষা গ্ৰহণ কৰিবলৈ সুবিধা নেপাই নিজ উদ্যমেৰে বোকাখাটা নাম দি নতুনকৈ যি খনি হাইস্কুল স্থা[পন] কৰিছে, সেই অনুষ্ঠানটিক ঘৰ আৰু যথেষ্ট পৰি[মাণৰ] আৰ্থিক সাহায্য দি উৎসাহিত কৰিবলৈ গভৰ্ণমে[ণ্টক] আৰু ৰাইজক অনুৰোধ কৰা হওক।

প্ৰস্তাৱক—শ্ৰীযুত নীলমণি ফুকন, বি, এ,

সমৰ্থক— " পাৰ্ব্বতিপ্ৰসাদ বৰুৱা বি,

সপ্তম প্ৰস্তাৱ—মিকিৰ ভাষাভাষীসকলৰ শিক্ষাৰ অৰ্থে গভৰ্ণমেণ্টে যুগুত কৰোৱা কিতাপবিলাকত অসমীয়া বৰ্ণমালা চলোৱাৰ বাবে এই সন্মিলনে সন্তোষ প্ৰকাশ কৰে আৰু এই কাৰ্য্যৰ বাবে গভৰ্ণমেণ্টৰ আন্তৰিক শলাগ লয়।

প্ৰস্তাৱক—শ্ৰীযুত দেবানন্দ ভঁড়ালী বি, এ,

সমৰ্থক— " লীলাকান্ত বৰা

অষ্টম প্ৰস্তাৱ—( ক ) যিহেতু অসমৰ পৰ্ব্বতীয়া জাতিবিলাকৰ মাজত বৰ্ত্তমানলৈকে আশানুৰূপ শিক্ষাৰ প্ৰচাৰ হোৱা নাই, আৰু যিহেতু উক্ত পৰ্ব্বতীয়া জাতি বিলাকে ভৈয়ামৰ লোকসকলৰ লগত আৰু আন হি বিভিন্ন খেলৰ ভিতৰতো ভাবৰ আদান প্ৰদান অসমীয়া ভাষাৰ যোগেদিয়েই চলাই আছে—আৰু

যিহেতু অসমীয়া বৰ্ণমালা প্ৰচলন কৰিলে উক্ত জাতি বিলাকৰ মাজত শিক্ষাৰ উন্নতি সহজসাধ্য হব—এতেকে এই সন্মিলনে দৃঢ় মত প্ৰকাশ কৰে যে উক্ত

পৰ্ব্বতীয়া জাতি বিলাকৰ হিতৰ অৰ্থে তেওঁলোকৰ নিজ নিজ ভাষাৰ পুথি অসমীয়া আখৰেৰে প্ৰচলন কৰা আৰু উক্ত জাতি বিলাকৰ মাজত অসমীয়া ভাষা দ্বিতীয় ভাষা স্বৰূপে শিক্ষা দিবলৈ ব্যৱস্থা কৰা একান্ত আৱশ্যক; আৰু এই কাৰ্য্য সাধনৰ অৰ্থে এই সন্মিলনে শিক্ষা বিভাগৰ জৰিয়তে অসম গভৰ্ণমেণ্টক টানি অনুৰোধ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত সুৰেন্দ্ৰনাথ বুঢ়াগোহাঁই বি, এল
সমৰ্থক— " বিনন্দ চন্দ্ৰ বৰুৱা বি, এ

(খ) যি সকল মিচনাৰী নগা পৰ্ব্বত আদি ঠাইবোৰত শিক্ষা প্ৰচাৰ কৰ্ম্মত ব্যাপৃত আছে সিবিলাককো আজিৰ সন্মিলনে এই ... গঠনমূলক কাৰ্য্যত সহায় কৰিবলৈ অনুৰোধ জনায়।

প্ৰস্তাৱক—শ্ৰীযুত নীলমণি ফুকন বি, এ
সমৰ্থক— " সৰ্ব্বেশ্বৰ কটকী।

অতীতত অ... এই ৰাজ্যৰ নৱম প্ৰস্তাৱ—আই, চি, এচ (I. C. S) হোৱা নাই ... নিমিত্তে অসমীয়া ভাষা আৰু সাহিত্য ইচ্ছাধীন ভাষাত ইয়াৰ (...optional subject) স্বৰূপে অন্তৰ্ভুক্ত কৰিবৰ ...ত গভৰ্ণমেণ্ট আৰু চেক্ৰেটেৰী অৱ ষ্টেট হোৱা নাই (Secretary of State) ৰ ওচৰত দাবী উত্থাপিত পৰাও কো... অসম গভৰ্ণমেণ্টক এই সন্মিলনে টানি অনুৰোধ কৰে।

প্ৰস্তাৱক—অনাৰেবল ৰায়বাহাদুৰ শ্ৰীযুত হেৰম্বপ্ৰসাদ বৰুৱা
সমৰ্থক—শ্ৰীযুত ঈশ্বৰপ্ৰসাদ বৰুৱা বি, এল,

দশম প্ৰস্তাৱ—অসম সাহিত্য-সভাই পৌৰাণিক অসমীয়া সাহিত্যৰ সমৃদ্ধিৰ বাবে ধাৰাবাহিক ৰূপে মূল্যবান অসমীয়া পুৰণি পুথি প্ৰকাশ কৰাৰ ভাৰ গ্ৰহণ কৰক।

প্ৰস্তাৱক—খানচাহেব মৌ, জেহিৰুদ্দিন আহমদ বি,এ,বি,টি
সমৰ্থক—শ্ৰীযুত জগৎচন্দ্ৰ গোস্বামী

একাদশ প্ৰস্তাৱ—অসম সাহিত্য-সভাৰ কাৰ্য্য বিলাক নিয়ম মতে সম্পাদন কৰিবৰ অৰ্থে বৰ্ত্তমানে ... বেচিকৈ আৰ্থিক সাহায্য দিবলৈ এই সন্মিলনে গভৰ্ণমেণ্টক টানি অনুৰোধ কৰে, আৰু এই বিষয়ে ...পক সভাৰ সভাসকলক বিশেষ চকু দিবলৈ অনুৰোধ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা
সমৰ্থক—শ্ৰীযুত ...শ্বৰ মৰঠাকুৰ বি, এ,

দ্বাদশ প্ৰস্তাৱ—(ক) অসমীয়া ভাষা আৰু সাহিত্য প্ৰচাৰ সাধনৰ অৰ্থে, অহা মাদুহ পিয়লত, অসমীয়া ভাষা-ভাষীৰ সংখ্যা যাতে বিশুদ্ধ ৰূপে গণনা কৰা হয়, তাৰ বাবে যথাবিহিত ব্যৱস্থা কৰিবলৈ এই সন্মিলনে সিদ্ধান্ত কৰে।

(খ) অসম সাহিত্য-সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে নিযুক্ত কৰা ... শাখা সমিতিৰ বিবৃতি এই সন্মিলনে সম্পূৰ্ণ অনুমোদন কৰে আৰু তাৰ যথাযথ প্ৰতিবিধান কৰিবলৈ গভৰ্ণমেণ্টক অনুৰোধ জনায়।

(গ) কলিকতা এ, এছ, এল, ক্লাব আৰু শিলঙৰ সাহিত্য-সভাৰ আৰ্হি অনুসৰণ কৰি কাৰ্য্য-কৰা পন্থা হাতত লবলৈ আৰু তাৰ সাময়িক ৰিপৰ্ট সাহিত্য-সভাৰ অপীচলৈ পঠাবলৈ স্বীকৃত সভা বিলাকক এই সন্মিলনে অনুৰোধ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত নীলমণি ফুকন বি, এ,
সমৰ্থক—শ্ৰীযুত পদ্মধৰ চলিহা এম, এ, বি, এল

ত্ৰয়োদশ প্ৰস্তাৱ—প্ৰথম, দ্বিতীয় আৰু তৃতীয় ভাগ বিজ্ঞান-প্ৰবেশিকাৰ গ্ৰন্থকাৰৰ প্ৰাপ্য আয়ৰ টকাৰে "অতুল কথা মালা" নামক গ্ৰন্থাৱলী প্ৰকাশ কৰি অসমীয়া শিশু সাহিত্যৰ উন্নতিৰ অৰ্থে চেষ্টা কৰা বাবে এই সন্মিলনে মিঃ জি, এ, স্মল, শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী, আই এচ, ও, ৰায়বাহাদুৰ শ্ৰীযুত অঘোৰ নাথ অধিকাৰী আৰু শ্ৰীযুত প্ৰাণনাথ বুজৰ বৰুৱাক ধন্যবাদ জনায়।

প্ৰস্তাৱক—সভাপতি।

চতুৰ্দ্দশ প্ৰস্তাৱ—অহা মাদুহ পিয়লত পূৰ্ব্বে বিদেশৰ পৰা আহি অসমত বাসিন্দা হোৱা অসমীয়া ভাষাভাষী লোক সকল অসমীয়া স্বৰূপে পৰিগণিত হোৱাৰ অৰ্থে যত্ন কৰা বাবে এই সন্মিলনে ইণ্ডিয়ান, টি, এচচিয়েচনৰ সভাপতি মিঃ মেক্লিনেন (Mr. Maclenan) চাহাবক আন্তৰিক ধন্যবাদ জনায়।

প্ৰস্তাৱক—সভাপতি।

পঞ্চদশ প্ৰস্তাৱ—অসম সাহিত্য সভাৰ পৰা অন্ততঃ তিনিজন প্ৰতিনিধিক অসম চেণ্ট্ৰেল টেক্সট বুক কমিটিৰ সভ্য স্বৰূপে লবলৈ এই সন্মিলনে অসম গভৰ্ণমেণ্টক অনুৰোধ কৰে।

প্ৰস্তাৱক—সভাপতি

ষোড়শ প্ৰস্তাৱ—মণিপুৰৰ পৰা প্ৰকাশিত মণিপুৰ সভম কাকতত অসমীয়া ভাষাক ঠাই দি মণিপুৰী সকলৰ মাজত অসমীয়া ভাষাৰ প্ৰচলনৰ অৰ্থে আন্তৰিক যত্ন কৰা বাবে, উক্ত কাকতৰ প্ৰধান সম্পাদক ৰাজকুমাৰ শ্ৰীযুত শীতলজিত সিংহক আৰু অসমীয়া অংশৰ সম্পাদক শ্ৰীযুত দেবেন্দ্ৰনাথ বেজবৰুৱাক এই সন্মিলনে ধন্যবাদ জনায়। প্ৰস্তাৱক—সভাপতি।